GPS S3 02 (M)

আন্তর্জাতিক ৰাজনীতি (তত্ত্ব)

তৃতীয় ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়

ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	ড ° অমূল্য প্রসাদ শর্মা, আসাম ইনষ্টিটিউট্ অব এডভান্স্ ষ্টাডিচ্	ড ° অমূল্য প্রসাদ শর্মা, (অধ্যায় ১) আসাম ইনষ্টিটিউট্ অব এডভান্স্ ষ্টাডিচ্
২,৩,৪	ড ° নবনীতা মেধি, জে. বি আইন মহাবিদ্যালয়, গুৱাহাটী	লীনা ডেকা (অধ্যায় ২, ৩, ৪, ৫,৬,৭) মধ্য কামপীঠ মহাবিদ্যালয়, গুৱাহাটী
৫,৬,৭	ড ° মানসী শর্মা, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী	

সম্পাদনা ঃ

মূল বিষয়বস্তু সম্পাদনা	ঃ	অধ্যাপিকা সন্ধ্যা গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
ভাষা সম্পাদনা	ঃ	মেঘনা চৌধুৰী, প্রাক্তন শৈক্ষিক পৰামর্শদাতা (ভাষান্তৰকাৰী) কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্ৱাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী-৭৮১০১৭ ; Web : www.kkhsou.in
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ আন্তর্জাতিক ৰাজনীতি ঃ অর্থ আৰু ক্রমবিকাশ; আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি আৰু পৰিসৰ ৭-২৮

আন্তর্জাতিক ৰাজনীতিৰ ধাৰণাঃ আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ; আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি; আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ

অধ্যায় ২ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আদর্শবাদী দৃষ্টিভংগী ২৯-৪০

আদর্শবাদৰ উত্থান; আদর্শবাদী দৃষ্টিভংগীৰ মূল বৈশিষ্ট্যসমূহ· , আন্তর্জাতিক ব্যৱস্থাত আদর্শবাদীসকলে আগবঢ়োৱা সংস্কাৰমূলক নীতিসমূহ ঃ আদর্শবাদী আৰু বাস্তৱবাদীসকলৰ মাজৰ মূল প্রভেদসমূহ , আদর্শবাদীৰ দৃষ্টিভংগীৰ বিৰুদ্ধে থকা সমালোচনাসমূহ

অধ্যায় ৩ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ বাস্তৱবাদী দৃষ্টিভংগী ৪১-৫২

বাস্তৱবাদী দৃষ্টিভংগীৰ উত্থান :; বাস্তৱবাদ আৰু ইয়াৰ বৈশিষ্ট্যসমূহ ঃ বাস্তৱবাদৰ মূল বৈশিষ্ট্যসমূহ ; মৰগেনথিউৰ বাস্তৱবাদৰ ব্যাখ্যা ঃ আদর্শবাদ আৰু বাস্তৱবাদ ঃ দুটা প্রান্তীয় ধাৰণা, বাস্তৱবাদৰ বিৰুদ্ধে থকা মূল সমালোচনাসমূহ

অধ্যায় ৪ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ ব্যৱস্থাপক দৃষ্টিভংগী ৫৩-৬৪

ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান; ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যসমূহ ; মর্টন কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগী ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ সমালোচনাসমূহ

অধ্যায় ৫ ঃ ৰাষ্ট্রীয় ক্ষমতা ৬৫-৭৬

ক্ষমতাৰ অর্থ ঃ ৰাষ্ট্রীয় ক্ষমতাৰ মূল উপাদানসমূহ , ৰাষ্ট্রসমূহৰ ক্ষমতা ব্যৱহাৰৰ পদ্ধতিসমূহ ; ৰাষ্ট্রীয় ক্ষমতাৰ সীমাবদ্ধতাসমূহ

অধ্যায় ৬ ঃ ক্ষমতাৰ ভাৰসাম্য নীতি ৭৭-৮৭

ক্ষমতাৰ ভাৰসাম্য নীতি ঃ ক্ষমতাৰ ভাৰসাম্য নীতিৰ অর্থ , ক্ষমতাৰ ভাৰসাম্য নীতিৰ ক্রমবিকাশ , ক্ষমতাৰ ভাৰসাম্য নীতিৰ ধাৰণাসমূহ ; ক্ষমতাৰ ভাৰসাম্যতাৰ শ্রেণীবিভাজনসমূহ ঃ ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বিভিন্ন কৌশল, ক্ষমতাৰ ভাৰসাম্য নীতিৰ প্রাসংগিকতা

অধ্যায় ৭ ঃ ৰাষ্ট্রীয় স্বার্থ ৮৮-৯৭

ৰাষ্ট্রীয় স্বার্থ ঃ ৰাষ্ট্রীয় স্বার্থৰ অর্থ , ৰাষ্ট্রীয় স্বার্থ নিৰূপণৰ বিভিন্ন আৱশ্যকীয় আৰু অনাৱশ্যকীয় উপাদান, ৰাষ্ট্রীয় স্বার্থৰ প্রকাৰ; ৰাষ্ট্রীয় স্বার্থৰ ৰূপায়ণৰ বিভিন্ন কৌশলসমূহ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ তৃতীয় ষান্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'আন্তর্জাতিক ৰাজনীতি (তত্ত্ব)'। শিক্ষার্থীসকলক আন্তর্জাতিক স্তৰত ৰাজনীতিৰ তাত্ত্বিক আৰু ব্যৱহাৰিক মাত্রাবোৰ বুজাত সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো যুগুত কৰা হৈছে। ৰাজনীতি বিজ্ঞানৰ শিকাৰু ৰূপে শিক্ষার্থীসকলে আন্তর্জাতিক ৰাজনীতিৰ ধাৰণাটোৰ বিষয়ে প্রাথমিক জ্ঞান আহৰণ কৰা উচিত। আন্তর্জাতিক ৰাজনীতিৰ অর্থ আলোচনাৰ জৰিয়তে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। আলোচনাত আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ বিভিন্ন স্তৰকো স্থান দিয়া হৈছে। প্রথম অধ্যায়টিত ইয়াৰ লগতে আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি আৰু পৰিসৰৰ বিষয়েও আলোচনা কৰা হৈছে। পৰৱর্তী আলোচনাবোৰৰ জৰিয়তে শিক্ষার্থীসকলক ৰাষ্ট্র আৰু অনা-ৰাষ্ট্র কর্তাৰ দৰে বিভিন্ন অংশগ্রহণকাৰীৰ মাজত সৃষ্টি হোৱা সংঘাত তথা সহযোগিতাৰ পৰিস্থিতিত গঢ় লোৱা এটা প্রক্রিয়া ৰূপে আন্তর্জাতিক ৰাজনীতিৰ মৌলিক দিশবোৰৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্রয়াস কৰা হৈছে। এই পটভূমিত কেইটামান বিশেষ দৃষ্টিভংগী গঠন কৰা হৈছে। এই দৃষ্টিভংগীবোৰৰ জৰিয়তে একোটা নির্দিষ্ট দৃষ্টিকোণৰ পৰা আন্তর্জাতিক ৰাজনীতিৰ আচৰণ ব্যাখ্যাৰ প্রয়াস কৰা হৈছে। সেই মর্মে পাঠ্যবিষয়ৰ দ্বিতীয়, তৃতীয় আৰু চতুর্থ অধ্যায়ত আন্তর্জাতিক ৰাজনীতি অধ্যয়নত সহায় কৰা আদর্শবাদী দৃষ্টিভংগী, বাস্তৱবাদী দৃষ্টিভংগী আৰু ব্যৱস্থাপক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। এই পাঠ্যবিষয়টোৰ জৰিয়তে শিক্ষার্থীক আন্তর্জাতিক ৰাজনীতি ক্ষেত্রখনৰ আন কিছুমান প্রধান ধাৰণাৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। পঞ্চম অধ্যায়ত আন্তর্জাতিক ৰাজনীতিৰ সবাতোকৈ গুৰুত্বপূর্ণ ধাৰণা ৰাষ্ট্রীয় ক্ষমতাৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্রীয় ক্ষমতাৰ অর্থ, উপাদান, সীমাৱদ্ধতা আৰু এখন ৰাষ্ট্রৰ দ্বাৰা এই ক্ষমতা ব্যৱহাৰ কৰাৰ পদ্ধতিৰ বিষয়েও অধ্যায়টিত আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত আন্তর্জাতিক ৰাজনীতিৰ আন এটা গুৰুত্বপূর্ণ বিষয় ক্ষমতাৰ ভাৰসাম্যতাৰ ধাৰণাটোৰ ওপৰত আলোকপাত কৰা হৈছে। আন্তর্জাতিক পর্যায়ত প্রতিখন ৰাষ্ট্রৰে প্রতিটো কার্যকলাপৰ আঁৰৰ চালিকা শক্তিটো হ'ল ৰাষ্ট্রীয় স্বার্থ। সপ্তম অধ্যায়ৰ আলোচ্য বিষয় হ'ল ৰাষ্ট্রীয় স্বার্থৰ ধাৰণাটোৰ সৈতে জড়িত বিভিন্ন দিশ। অন্য ৰাষ্ট্রৰ সৈতে সম্পর্ক ৰক্ষা কৰাত দেশ এখনৰ কাম-কাজক ৰাষ্ট্রীয় স্বার্থৰ লগতে আদর্শয়ো প্রভাৱিত কৰে। কিন্তু শেহতীয়াভাৱে আদর্শ এতিয়াও প্রাসংগিক হয়নে নহয় তাক লৈ এক বিতর্কৰ সূত্রপাত হৈছে। অষ্টম অধ্যায়ত আদর্শৰ ধাৰণাটো আৰু আদর্শক লৈ চলা বিতর্কৰ বিষয়ে আলোচনা কৰা হৈছে। নৱম অধ্যায়ৰ আলোচ্য বিষয় হ'ল সমসাময়িক বিশ্বৰ দুটা সবাতোকৈ গুৰুত্বপূর্ণ আদর্শ নব্য বাস্তৱবাদ আৰু নব্য উদাৰতাবাদ। দশম অধ্যায়ত কূটনীতিৰ ধাৰণাটো বহলাই আলোচনা কৰা হৈছে। কূটনীতিক আন্তর্জাতিক সম্পর্ক চলাই নিয়াৰ আৰু নিয়ন্ত্রণ কৰাৰ এক গুৰুত্বপূর্ণ পন্থা বুলি গণ্য কৰা হয়। আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আন এটা গুৰুত্বপূর্ণ দিশ হ'ল বৈদেশিক নীতি। ইয়াক সকলো আন্তর্জাতিক সম্পর্কৰ ভেঁটি বুলি কোৱা হয়। একাদশ অধ্যায়ত বৈদেশিক নীতিৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে। আন্তর্জাতিক পর্যায়ত সকলো ৰাষ্ট্রই আন্তর্জাতিক আইনবোৰৰ প্রতি সন্মান জনাব বুলি আশা কৰা হয়। এই আইনবোৰ মানি চলাটো কোনো ৰাষ্ট্রৰ ক্ষেত্রতে বাধ্যতামূলক নহয়। কিন্তু এনে আইনে দেশবোৰৰ ওপৰত কিছুমান নৈতিক বাধ্যবাধকতা আৰোপ কৰে। দ্বাদশ অধ্যায়ত আন্তর্জাতিক আইনৰ ধাৰণাটোৰ ওপৰত আলোকপাত কৰা হৈছে। ত্রয়োদশ অধ্যায়ত শান্তি আৰু সশস্ত্র সংঘাত বিষয়ক আন্তর্জাতিক আইনৰ সৈতে জড়িত বিভিন্ন দিশৰ আলোচনা সামৰি লোৱা হৈছে। সমসাময়িক যুগত আন্তর্জাতিক সম্পর্কৰ সৈতে জড়িত দুটা প্রধান বিষয় হ'ল ৰাষ্ট্রবোৰৰ মাজত বিভিন্ন স্তৰত চলা সংঘাত আৰু সহযোগিতা। চর্তুদশ অধ্যায়ত সেয়েহে বিভিন্ন ৰাষ্ট্রৰ মাজত আন্তর্জাতিক স্তৰত সংঘটিত সংঘাত তথা সহযোগিতাৰ ধাৰণা দুটা আলোচনা কৰা হৈছে। পঞ্চদশ অধ্যায়ৰ আলোচ্য বিষয় হ'ল নব্য উপনিৱেশবাদৰ ধাৰণা আৰু নতুন আন্তর্জাতিক অর্থনৈতিক শৃংখলা।

'আন্তর্জাতিক ৰাজনীতি (তত্ত্ব)' শীর্ষক পাঠ্যবিষয়টো দুটা খণ্ডত ভগোৱা হৈছে। প্রথম খণ্ডত সাতটা অধ্যায় (অধ্যায় ১-৭) আৰু দ্বিতীয় খণ্ডত আঠটা অধ্যায় (অধ্যায় ৮-১৫)আছে ।

প্ৰথম খণ্ডৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ তৃতীয় ষান্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়ৰ এইটো হ'ল প্ৰথম খণ্ড। ৰাজনীতি বিজ্ঞানৰ স্নাতক তৃতীয় ষান্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় নাইবা কাকতখনৰ শিৰোনাম হ'ল 'আন্তৰ্জাতিক ৰাজনীতি (তত্ত্ব)'। পাঠ্যবিষয়টোৰ প্ৰথম খণ্ডত সাতটা অধ্যায় (অধ্যায় ১-৭) আছে।

প্ৰথম অধ্যায়ত শিক্ষাৰ্থীক আন্তৰ্জাতিক ৰাজনীতিৰ অৰ্থ, প্ৰকৃতি, পৰিসৰ আৰু ক্ৰমবিকাশৰ মৌলিক আভাস দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত আন্তৰ্জাতিক ৰাজনীতি অধ্যয়নৰ আদৰ্শবাদী দৃষ্টিভংগীটো আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়ত আলোচিত বিষয়টো হ'ল আন্তৰ্জাতিক ৰাজনীতি অধ্যয়নৰ বাস্তৱবাদী দৃষ্টিভংগী।

চতুৰ্থ অধ্যায় আন্তৰ্জাতিক ৰাজনীতি অধ্যয়নৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দৃষ্টিভংগীবোৰৰ এটা ব্যৱস্থাপক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত আন্তৰ্জাতিক ৰাজনীতিৰ এটা গুৰুত্বপূৰ্ণ দিশ ৰাষ্ট্ৰীয় ক্ষমতাৰ বিষয়ে আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়ৰ আলোচ্য বিষয় হ'ল ক্ষমতাৰ ভাৰসাম্যতাৰ ধাৰণাটো।

সপ্তম অধ্যায়ত ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিষয়টো আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ আন্তর্জাতিক ৰাজনীতি ঃ অর্থ আৰু ক্রমবিকাশ; আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি আৰু পৰিসৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ আন্তর্জাতিক ৰাজনীতিৰ ধাৰণা

১.৩.১ আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধ

১.৪ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ

১.৫ আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি

১.৬ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আন্তর্জাতিক ৰাজনীতিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- আন্তর্জাতিক সম্বন্ধ আৰু আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ মাজৰ পার্থক্য সম্পর্কে আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ চাৰিটা পর্যায় বর্ণনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ উপকৰণসমূহ বর্ণনা কৰিব পাৰিব
- আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ উপাদানসমূহ বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

অজ্ঞাত কথা জানিবৰ বাবে মানুহৰ মনৰ যি চিৰন্তন হাবিয়াস আৰু কেইবা শতিকাজুৰি প্রযুক্তি-বিদ্যাৰ যি ক্রমাগত উন্নয়ন সাধিত হৈছে— এই দুয়োটা উপাদান লগ লাগি এনে এটা পৰিস্থিতিৰ সৃষ্টি হৈছে যি পৰিস্থিতিত পৃথিৰীৰ কোনো এটা স্থানেই সংযোগহীন হৈ থাকিব

নোৱাৰে। পৃথিৱীৰ সকলোবোৰ অঞ্চলৰ— যাক ৰাজনীতি বিজ্ঞানৰ ভাষাত আমি ৰাষ্ট্র বুলি কওঁ— অন্যান্য অঞ্চলৰ লগত কিবা নহয় কিবা সম্বন্ধ থাকিব লাগিবই। এই পৰিস্থিতিটোৱেই হ'ল আন্তঃৰাষ্ট্রীয় সম্বন্ধৰ উৎপত্তি বা অংকুৰণ। এই আন্তঃৰাষ্ট্রীয় সম্বন্ধক যদি আমি এক তাত্ত্বিক আধাৰ দিওঁ, তেতিয়া ইয়াক আন্তঃৰাষ্ট্রীয় ৰাজনীতি বোলা হয়।

এই একেটা কথাকে আমি যদি আৰু অধিক প্রাঞ্জলভাৱে প্রকাশ কৰো, আমি দেখিবলৈ পাম যে যোৱা দুই শতিকা ধৰি বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ যি উন্নয়ন হৈছে আৰু এই উন্নয়নে মানৱ জীৱনৰ সকলো দিশতে যি প্রভাৱ পেলাইছে— তাৰ ফলত পৃথিৱীৰ সকলোবোৰ দেশ এখন ইখনৰ অধিক ওচৰ চাপি আহিছে। ফলস্বৰূপে স্বাভাৱিকভাৱেই পৃথিৱীৰ কোনো এক অঞ্চলৰ বা দেশৰ যিকোনো ঘটনাই অন্য অঞ্চলতো কিবা নহয় কিবা প্রভাৱ পেলাবই। ইয়াৰ উপৰি উৰাজাহাজ, ক্ষেপনাস্ত্র আৰু সামূহিকভাৱে ধ্বংস কৰিব পৰা মৰণাস্ত্র আদিৰ আৱিষ্কাৰে বিশ্বৰ মানুহৰ মনত যুদ্ধ আৰু ধ্বংসৰ এক ভীতি জগাই তুলিছে। ইয়াৰ ফলস্বৰূপে বন্ধুত্বপূর্ণ সম্বন্ধ থকা দেশসমূহ এখন ইখনৰ লগ লাগিছে এই উদ্দেশ্যৰেই যাতে তেওঁলোকে শত্রু ভাৱাপন্ন দেশসমূহৰ ভাবুকিৰ প্রত্যুত্তৰ দিব পাৰে। এতিয়া, এই যে বন্ধু বা শত্রু দেশসমূহৰ মাজৰ যি সম্বন্ধ তাক আন্তঃৰাষ্ট্রীয় সম্বন্ধ বুলি নামকৰণ কৰা হয় আৰু এই আন্তঃৰাষ্ট্রীয় সম্বন্ধ গঢ়ি তোলাৰ বাবে যি নীতি গ্রহণ কৰা হয় তাক আন্তঃৰাষ্ট্রীয় ৰাজনীতি বোলা হয়।

আন্তর্জাতিক ৰাজনীতি এনে এটা প্রক্রিয়া য'ত বিভিন্ন দেশৰ মাজৰ সম্বন্ধৰ সমন্বয়ৰ প্রচেষ্টা অব্যাহত থাকে। ফলস্বৰূপে, আন্তর্জাতিক ৰাজনীতিয়ে সংঘাত আৰু সহযোগিতা— এই দুয়োটা কথাৰ লগতে জড়িত থাকিব লাগে। এই অধ্যায়ত আমি আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ আগৰ অধ্যায়ত আমি আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ সম্পর্কে আলোচনা কৰিছিলো। আন্তর্জাতিক ৰাজনীতিৰ ক্রমাগত বিকাশ সম্পর্কে আলোচনা কৰোঁতে আমি দেখিবলৈ পাইছিলো যে বিভিন্ন পর্যায়ত বিভিন্ন কাৰকে এই বিষয় অধ্যয়নত বিভিন্ন প্রভাৱ পেলাইছিল। বিভিন্ন পণ্ডিত, বিভিন্ন বিশ্ববিদ্যালয়, বিভিন্ন শৈক্ষিক সংস্থাই অহৰহ এক প্রচেষ্টা চলাইছে যাতে আন্তর্জাতিক ৰাজনীতিয়ে এক সুকীয়া শৈক্ষিক বিষয় হিচাপে স্বীকৃতি পায়।

১.৩ আন্তর্জাতিক ৰাজনীতিৰ ধাৰণা

এইখিনিতেই আমি এই কথা স্পষ্ট কৰি দিবলৈ বিচাৰিছো যে আন্তর্জাতিক ৰাজনীতিৰ অর্থ আৰু সংজ্ঞা সম্পর্কে ৰাজনীতি বিজ্ঞানীসকলৰ মাজত কোনো সহমত নাই। তেওঁলোকৰ অভিগমন পৃথক পৃথক আৰু এই কথাটো অতি স্বাভাৱিক। তাৰ মূল কাৰণ হ'ল যে 'আন্তঃৰাষ্ট্রীয় ৰাজনীতি' নামৰ এই বিষয়টো এতিয়াও পৰিৱর্তনশীল অৱস্থাতে আছে আৰু ইয়াৰ তাৰতম্য, হ্রাস-বৃদ্ধি, উত্থান-পতন ক্রমাগতভাৱে চলিয়েই আছে। সেই কাৰণে, এইখিনিতেই আমি কেইটামান সংজ্ঞা পর্যালোচনা কৰি চাব পাৰো ঃ

আমেৰিকান ৰাজনৈতিক বিজ্ঞানী প্রফেছৰ শ্লেইচাৰ (Prof. Schleicher)ৰ সংজ্ঞামতে আন্তর্জাতিক ৰাজনীতি হ'ল— 'বিভিন্ন দেশৰ মাজৰ সম্বন্ধ।' যদিও অৱশ্যে তেওঁ আঙুলিয়াই দিয়ে যে বিভিন্ন দেশৰ মাজৰ সম্বন্ধ সদায় ৰাজনৈতিক নহ'বও পাৰে।

প্রফেছৰ **হেনছ জে মৰগেনথিউ** (Prof. Hans J Morgenthau)এ কয় যে 'বিভিন্ন দেশৰ মাজত ক্ষমতাৰ বাবে যি প্রৱল প্রচেষ্টা চলোৱা হয়— সিয়েই হ'ল আন্তর্জাতিক ৰাজনীতি।'

প্রফেছৰ **কুইনচি ৰাইট** (Prof. Quincy Wright)এ এই মত পোষণ কৰে যে পৃথিৱীৰ সামূহিক জীৱনৰ ওপৰত যিকোনো সময়তে প্রভাৱ পেলোৱা মুখ্য গোটসমূহৰ মাজৰ সম্বন্ধই হ'ল আন্তর্জাতিক ৰাজনীতি।

চার্লছ ৰেনল্ডছ (Charles Reynolds)ৰ মতে 'আন্তর্জাতিক ৰাজনীতিয়ে এই প্রক্রিয়াটোৰ কথা কয়, যাৰ দ্বাৰা আন্তর্জাতিক স্তৰত সংঘাতৰ উৎপত্তি হয় আৰু এই সংঘাতৰ সমাধান উলিওৱা হয়।'

বিখ্যাত ভাৰতীয় পণ্ডিত মহেন্দ্র কুমাৰৰ মতে 'আন্তর্জাতিক ৰাজনীতি এটা প্রক্রিয়া যাৰ দ্বাৰা দেশসমূহে তেওঁলোকৰ নীতি আৰু কার্যৰ দ্বাৰা জাতীয় স্বার্থ পূৰণৰ বাবে প্রচেষ্টা চলায়। এই প্রচেষ্টাৰ ফলত এই দেশসমূহৰ অন্য দেশৰ প্রতি সংঘাতৰো সৃষ্টি হ'ব পাৰে। তেওঁ এই মত পোষণ কৰে যে কুৰি শতিকাৰ যিকোনো সময়ৰ ক্ষেত্রতে এই সংজ্ঞা প্রয়োগ কৰিব পৰা যায়।

এইক্ষেত্রত এটা কথা আঙুলিয়াই দিয়া প্রয়োজন যে ওপৰত দিয়া সংজ্ঞাসমূহে মূলতঃ এই ইংগিতেই দিছে যে আন্তর্জাতিক ৰাজনীতিয়ে বিভিন্ন ৰাষ্ট্রৰ মাজত ঘটা ঘটনাৱলীকেই আছুতীয়াকৈ সামৰি লৈছে। কিন্তু এই কথাও উনুকিয়াই দিব পাৰি যে আন্তর্জাতিক ৰাজনীতিয়ে অ-ৰাষ্ট্র (non-State) গোটসমূহৰ মাজৰ ৰাজনৈতিক কার্যাৱলীকো সামৰি লয়। উদাহৰণস্বৰূপে SAARC অর্থাৎ দক্ষিণ এছিয়াৰ দেশসমূহৰ মাজৰ আঞ্চলিক সহযোগিতা সংস্থা, NATO অর্থাৎ উত্তৰ আটলাণ্টিক চুক্তিসংস্থা, ৰাষ্ট্রসংঘ (United Nations) ইত্যাদিকো আন্তর্জাতিক ৰাজনীতিৰ ভিতৰত সামৰি লোৱা হয়। মানৱ অধিকাৰ সম্পর্কীয় সংস্থাসমূহ, বিজ্ঞানীসকলৰ সংস্থাসমূহ ইত্যাদি আন্তর্জাতিক সংস্থাসমূহ যদি আমি আন্তর্জাতিক ৰাজনীতিৰ ভিতৰত সুমুৱাই নলওঁ তেন্তে আন্তর্জাতিক ৰাজনীতি অসম্পূর্ণ হৈ ৰ'ব। বস্তুতঃ আন্তর্জাতিক ৰাজনীতি, আন্তর্জাতিক সম্বন্ধৰ অ-ৰাজনৈতিক দিশসমূহ যেনে অর্থনৈতিক, সামৰিক, সামাজিক ইত্যাদিৰ ওপৰতহে বেছি নির্ভৰশীল। ফলত আন্তর্জাতিক ৰাজনীতিৰ বৈজ্ঞানিক নামকৰণৰ ক্ষেত্রত এক সমস্যাপূর্ণ পৰিস্থিতিৰ সৃষ্টি হয়। বহুতো ৰাজনীতি বিজ্ঞানীয়ে 'আন্তর্জাতিক ৰাজনীতি' আৰু 'আন্তর্জাতিক সম্বন্ধ' এই দুটা শব্দ ইটোৰ ঠাইত সিটো ব্যৱহাৰ কৰে, অর্থাৎ সালসলনি কৰি ব্যৱহাৰ কৰে। এই সকলোবোৰ কথা বিশ্লেষণ কৰি ডেভিদ ভি এডৱার্ডে (David V. Edwards) এটা সম্যক সংজ্ঞা আগবঢ়াইছে। তেওঁৰ মতে 'আন্তর্জাতিক ৰাজনীতি এনে উপাদানেৰে গঠিত— য'ত গোটসমূহ বা কর্মকর্তা (actors)সকলে যিবোৰ সাধাৰণতে ৰাষ্ট্র বা কেবাখনো ৰাষ্ট্রৰ সমষ্টি হয়— ক্ষমতা, সম্পদ, পদমর্যাদা আৰু অন্যান্য বিষয়লৈ মতবিৰোধ দাঙি ধৰে আৰু এই মতবিৰোধসমূহ দূৰ কৰিবলৈ প্রাপ্ত আৰু গ্রহণযোগ্য ব্যৱস্থা গ্রহণ কৰে। আন্তর্জাতিক ৰাজনীতিৰ



হেনছ জোৰাকহিম্ মৰগেনথিউ (ফেব্রুৱাৰী ১৭, ১৯০৪-জুলাই ১৯, ১৯৮০) ঃ প্রখ্যাত আমেৰিকান ৰাজনৈতিক বিজ্ঞানী আৰু আন্তর্জাতিক ৰাজনীতিৰ এজন অগ্রণী ব্যক্তি।

কুইনচি ৰাইট (ডিচেম্বৰ ২৮, ১৮৯০-অক্টোবৰ ১৭, ১৯৭০) ঃ তেওঁ এজন প্রখ্যাত আমেৰিকান ৰাজনৈতিক বিজ্ঞানী। তেওঁ আন্তর্জাতিক আইন আৰু আন্তর্জাতিক সম্বন্ধৰ ক্ষেত্রত বাটকটীয়া স্বৰূপ।

ধাৰণাটো আমি ওপৰত সাধাৰণতে দাঙি ধৰিলো। এতিয়া আমি আন্তর্জাতিক ৰাজনীতিৰ মূল শিপা সম্পর্কীয় বিষয়টো বিশ্লেষণ কৰি চাওঁ ঃ

আন্তর্জাতিক ৰাজনীতি সম্পর্কীয় ধাৰণাটো সম্যকভাৱে অনুধাৱন কৰিবৰ বাবে 'ৰাজনীতি' কি— সেই ধাৰণাটো আলোচনা কৰি চোৱা প্রয়োজন। আন্তর্জাতিকেই হওক অথবা দেশীয় ৰাজনীতিয়েই হওক— ৰাজনীতি কথাটো উৎপত্তি হোৱাৰ মূল কাৰণটো হৈছে যে মানুহৰ কিছুমান প্রয়োজনীয়তা, প্রয়োজন আৰু অভাৱ আছে। এই প্রয়োজনীয়তাসমূহ দূৰীকৰণৰ বাবে চলোৱা প্রচেষ্টাৰ ফলত মানুহ পৰস্পৰ পৰস্পৰৰ সংস্পর্শত আহে। এই সংস্পর্শই কিছুমান গোট সৃষ্টি কৰে। কিন্তু যিহেতু সকলো মানুহৰে স্বার্থ বা আগ্রহ একে নহয়, সেই কাৰণে, সংঘাত অৱশ্যম্ভৱী হৈ পৰে। যাহক এই গোটসমূহ এনে কার্যত লিপ্ত হয় আৰু এনে কিছুমান নীতি গ্রহণ কৰে যাৰ দ্বাৰা এই গোটসমূহৰ সদস্যসমূহৰ চাহিদা পূৰণ হয়। নিজা নিজা গোটসমূহৰ স্বার্থ সর্বাধিক স্তৰলৈ নিবৰ বাবে বিভিন্ন গোটৰ মাজত যি পাৰস্পৰিক কার্যাৱলী সংঘটিত হয় তাকে ৰাজনীতি বোলা হয়। এইদৰে চালে দেখা যায় যে 'ৰাজনীতি' ধাৰণাটোৰ তিনিটা মৌলিক উপাদান আছে— ১। স্বার্থ, ২। সংঘাত আৰু ৩। ক্ষমতা।

কুইন্সি ৰাইটে (Quincy Wright)ও সেই মতেই প্রকাশ কৰিছে। তেওঁ কৈছে, 'ৰাজনীতি হ'ল প্রভাৱ বিস্তাৰ কৰা, দক্ষতাৰে পৰিচালনা কৰা অথবা মুখ্য গোটসমূহক নিয়ন্ত্রণ কৰাৰ এক কলা বা কৌশল, যাতে কোনো গোটৰ স্বার্থ অন্য গোটৰ বিৰোধিতা সত্ত্বেও আগুৱাই নিব পাৰি।

বিভিন্ন ৰাষ্ট্রৰ মাজৰ ৰাজনীতিয়েই হ'ল আন্তঃৰাষ্ট্রীয় ৰাজনীতি। আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ ক্ষেত্রত গোটসমূহৰ প্রতিনিধিত্ব কৰে ৰাষ্ট্রসমূহে আৰু ৰাষ্ট্রসমূহৰ প্রয়োজনীয়তা আৰু স্বার্থসমূহক জাতীয় স্বার্থ বোলা হ'ল। বিভিন্ন দেশৰ মাজৰ মতভেদক সংঘাত বোলা হয়। কিন্তু ক্ষমতা সম্পর্কীয় যি উপাদান, সি কিন্তু একেই থাকে। ৰাষ্ট্রসমূহে নিজৰ জাতীয় স্বার্থ পূৰণৰ বাবে ক্ষমতাৰ ব্যৱহাৰ কৰে। এতিয়া সমূহ মতামত আৰু আলোচনা জুকিয়াই লৈ আমি এইদৰে ক'ব পাৰো যে আন্তর্জাতিক ৰাজনীতি হ'ল এনে এটা প্রক্রিয়া য'ত বিভিন্ন ৰাষ্ট্রৰ মাজৰ সম্বন্ধ এখন বা কেইখনমান দেশৰ স্বার্থৰ খাতিৰত ক্ষমতাৰ যোগেদি, খাপখুৱাই ল'ব পাৰি। এইদৰে চালে আমি আৰু দেখিবলৈ পাওঁ যে আন্তর্জাতিক ৰাজনীতিৰ তিনিটা মূল উপাদান হ'ল— জাতীয় স্বার্থ, সংঘাত আৰু ক্ষমতা।

১.৩.১ আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধ

আমি ওপৰত আন্তর্জাতিক ৰাজনীতি সম্পর্কীয় ধাৰণাটো সম্পর্কে বিশদভাৱে আলোচনা কৰিছো। কিন্তু এইক্ষেত্রত এক সমস্যাই দেখা দিয়ে ঃ এই ধাৰণাটোক আমি 'আন্তর্জাতিক ৰাজনীতি' বুলিম নে 'আন্তর্জাতিক সম্বন্ধ' বুলিম। বস্তুতঃ এই দুটা ধাৰণাক প্রায়ে এটা অর্থতে ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰি ভালেসংখ্যক লিখকে এই শব্দ দুটাৰ মাজত কোনোধৰণৰ বিভাজন ৰেখা টানিব নোখোজে। মৰগেনথিউ (Morgenthau) আৰু কেনেথ টমছন (Kenneth Thompson)ৰ দৰে প্রখ্যাত লিখকেও এই দুয়োটা শব্দ সলনাসলনিকৈ লিখে। তেওঁলোকে আন্তর্জাতিক ৰাজনীতি - আন্তর্জাতিক সম্বন্ধৰ

এটা অবিচ্ছেদ্য অংগ বুলি ভাবে। কিন্তু পালমাৰ আৰু পাৰকিনছ (Palmer and Perkins), শ্লেইছাৰ (Schleicher), ৱল্‌ফ (Wolfe) আদি প্রখ্যাত লিখকসকলে এইক্ষেত্রত 'আন্তর্জাতিক ৰাজনীতি' —এই শব্দটো ব্যৱহাৰ কৰিবলৈহে বেছি ভাল পায়।

কিন্তু আমি এই কথা আঙুলিয়াই দিব পাৰো যে 'আন্তর্জাতিক সম্বন্ধ' শব্দটোৰ 'আন্তর্জাতিক ৰাজনীতি' বোলা শব্দটোতকৈ এটা বহল গূঢ় অর্থ আছে। ইয়াৰ কাৰণ হ'ল 'আন্তর্জাতিক সম্বন্ধ' বোলা শব্দটোৱে পৃথিৱীৰ সকলোবোৰ মানুহ, বিভিন্ন গোট আদিৰ সকলোধৰণৰ সম্বন্ধ, যেনে— ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, আইনগত ইত্যাদি সামৰি লয়। এই সম্বন্ধ চৰকাৰী পর্যায়তো হ'ব পাৰে আৰু বে-চৰকাৰী পর্যায়তো হ'ব পাৰে। অন্যহাতেদি 'আন্তর্জাতিক ৰাজনীতি' শব্দটোৱে আন্তর্জাতিক সমাজৰ ৰাজনীতিৰ কথা কয় আৰু ইয়াৰ পৰিসৰ নিচেই সংকীর্ণ। মূল কথা হ'ল এয়েই যে আন্তর্জাতিক ৰাজনীতি মূলতঃ কূটনীতি, বৈদেশিক নীতি আৰু ৰাষ্ট্রৰ মাজৰ সম্বন্ধৰ মাজতে আবদ্ধ থাকে। এই দিশৰ পৰা চাবলৈ গ'লে আন্তর্জাতিক সম্বন্ধ এটা অধিক বহুল ধাৰণা। ই বিভিন্ন ৰাষ্ট্র, গোট আৰু বিভিন্ন দেশৰ জনগণৰ মাজৰ সকলোধৰণৰ সম্বন্ধ, চৰকাৰী অথবা বে-চৰকাৰী, সামৰি লয়। অন্যহাতেদি আন্তর্জাতিক ৰাজনীতিয়ে কেৱল ৰাষ্ট্রৰ স্বার্থ আৰু সংঘাতৰ কথাহে মূলতঃ বুজায়।

এইখিনিতে এই কথাও আঙুলিয়াই দিব পাৰি যে বিধিতত্ত্ব বা ব্যৱস্থাবিধিৰ (methodology) ক্ষেত্রতো আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধৰ মাজত পার্থক্য আছে। আন্তর্জাতিক সম্বন্ধ মূলতঃ বর্ণনামূলক; অন্যহাতেদি আন্তর্জাতিক ৰাজনীতি সম্পূর্ণভাৱে বিশ্লেষণাত্মক। এইদৰে চাবলৈ গ'লে আমি ক'ব পাৰো যে আন্তর্জাতিক সম্বন্ধই আন্তর্জাতিক ৰাজনীতিৰ আধাৰ হিচাপে কাম কৰে। স্বভাৱতে আন্তর্জাতিক সম্বন্ধৰ পৰিসৰ অধিক ব্যাপক। অৱশ্যে দুয়োৰে মাজত নিকট সম্বন্ধ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আন্তর্জাতিক ৰাজনীতিৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত তিনিটা গুৰুত্বপূর্ণ উপাদান হ'ল— জাতীয় স্বার্থ, সংঘাত আৰু .....। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন নং ৩ ঃ আন্তর্জাতিক ৰাজনীতিয়ে বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজৰ সম্বন্ধকহে সামৰি লয়। অ-ৰাষ্ট্রীয় (non-State) সংস্থাসমূহ ইয়াৰ অন্তর্ভুক্ত নহয়। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৪ ঃ আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধৰ মাজৰ বিভেদ ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

.....

১.৪ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ

এই কথা সত্য যে অতি প্রাচীন কালতো কিছুমান দেশৰ মাজত সম্বন্ধ আছিল। উদাহৰণস্বৰূপে ১৪শ শতিকাতেই ইজিপ্তে দাঁতিকাষৰীয়া দেশসমূহৰ লগত একপ্রকাৰৰ সম্বন্ধ স্থাপন কৰিছিল। আনকি ভাৰত-চীন দেশৰ মাজতো একপ্রকাৰৰ সম্বন্ধ গঢ়ি উঠিছিল। চীনদেশৰ দার্শনিক কেইগৰাকীমান লিখনিৰ পৰা এই কথা প্রমাণিত হয়। অৱশ্যে আন্তর্জাতিক ক্ষেত্রত এনে কোনো সম্বন্ধ গঢ়ি উঠা নাছিল। কিন্তু সময় যোৱাৰ লগে লগে আৰু বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নয়নৰ লগে লগে পৃথিৱীৰ বিভিন্ন দেশৰ সম্বন্ধৰ ক্ষেত্রত মৌলিক পৰিৱর্তন পৰিলক্ষিত হ'বলৈ ধৰিলে। আমি এই পৰিৱর্তনসমূহ সম্যকভাৱে অনুধাৱন কৰিব পাৰিম যদিহে আমি আন্তর্জাতিক ৰাজনীতি বিষয়টোৰ ক্রমবিকাশ বিশ্লেষণ কৰি চাওঁ।

আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ মৃদু গতিত সংঘটিত হৈছে। কেনেথ টমছনে (Kenneth Thompson) আঙুলিয়াই দিছে যে আন্তর্জাতিক ৰাজনীতিৰ বিকাশৰ চাৰিটা পর্যায় আছে। সেইকেইটা হ'ল—

১) কূটনৈতিক ইতিহাস পর্যায়
২) চলিত ঘটনাৱলী পর্যায়
৩) আইন আৰু সংগঠন পর্যায়
৪) সমসাময়িক পর্যায়

১) প্রথম পর্যায় ঃ কূটনৈতিক ইতিহাস পর্যায়

শিক্ষা সম্পর্কীয় বিজ্ঞান হিচাপে আন্তর্জাতিক ৰাজনীতিৰ উৎস বিচাৰ কৰিলে আমি দেখিবলৈ পাওঁ যে বিংশ শতিকাৰ আৰম্ভণিতেই কেইগৰাকীমান পণ্ডিতে এই কথাযাৰ পৰীক্ষা-

নিৰীক্ষা কৰি চাইছিল যে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্রৰ কিছুমানে কিয় এনেধৰণে ব্যৱহাৰ কৰে— যাৰ ফলত যুদ্ধ অৱশ্যম্ভৱী হৈ পৰে আৰু এই যুদ্ধ কিদৰে প্রতিৰোধ কৰিব পাৰি। এইদৰে চালে দেখা যায় যে প্রথম পর্যায়টো প্রথম বিশ্বযুদ্ধৰ অন্তলৈকে চলিছিল (১৯১৪-১৯১৮)। এই পর্যায়টোত কূটনীতি-ইতিহাসবিদসকলে প্রতিপত্তি বিস্তাৰ কৰিছিল। তেওঁলোকে আন্তর্জাতিক ৰাজনীতিক বর্ণনামূলক আৰু কালানুক্রমীয় ৰূপত দাঙি ধৰিছিল। তেওঁলোকে কিদৰে বেলেগ বেলেগ ঘটনা বা পৰিস্থিতিয়ে কোনো এক ৰাষ্ট্রক, কোনো এক প্রকাৰে, আন্তর্জাতিক মঞ্চত ব্যৱহাৰ কৰিবলৈ বাধ্য কৰায়— তাৰ বিশ্লেষণ দাঙি ধৰা নাছিল। এইসকল পণ্ডিতে সাধাৰণতে সাম্প্রতিক ঘটনাৱলীক বিশ্লেষণ কৰাৰ পৰা বিৰত আছিল। এওঁলোকে সার্বজনীন নীতিত উপনীত হোৱাৰ পৰাও বিৰত আছিল। এইদৰে চালে আমি দেখিবলৈ পাওঁ যে তেওঁলোকে কেৱল বিভিন্ন সংঘটিত ঘটনা জনাতহে সাহায্য কৰিছিল। সাম্প্রতিক অথবা ভৱিষ্যতৰ আন্তর্জাতিক সম্বন্ধ সম্পর্কে অৱগত হোৱাৰ কোনো উপায় তেওঁলোকে আগবঢ়োৱা নাছিল।

এইখিনিতেই উনুকিয়াই দিব পাৰি যে ১৯১৯ চনতেই ৱেলছ বিশ্ববিদ্যালয় (Wales University)ত প্রথমবাৰৰ বাবে আন্তর্জাতিক ৰাজনীতিৰ বাবে এক পদবী (Chair) স্থাপন কৰা হৈছিল। ইয়াক **উদ্র উইলছন** পদবী (Woodrow Wilson Chair) নামে জনা যায়। এই পদবী স্থাপনে এই কথাই প্রমাণ কৰে যে আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ প্রতি বিদ্বান মণ্ডলীৰ স্পৃহা বৃদ্ধি হৈছে আৰু ইয়াক এক স্বকীয় বিষয় হিচাপে গ্রহণ কৰিব লাগে। ভালেমান বিখ্যাত পণ্ডিত, যেনে— আলফ্রেড জিমাৰ্ণ (Alfred Zimmern) আৰু ই এইচ কাৰ (E. H. Carr)এ এই পদবী অলংকৃত কৰিছিল।



উদ্র উইলছন ঃ তেওঁ আমেৰিকা যুক্তৰাষ্ট্রৰ ২৮তম ৰাষ্ট্রপতি আছিল।

২) দ্বিতীয় পর্যায় ঃ চলিত ঘটনাৱলী পর্যায়

আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ দ্বিতীয় পর্যায় আৰম্ভ হয় প্রথম বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পিছৰ পৰা। এই পর্যায়ত পণ্ডিতসকলে সাম্প্রতিক ঘটনাৱলী অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকে সাম্প্রতিক ঘটনাৱলী আৰু সমস্যাসমূহৰ তাৎপর্য বিশ্লেষণ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। কিন্তু উল্লেখনীয়ভাৱে পণ্ডিতসকলে বর্তমান অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল যদিও অতীত অধ্যয়নৰ ওপৰত কোনো গুৰুত্বই আৰোপ কৰা নাছিল। তেওঁলোকে এই বিষয় অধ্যয়নৰ ব্যৱস্থাবিধিৰ (methodology) ওপৰতো কোনো গুৰুত্ব আৰোপ কৰা নাছিল। ভৱিষ্যতৰ আন্তর্জাতিক সম্বন্ধৰ ওপৰতো তেওঁলোকে কোনো গুৰুত্ব আৰোপ কৰা নাছিল। চমুকৈ ক'বলৈ হ'লে, পণ্ডিতসকলে সাম্প্রতিক ঘটনাৱলী অধ্যয়নৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল আৰু ঐতিহাসিক দিশটো সম্পূর্ণ উপেক্ষা কৰিছিল।

৩) তৃতীয় পর্যায় ঃ আইন আৰু সংগঠন বা সংস্থা সম্পর্কীয় পর্যায়

দ্বিতীয় পর্যায়ৰ প্রায় সমান্তৰালভাৱেই তৃতীয় পর্যায়ো আৰম্ভ হৈছিল। দ্বিতীয় আৰু তৃতীয় দুয়োটা পর্যায়েই প্রথম বিশ্বযুদ্ধৰ পিছত আৰম্ভ হৈছিল আৰু দুয়োটা পর্যায়েই দুয়োখন বিশ্বযুদ্ধৰ মাজৰ সময়খিনিত প্রাধান্য লাভ কৰিছিল আৰু বস্তুতঃ ইয়াৰ পিছলৈকো চলি আছিল।

তৃতীয় পর্যায়ত গ্রহণ কৰা দৃষ্টিভঙ্গীয়ে (approach) আন্তর্জাতিক ৰাজনীতিক আইন আৰু আন্তর্জাতিক সংগঠনৰ যোগেদি স্থায়িত্ব প্রদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আন্তর্জাতিক সমাজ কোনদিশে অগ্রসৰ হোৱা উচিত সেই সম্পর্কীয় লক্ষ্য আৰু মূল্যবোধসমূহ বিচাৰি উলিওৱাতো গুৰুত্ব আৰোপ কৰা হৈছিল। এটা কথাত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছিল যে এখন শান্তিপূর্ণ পৃথিৱী কেৱল আইন আৰু আন্তর্জাতিক সংগঠন স্থাপন কৰাৰ জৰিয়তেহে লাভ কৰিব পৰা যাব। আইন আৰু আন্তর্জাতিক সংগঠন সম্পর্কীয় ইমান সংকীর্ণ ক্রিয়া-কলাপৰ কেন্দ্রৰ ফলত আন্তর্জাতিক ৰাজনীতি আদর্শবাদী বা ভাৱবিলাসী হৈ পৰিল। এই দৃষ্টিভঙ্গীয়ে (approach) আন্তর্জাতিক জীৱনৰ কঠিন বাস্তৱৰ কথাটো সম্পূর্ণভাৱে উপেক্ষা কৰিলে।

৪) চতুর্থ পর্যায় ঃ সমসাময়িক পর্যায়

বিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই আন্তর্জাতিক পৰিস্থিতিৰ অৱনতি ঘটিবলৈ ধৰিলে। অৱশেষত গৈ দ্বিতীয় মহাযুদ্ধৰ সূচনা হ'ল। এনে পৰিস্থিতিৰ ফলত দুই বিশ্বযুদ্ধৰ মাজৰ আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত যি দৃষ্টিভঙ্গীৰ (approach)ৰ সৃষ্টি হৈছিল— তাৰ বিৰুদ্ধে প্রৱল প্রত্যাহ্বানৰ সৃষ্টি হ'ল। ফলত আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত এক নতুন দৃষ্টিভঙ্গীৰ (approach) প্রয়োজন হৈ পৰিল। এই কাৰণেই দ্বিতীয় বিশ্বযুদ্ধৰ অন্তৰ পিছত এক নতুন মনোভাৱে গা কৰি উঠিল। এইদৰেই চতুর্থ পর্যায় অর্থাৎ সমসাময়িক পর্যায়ৰ সৃষ্টি হ'ল। পণ্ডিতসকলে শান্তিপূর্ণ বিশ্ব সম্পর্কীয় অলীক কল্পনাৰ ধাৰণাটো নাকচ কৰিলে আৰু পৃথিৱীৰ ৰাজনীতিৰ বাস্তৱ বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে যি শক্তি আৰু প্রভাৱে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্রৰ ব্যৱহাৰক গঢ় দিয়ে তেনে উপাদানসমূহ বিশ্লেষণ কৰি চাবলৈ ধৰিলে। এই পর্যায়ত পণ্ডিতসকলে চাৰিটা মূল উপাদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে—

ক) সকলো দেশৰে বৈদেশিক নীতি প্রণোদিত কৰাৰ কাৰকসমূহ।

খ) বৈদেশিক নীতি কার্যকৰী কৰাৰ কৌশলসমূহ।

গ) আন্তর্জাতিক সংঘাত নিৰাময় কৰাৰ ব্যৱস্থাসমূহ।

ঘ) আর্থ-সামাজিক ন্যায়ৰ ভিত্তিত এক আন্তর্জাতিক ব্যৱস্থা সৃষ্টি কৰা।

এই পণ্ডিতসকলে ৰাষ্ট্রসংঘৰ (United Nations) অধ্যয়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অৱশ্যে ৰাষ্ট্রসংঘৰ উদ্দেশ্য আৰু কার্যাৱলী সম্প্রতি ৰাজনৈতিক পৰিপ্রেক্ষিতত অধ্যয়ন কৰা হয়— সাংবিধানিক পৰিপ্রেক্ষিতত নহয়। সম্প্রতি পৃথিৱীৰ সন্মুখত দেখা দিয়া বিষয়সমূহ প্রশংসা বা তিৰস্কাৰ কৰা মনোভাৱেৰে অধ্যয়ন কৰা নহয়। এইবোৰ অধ্যয়ন কৰা হয় এইবোৰক সম্যকভাৱে জনাৰ উদ্দেশ্যেৰেহে। পৃথিৱীৰ জনগণে অথবা পৃথিৱীৰ বিভিন্ন ৰাষ্ট্রই প্রকৃততে কি বিচাৰে আৰু এই ৰাষ্ট্রবোৰৰ মাজত কিয় সংঘাত হয়— পণ্ডিতসকলে সেই কথাটো বিচাৰি উলিয়াবলৈ প্রচেষ্টা চলালে। এইদৰেই আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ এটা নতুন পর্যায় আৰম্ভ হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ ক্ষেত্রত থকা চাৰিটা পর্যায় উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ ক্ষেত্রত থকা 'চলিত ঘটনাৱলী' পর্যায়টো সম্বন্ধে আলোচনা কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৭ ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ ক্ষেত্রত থকা চতুর্থ পর্যায় অর্থাৎ 'সম-সাময়িক ঘটনাৱলী' পর্যায়টোৰ চাৰিটা গুৰুত্বপূর্ণ দৃষ্টিভংগী উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....

.....

১.৫ আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি

ভালেকেইগৰাকীমান লিখকে ভালেমান বছৰ ধৰি আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে সম্যকভাৱে আলোচনা কৰিছে। অৱশ্যে এই কথাও এইখিনিতে আঙুলিয়াই দিয়া ভাল হ'ব যে, আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে তেওঁলোকৰ মাজত স্পষ্ট মতবিভেদ আছে। উদাহৰণস্বৰূপে— চার্লছ শ্লেইচাৰ (Charles Schleicher)এ আন্তর্জাতিক ৰাজনীতিৰ ভিতৰত সকলো-ধৰণৰ আন্তঃৰাষ্ট্রীয় সম্বন্ধ সামৰি লয়। অন্যহাতেদি, পালমাৰ আৰু পাৰকিন্‌চে (Palmer

and Perkins)এ এই মত পোষণ কৰে যে আন্তর্জাতিক ৰাজনীতি মূলতঃ ৰাষ্ট্র সম্পর্কীয় কার্যব্যৱস্থাৰ লগতহে জড়িত। হেনছ জে মৰগেনথিউ (Hans J. Morgenthau)ৰ মতে আন্তর্জাতিক ৰাজনীতি হ'ল ক্ষমতা লাভৰ বাবে বিভিন্ন দেশে চলোৱা আপ্রাণ প্রচেষ্টা। এইদৰে চালে দেখিবলৈ পোৱা যায় যে আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতিৰ অধ্যয়নৰ ক্ষেত্রত বিস্তীর্ণ আৰু সংকীর্ণ দুয়োটাধৰণৰ ধাৰণা সন্নিৱিষ্ট কৰা হয়। ইয়াৰ ভিতৰত বর্ণনা আৰু বিশ্লেষণ দুয়োটাই থাকে। এতিয়া, আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে এক সম্যক জ্ঞান লাভ কৰিবলৈ হ'লে আমি ছটা কাৰক (variables)ৰ বিষয়ে বহলাই আলোচনা কৰিব পাৰো।

- **আন্তর্জাতিক ৰাজনীতিৰ মূল নায়ক হ'ল ৰাষ্ট্র ঃ** আন্তর্জাতিক ৰাজনীতিৰ প্রক্রিয়াটো সাধিত হয় বিভিন্ন ৰাষ্ট্রৰ মাজৰ পাৰস্পৰিক কার্যাৱলী আৰু সম্বন্ধৰ যোগেদি। সেই কাৰণে ৰাষ্ট্রসমূহক মুখ্য নায়ক হিচাপে বিবেচনা কৰা হয়। যদিও এই বিশ্বত আমি উপ-জাতীয়, আন্তর্জাতীয় আৰু অধিৰাষ্ট্রীয় (Supranational) গোট দেখিবলৈ পাওঁ, তথাপি আমি দেখিবলৈ পাওঁ যে কেৱল জাতীয় ৰাষ্ট্রইহে সকলোবোৰ শাস্তিদানৰ আহিলা নিয়ন্ত্রণ কৰে। প্রকৃতার্থত জাতীয় ৰাষ্ট্রইহে (Nation-State) আন্তর্জাতিক ৰাজনীতিত যুদ্ধ বা শান্তি প্রতিষ্ঠা কৰে।
- **জাতীয় স্বার্থই হ'ল আন্তর্জাতিক ৰাজনীতিৰ মূল লক্ষ্য ঃ** আন্তর্জাতিক ৰাজনীতি, মূলতঃ অন্য ৰাষ্ট্রৰ ওপৰত নিয়ন্ত্রণ সাব্যস্ত কৰা কলা-কৌশলৰ লগত জড়িত। এই কলা-কৌশলৰ মূল লক্ষ্য হ'ল জাতীয় স্বার্থ সুৰক্ষিত কৰা। আন্তর্জাতিক ৰাজনীতি এনে এটা প্রক্রিয়া যাৰ যোগেদি প্রত্যেক ৰাষ্ট্রই নিজৰ স্বার্থৰ ৰক্ষণাবেক্ষণ দিয়ে বা নিজৰ স্বার্থ আগুৰাই নিয়াত সহায়তা কৰে। ই এটা গতিশীল প্রক্রিয়া। ফলস্বৰূপে, বিভিন্ন ৰাষ্ট্রই পৰস্পৰে পৰস্পৰৰ লগত তেওঁলোকৰ সম্বন্ধৰ সমন্বয় ঘটাবৰ বাবে অহৰহ চেষ্টা কৰে।
- **সংঘাত আৰু সহযোগিতা হ'ল আন্তর্জাতিক ৰাজনীতিৰ দুটা মুখ্য চর্ত ঃ** এই কথা সচৰাচৰ দেখা যায় যে বিশ্বৰ ৰাষ্ট্রসমূহৰ স্বার্থসমূহ সম্পূর্ণভাৱে সুমিশ্রণীয় (compatible) বা সম্পূর্ণভাৱে সংগতিহীন (incompatible) নহয়। সংগতিহীনতাৰ ফলত সংঘাত আৰু কাজিয়াৰ সৃষ্টি হয়। অন্যহাতেদি, বিভিন্ন ৰাষ্ট্রৰ স্বার্থৰ সামঞ্জস্য আনিবৰ বাবে কৰা প্রচেষ্টাকে সহযোগিতা বোলা হয়। এইদৰে চালে আমি দেখিবলৈ পাওঁ যে সংঘাত আৰু সহযোগিতা, অৱপীড়ন (coercion) আৰু প্রোৎসাহ (persuasion) এই সকলোবোৰ কথা আন্তর্জাতিক ৰাজনীতিত বিদ্যমান।
- **ক্ষমতা আন্তর্জাতিক ৰাজনীতিৰ লক্ষ্য আৰু সাধনোপায়** (means) **ঃ** এই বিশ্বত সংঘাতৰ বাতাবৰণ সকলো সময়তে থাকে বা আছে। সেই কাৰণে ৰাষ্ট্রসমূহে জাতীয় স্বার্থ সুৰক্ষা কৰিবৰ বাবে অহৰহ প্রচেষ্টা চলায়। এই লক্ষ্যত উপনীত হোৱাৰ উপায় হ'ল ক্ষমতা আহৰণ। এই কাৰণেই এই বিশ্বৰ সকলোবোৰ ৰাষ্ট্রই ক্ষমতা আহৰণ, ৰক্ষণাবেক্ষণ আৰু বৃদ্ধিকৰণৰ বাবে অনর্গল প্রচেষ্টা চলাই থাকে। এইদৰে, এই কথা স্পষ্টভাৱে দেখিবলৈ পোৱা যায় যে আন্তর্জাতিক ৰাজনীতিত ক্ষমতা হ'ল— লক্ষ্য আৰু একে সময়তে সাধনোপায় (means)।

- **আন্তর্জাতিক ৰাজনীতি হ'ল বিভিন্ন ৰাষ্ট্রৰ মাজৰ সংঘাত নিৰাময় কৰা এটা প্রক্রিয়া ঃ** ওপৰত কোৱা হৈছেই যে সংঘাত হ'ল আন্তর্জাতিক ৰাজনীতিৰ সর্ববিৰাজমান আৰু সর্ববিৰাজমান এক সত্য। স্বার্থৰ সংঘাত হ'লেই ৰাষ্ট্রসমূহৰ মাজত বিবাদে দেখা দিয়ে। এটা কথা এইখিনিতে আঙুলিয়াই দিব পাৰি যে— সংঘাত থকা কাৰণেই একেধৰণৰ স্বার্থ থকা ৰাষ্ট্রসমূহে ইখনে সিখনৰ লগত সহযোগিতা কৰিবলৈ সন্মত হয়। ভৱিষ্যতৰ যুদ্ধ প্রতিৰোধ কৰাব বাবেও ৰাষ্ট্রসমূহে ইখনে সিখনৰ লগত সহযোগিতা কৰে। এইদৰে আমি দেখিবলৈ পাওঁ যে আন্তর্জাতিক ৰাজনীতিত সংঘাত প্রতিৰোধ কৰিবৰ বাবে আন্তর্জাতিক পর্যায়ত সদায়ে প্রচেষ্টা চলোৱা হয়।
- **আন্তর্জাতিক ৰাজনীতি এনে এটা পদ্ধতি য'ত বিভিন্ন ৰাষ্ট্রৰ মাজত অনর্গল পাৰস্পৰিক ক্রিয়া চলি থাকে ঃ** এই কথা অতি স্পষ্ট যে বিভিন্ন দেশৰ জাতীয় স্বার্থৰ মাজত সংঘাত হ'বই। আন্তর্জাতিক সমাজৰ পৰা সংঘাত কেতিয়াও সম্পূর্ণৰূপে নির্মূল কৰিব নোৱাৰি। ফলত, বিভিন্ন ৰাষ্ট্রই তেওঁলোকৰ মাজৰ সম্বন্ধ মিলাই-জোলাই লোৱাটো অৱশ্যম্ভাৱী হৈ পৰে। এই কাৰণেই আন্তর্জাতিক ৰাজনীতি এটা আৱহমান প্রক্রিয়া।

এইদৰে বিশ্লেষণ কৰি চালে আমি দেখিবলৈ পাওঁ যে আন্তর্জাতিক ৰাজনীতিয়ে আন্তর্জাতিক স্তৰত সংঘটিত হোৱা বিভিন্ন ৰাষ্ট্রৰ ব্যৱহাৰ আৰু সকলোবোৰ সম্বন্ধ আৰু ক্রিয়া-প্রতিক্রিয়া সামৰি লয়।

জানি থোৱা ভাল



আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত তিনিটা উপাদান অতি প্রয়োজনীয়— জাতীয় স্বার্থ, সংঘাত আৰু ক্ষমতা। প্রথম উপাদানটো হ'ল— লক্ষ্য, দ্বিতীয় উপাদানটো হ'ল— চর্ত আৰু তৃতীয় উপাদানটো হ'ল— আন্তর্জাতিক ৰাজনীতিৰ সাধনোপায় (means)। প্রত্যেক ৰাষ্ট্রই নিজৰ জাতীয় স্বার্থ পূৰণৰ বাবে প্রচেষ্টা চলায়। কোনো কোনো সময়ত দেখা যায় যে ভালেমান ৰাষ্ট্রৰ জাতীয় স্বার্থ একেই। এইদৰে চালে দেখা যায় যে আন্তর্জাতিক ৰাজনীতিত সংঘাত আৰু সহযোগিতা নিহিত হৈ আছে। গতিকে আমি ক'ব পাৰো যে আন্তর্জাতিক ৰাজনীতিয়ে সংঘাত আৰু সহযোগিতা নিয়ন্ত্রণ কৰে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৮ ঃ 'সংঘাত আৰু সহযোগিতা আন্তর্জাতিক ৰাজনীতিৰ দুটা চর্ত' চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ 'ক্ষমতা হ'ল আন্তর্জাতিক ৰাজনীতিৰ লক্ষ্য আৰু সাধনোপায় (means)' চমুকৈ ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ১০ ঃআন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি বর্ণনা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

১.৬ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ

আমি ইতিমধ্যেই কৈ আহিছো যে আন্তর্জাতিক ৰাজনীতি এটা প্ৰৱাহমান প্রক্রিয়া। গতিকে এই কথা অত্যন্ত স্বাভাৱিক যে আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ সদায়ে পৰিৱর্তন হৈ থাকিব আৰু সদায়েই প্রসাৰিত হৈ থাকিব। বস্তুতঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ সময় যোৱাৰ লগে লগে বিস্তৃত হৈ আহিছে। বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ ব্যৱহাৰৰ অধ্যয়নতেই, আন্তর্জাতিক ৰাজনীতি সীমিত হৈ থকা নাই। যি বাতাবৰণৰ ফলত ৰাষ্ট্রই যিদৰে ব্যৱহাৰ কৰে সেই কথাকো আন্তর্জাতিক ৰাজনীতিয়ে বিশ্লেষণ কৰি চায়। ইয়াৰ উপৰি আন্তঃৰাষ্ট্রীয় সংগঠন, সামৰিক সন্ধি, আঞ্চলিক সংগঠন আদিৰ কথাও আন্তর্জাতিক ৰাজনীতিয়ে বিচাৰ কৰি চায়। ইয়াৰ উপৰি বিশ্ব-শান্তি ব্যৱস্থা উন্নীতকৰণৰ বাবে প্রয়োজনীয় ব্যৱস্থাসমূহৰ বিষয়তো ই মনোনিৱেশ কৰে। এই সকলোবিলাকৰ উপৰি আন্তর্জাতিক ৰাজনীতি নিয়ন্ত্রিত কৰাৰ ক্ষেত্রতে ই বিশেষ ভূমিকা পালন কৰে।

এতিয়া আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ সম্পর্কে বিতংভাৱে আলোচনা কৰা যাওক।

সঁচা কথা ক'বলৈ হ'লে, আন্তর্জাতিক ৰাজনীতি তুলনামূলকভাৱে এটা নতুন বিষয়। ফলত ইয়াৰ পৰিসৰৰ এতিয়াও সুনির্দিষ্ট হোৱা নাই। বস্তুতঃ বিভিন্ন পণ্ডিতে ইয়াৰ পৰিসৰ সম্পর্কে বেলেগ বেলেগ পথ অৱলম্বন কৰিছে। মৰগেনথিউএ ইয়াক ক্ষমতাৰ বাবে, বিভিন্ন ৰাষ্ট্রৰ মাজৰ আপ্রাণ প্রয়াস বুলি বর্ণনা কৰিছে। ফেলিক্স গ্রছে (Feliks Gross)এ ইয়াক বৈদেশিক নীতিৰ অধ্যয়ন বুলি আখ্যা দিছে। স্প্রাউট আৰু স্প্রাউট (Sprout and Sprout)ৰ ভাষাত—

আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ হ'ল, 'বিভিন্ন ৰাষ্ট্রৰ মাজৰ সম্বন্ধৰ অধ্যয়ন আৰু বিভিন্ন ৰাষ্ট্রৰ মাজৰ সংঘাতৰ নিৰাময়কৰণৰ প্রক্রিয়া।'

গ্রেছন কার্ক (Grayson Kirk) এই কথা সদৰি কৰিছিল যে আন্তর্জাতিক ৰাজনীতিৰ পাঁচটা উপকৰণ আছে— যাক আমি আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ আধাৰ বুলি গণ্য কৰিব পাৰো ঃ

১) বিশ্বৰ ৰাষ্ট্রব্যৱস্থাৰ প্রকৃতি আৰু কার্যপ্রণালী
২) দেশৰ ক্ষমতাৰ ওপৰত প্রভাৱ পেলোৱা কাৰণসমূহ
৩) বৃহৎ শক্তিসমূহৰ আন্তর্জাতিক পদমর্যাদা আৰু তেওঁলোকৰ বৈদেশিক নীতি
৪) সাময়িক আন্তর্জাতিক ৰাজনীতিৰ ইতিহাস
৫) পৃথিৱীত এক সুস্থিৰ বিশ্বব্যৱস্থা গঢ়ি তোলা।

এই উপকৰণসমূহে আন্তর্জাতিক ৰাজনীতিৰ মৌলিক পৰিসৰ চিনাক্তকৰণত আমাক সাহায্য কৰে। এতিয়া আমি আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ আৰু ইয়াৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰিমহক—

- **ৰাষ্ট্রীয় ব্যৱস্থাৰ অধ্যয়ন ঃ** এখন দেশৰ ৰাজনীতি কিদৰে কার্যকৰী হয়, সেইক্ষেত্রত কিছুমান উপকৰণ আছে; যেনে— ভৌগোলিক অৱস্থান, প্রাকৃতিক সম্পদ, সামৰিক শক্তি, সামাজিক সুস্থিৰতা, দেশৰ নাগৰিকৰ মনোবল, নেতৃত্ব ইত্যাদি। বিভিন দেশৰ মাজৰ পাৰস্পৰিক সম্বন্ধ হ'ল এনেবোৰ উপাদানৰ পৰিণতি। আন্তর্জাতিক ৰাজনীতিয়ে এই সম্বন্ধসমূহ অধ্যয়ন কৰি চায়।
- **বৈদেশিক নীতি ঃ** আন্তর্জাতিক স্তৰত এখন দেশৰ ব্যৱহাৰ সদায়ে সেই দেশৰ বৈদেশিক নীতিৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্রিত হয়। বৈদেশিক নীতিৰ জৰিয়তে, এখন দেশে, নিজৰ ৰাষ্ট্রীয় স্বার্থৰ লক্ষ্যসমূহত উপনীত হ'বৰ বাবে, ৰাষ্ট্রীয় ক্ষমতা প্রয়োগ কৰে। সাম্প্রতিক কালৰ আন্তর্জাতিক ৰাজনীতি সম্যকভাৱে বুজিবলৈ হ'লে বিভিন্ন ৰাষ্ট্রৰ বৈদেশিক নীতি অধ্যয়ন কৰাটো একান্ত প্রয়োজনীয় কথা।
- **ব্যক্তি আৰু সমাজৰ আচৰণৰ অধ্যয়ন ঃ** আচৰণবাদৰ অভ্যুত্থানৰ লগে লগে, আন্তর্জাতিক স্তৰতো ইয়াৰ প্রভাৱ পৰিলক্ষিত হৈছে। বিভিন্ন ৰাষ্ট্রৰ নেতাসকলৰ আচৰণে আন্তর্জাতিক ৰাজনীতি গভীৰভাৱে প্রভাৱান্বিত কৰিছে।
- **পৰিৱর্তিত পৰিস্থিতিৰ অধ্যয়ন ঃ** ৰাষ্ট্রসংঘ স্থাপনৰ লগে লগে আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ বিস্তৃত হৈ পৰিল। ১৯৪৫ চনত, দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত ৰাষ্ট্রসংঘ স্থাপিত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, আন্তর্জাতিক দৃশ্যপটত আৰু ভালেমান ঘটনা ঘটিছিল ঃ শীতল যুদ্ধৰ সময়ত দুই বৃহৎ শক্তি, আমেৰিকা আৰু ছোভিয়েট ইউনিয়নৰ, মাজত গভীৰ মানসিক চাপৰ সৃষ্টি হৈছিল, গোষ্ঠীনিৰপেক্ষ আন্দোলন আৰম্ভ হৈছিল, আফ্রিকা আৰু এছিয়াৰ দেশসমূহে ৰাষ্ট্রসংঘত বিশেষ প্রাধান্য পাইছিল— এই সকলোবোৰ আন্তর্জাতিক ৰাজনীতিৰ অধ্যয়নৰ অংগ হৈ পৰিছিল। এইধৰণৰ বিকাশ আৰু পৰিবর্ধনে আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ বিস্তৃত কৰি তুলিলে।

- **ভালেমান আন্তর্জাতিক সংস্থাৰ উত্থান ঃ** প্রথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আন্তর্জাতিক দৃশ্যপটত ভালেমান আন্তর্জাতিক সংস্থাৰ উত্থান হ'ল। আন্তঃৰাষ্ট্রীয় স্বাস্থ্য সংস্থা (WHO), আন্তঃৰাষ্ট্রীয় মুদ্রানিধি (IMF), আন্তঃৰাষ্ট্রীয় শ্রমিক সংঘ (ILO), খাদ্য আৰু কৃষি সংগঠন (FAO), গেট (GATT), বিশ্ব বেংক (World Bank), ছার্ক (SAARC), নেটো (NATO), ইউৰোপীয় সংঘ (EU) ইত্যাদি। এই সংস্থাসমূহৰ উত্থানৰ বাবেও আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ বৃদ্ধি পালে।
- **আন্তর্জাতিক আইন (International Law) ঃ** আন্তর্জাতিক আইনে আন্তর্জাতিক ক্ষেত্রত এক নৈতিক শক্তি হিচাপে কাম কৰে। জাতীয় ক্ষমতা আৰু ৰাষ্ট্রৰ কার্যকলাপৰ ক্ষেত্রতো ই কিছু পৰিমাণে বাধা আৰোপ কৰিব পাৰে। ফলত, আন্তর্জাতিক আইনো আন্তর্জাতিক ৰাজনীতিৰ অধ্যয়নৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ দিশ।
- **কূটনীতি ঃ** আন্তর্জাতিক ৰাজনীতিৰ অধ্যয়ন আৰম্ভ হোৱাৰ আদিতে কূটনৈতিক ইতিহাস অধ্যয়নৰ ওপৰত বিশেষ মনোনিৱেশ কৰা হৈছিল। এইক্ষেত্রত আন্তর্জাতিক সম্বন্ধ বর্ণনামূলক আৰু কালানুক্রমীয় (Chronological) আছিল। কূটনীতি হ'ল বিভিন্ন দেশৰ মাজৰ সম্বন্ধৰ চৰকাৰী ব্যৱস্থা। ইয়াৰ জৰিয়তে দেশসমূহে নিজৰ জাতীয় স্বার্থ সংৰক্ষণ আৰু বৃদ্ধি কৰাৰ বাবে প্রচেষ্টা চলায়। সম্প্রতি আন্তর্জাতিক ৰাজনীতিত অন্যান্য ব্যৱস্থা গ্রহণ কৰা হৈছে যদিও কূটনীতিৰ গুৰুত্ব কমি যোৱা নাই।
- **ক্ষমতা ঃ** দ্বিতীয় মহাযুদ্ধৰ পিছত ক্ষমতাৰ অধ্যয়ন আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ কেন্দ্রবিন্দু আছিল। ক্ষমতা নামৰ ধাৰণাটো তাত্ত্বিক আৰু কার্যকৰী দুয়োটা ক্ষেত্রতে গুৰুত্বপূর্ণ। পৃথিৱীৰ মুখ্য ৰাষ্ট্রসমূহৰ নীতিৰ ক্ষেত্রত ক্ষমতাই এক মুখ্য ভূমিকা গ্রহণ কৰে। আন্তর্জাতিক ৰাজনীতিত আমি জাতীয় ক্ষমতা, ক্ষমতাৰ ভাৰসাম্য ইত্যাদি ইত্যাদি ভালেমান ধাৰণা অধ্যয়ন কৰো। আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ ভিতৰত এই সকলোবোৰ কথা অন্তর্ভুক্ত।
- **যুদ্ধ আৰু শান্তি ঃ** এই কথা গুৰুত্ব সহকাৰে ক'ব পাৰি যে যুদ্ধ আৰু শান্তিৰ ধাৰণাই আন্তর্জাতিক ৰাজনীতিৰ সকলো দিশকে সামৰি লৈছে। বিভিন্ন ৰাষ্ট্রৰ মাজৰ সংঘাতৰ ফলত যুদ্ধ সংঘটিত হ'ব পাৰে। যুদ্ধ আৰু শান্তি মানৱ জাতিৰ বাচি থকাৰ প্রশ্ন। সাম্প্রতিক কালত যুদ্ধ আৰু শান্তি— এই দুয়োটা বিষয়েই আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ ভিতৰত পৰে।
- **আদর্শবাদ ঃ** বিংশ শকিতাত এই বিশ্বত বিভিন্নধৰণৰ আদর্শবাদৰ আবির্ভাৱ হ'ল। উদাহৰণ-স্বৰূপে— সাম্যবাদ, সমাজবাদ, পুঁজিবাদ, নাজিবাদ, ফেচীবাদ ইত্যাদি। বস্তুতঃ এই বিশ্ব আদর্শবাদৰ ভিত্তিতেই দুটা পৰস্পৰ বিৰোধী গোষ্ঠীত বিভক্ত হৈ পৰিল। অৱশ্যে এই কথাও সত্য যে যোৱা কেইবছৰমান ধৰি 'আদর্শবাদৰ অন্ত', 'আন্তর্জাতিক ৰাজনীতিৰ পৰা আদর্শবাদৰ অপসাৰণ' ইত্যাদি কথা শুনিবলৈ পোৱা হৈছে। এনেবোৰ কথা কৈ এই কথা প্রতিপন্ন কৰিবলৈ প্রচেষ্টা চলোৱা হৈছে যে আদর্শগত পার্থক্য ক্রমাগত নাইকিয়া হৈ গৈছে। কিন্তু এই যুক্তিও আগবঢ়োৱা হৈছে যে আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত আমি

আদর্শবাদক কোনোপধ্যেই উলাই কৰিব নোৱাৰো। উন্নয়নশীল দেশসমূহত নতুন নতুন আদর্শবাদৰ আবির্ভাৱ হৈছে আৰু এই আদর্শবাদেই সেই দেশসমূহৰ ৰাজনীতি নির্ধাৰণ কৰিছে। এইদৰে চালে দেখা যায় যে আন্তর্জাতিক ৰাজনীতিত আদর্শবাদে এতিয়াও এক মুখ্য ভূমিকা পালন কৰে।

- **অ-ৰাষ্ট্র নায়ক** (Non-State Actors) ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ ক্ষেত্রত অ-ৰাষ্ট্র নায়কসমূহকো সামৰি লোৱা হয়। সাম্প্রতিক বিশ্বত আমি ভালেমান অ-ৰাষ্ট্রনায়ক দেখিবলৈ পাওঁ। এওঁলোকৰ কিছুমান আন্তর্জাতিক, কিছুমান আন্তর্জাতীয়, কিছুমান অধিৰাষ্ট্রীয়। উদাহৰণস্বৰূপে ৰাষ্ট্রসংঘ, ইয়াৰ বিভিন্ন অংশসমূহ, সামৰিক চুক্তিসমূহ (NATO ইত্যাদি)। এইবিলাকৰ আবির্ভাৱে আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ অধিক বিস্তৃত কৰি তুলিছে কিয়নো এইবিলাকৰ অধ্যয়ন অতি জৰুৰী হৈ পৰিছে।

এইখিনিতে আৰু এটা কথা আঙুলিয়াই দিব পাৰি যে সম্প্রতি বিশ্বত হিংসাইচ্ছা বিশিষ্ট (violent) অ-ৰাষ্ট্রনায়কৰ আবির্ভাৱ ঘটিছে। আন্তঃৰাষ্ট্রীয় সন্ত্রাসবাদ ক্রমাৎ বৃদ্ধি পাইছে। আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত ই এটা বিশেষ চিন্তাৰ বিষয় হৈ পৰিছে। সন্ত্রাসবাদৰ অভ্যুত্থান, তেওঁলোকৰ গতিবিধি আৰু কার্যকলাপ, এই সন্ত্রাসবাদ দমনৰ বাবে বিভিন্ন চৰকাৰৰ বিভিন্ন কার্যব্যৱস্থা— এই সকলোবোৰ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ ভিতৰতে সোমাই পৰে।

এইদৰে বিশ্লেষণ কৰি চালে আমি দেখিবলৈ পাওঁ যে আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ ক্ষেত্র হ'ল— আন্তর্জাতিক সমাজ য'ত ৰাষ্ট্র আৰু অ-ৰাষ্ট্রনায়কসকলকো সন্নিৱিষ্ট কৰা হয়। কিন্তু আন্তর্জাতিক সমাজখন অতি দ্রুতগতিত সলনি হৈ আছে। ফলত, আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰো ক্রমাৎ সলনি হৈ আছে আৰু প্রশস্ত হৈ গৈ আছে। ইয়াৰ উপৰি, বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ দ্রুত উন্নয়নে আন্তর্জাতিক ৰাজনীতিক এক নতুন পৰিধি বা ব্যাপ্তি প্রদান কৰিছে।

জানি থোৱা ভাল



আন্তর্জাতিক ৰাজনীতিত সংঘাত নিৰাময় সদায় এক গুৰুত্বপূর্ণ দিশ হিচাপে বিবেচিত হৈ আহিছে। আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত বিভিন্ন আন্তর্জাতিক সংগঠন আৰু শান্তি গৱেষণা প্রতিষ্ঠানৰ সহযোগত সংঘাত নিয়ন্ত্রণ ব্যৱস্থাপনা আৰু নিৰাময়ৰ বিভিন্ন ধৰণৰ কৌশল উদ্ভাৱন কৰা হৈছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১১ ঃ কোনে আন্তর্জাতিক ৰাজনীতিক বৈদেশিক নীতিৰ অধ্যয়ন বুলি কৈছে?

.....

প্রশ্ন নং ১২ ঃ গ্রেছন কার্ক (Grayson Kirk)এ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ

ক্ষেত্রত পাঁচটা উপকৰণৰ কথা কৈছে। সেই পাঁচটা উপকৰণ কি কি?

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ১৩ ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰৰ চাৰিটা উপাদান সম্পর্কে আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আন্তর্জাতিক ৰাজনীতিয়ে বিভিন্ন ৰাষ্ট্রৰ মাজত ঘটা ঘটনাৱলীৰ অধ্যয়নক সামৰি লয়। ইয়াৰ উপৰিও আন্তর্জাতিক ৰাজনীতিয়ে অ-ৰাষ্ট্র গোট যেনে- আন্তঃৰাষ্ট্রীয় সংগঠন বা বহুজাতিক সংগঠন, উদাহৰণস্বৰূপে ৰাষ্ট্রসংঘ অথবা অ-ৰাষ্ট্র সংগঠনৰ ৰাজনৈতিক কার্যকলাপো সামৰি লয়।
- ৰাষ্ট্রসমূহৰ মাজত থকা ৰাজনীতিয়েই হৈছে আন্তর্জাতিক ৰাজনীতি। আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত ৰাষ্ট্রই গোটসমূহক প্রতিনিধিত্ব কৰে আৰু এই গোটসমূহৰ প্রয়োজনবোৰকেই জাতীয় বা ৰাষ্ট্রীয় স্বার্থ বোলে।
- ৰাষ্ট্রসমূহে ক্ষমতাক ৰাষ্ট্রীয় স্বার্থ সিদ্ধিৰ উপায় হিচাপে ব্যৱহাৰ কৰে। থুলমূলকৈ ক'বলৈ গ'লে আন্তর্জাতিক ৰাজনীতি হ'ল এনে এক প্রক্রিয়া য'ত বিভিন্ন ৰাষ্ট্রৰ মাজৰ সম্বন্ধ এখন বা কেইখনমান দেশৰ স্বার্থৰ খাতিৰত ক্ষমতাৰ যোগেদি খাপ খুৱাই ল'ব পাৰি।
- আন্তর্জাতিক সম্বন্ধৰ পৰিসৰ আন্তর্জাতিক ৰাজনীতিতকৈ বহুল, যিহেতু আন্তর্জাতিক সম্বন্ধই পৃথিৱীৰ সকলোবোৰ মানুহ আৰু বিভিন্ন গোটৰ মাজৰ সকলো ধৰণৰ সম্বন্ধ, চৰকাৰী

অথবা বেচৰকাৰী, সামৰি লয়। অন্যহাতে আন্তর্জাতিক ৰাজনীতিয়ে আন্তর্জাতিক সম্বন্ধৰ সেইবোৰ দিশহে সামৰি লয় য'ত কেৱল ৰাষ্ট্রীয় স্বার্থ অথবা সংঘাত জড়িত হৈ থাকে।

- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ মৃদু গতিত সংঘটিত হৈছে। কেনেথ থমছনে (Kenneth Thompson) আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ চাৰিটা পর্যায়ৰ কথা উল্লেখ কৰিছে—
  (ক) কূটনৈতিক ইতিহাস পর্যায
  (খ) চলিত ঘটনাৱলী পর্যায়
  (গ) আইন আৰু সংগঠন পর্যায়
  (ঘ) সমসাময়িক পর্যায়
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ প্রথম পর্যায়টোত, যি প্রথম বিশ্বযুদ্ধৰ অন্তলৈকে চলিছিল, কূটনীতি ইতিহাসবিদসকলৰ প্রতিপত্তি বিস্তাৰিত হৈছিল। এই পর্যায়ত আন্তর্জাতিক ৰাজনীতিক বর্ণনামূলক আৰু কালানুক্রমীয় ৰূপত উপস্থাপন কৰা দেখা গৈছিল।
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ দ্বিতীয় পর্যায় প্রথম বিশ্বযুদ্ধৰ পিছত আৰম্ভ হৈছিল। এই পর্যায়ত পণ্ডিতসকলে আন্তর্জাতিক ৰাজনীতিত সাম্প্রতিক ঘটনাৰাজিৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশ দ্বিতীয় পর্যায়ৰ প্রায় সমান্তৰালভাৱে তৃতীয় পর্যায়ো আৰম্ভ হৈছিল। তৃতীয় পর্যায়ত গ্রহণ কৰা অভিগমনে আইন আৰু আন্তর্জাতিক সংগঠনৰ যোগেদি আন্তর্জাতিক ৰাজনীতিক স্থায়িত্ব প্রদানৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আন্তর্জাতিক সমাজ আৰু সমুদায় কোনদিশে অগ্রসৰ হোৱা উচিত সেই সম্পর্কীয় লক্ষ্য আৰু মূল্যবোধসমূহ বিচাৰি উলিওৱাতো গুৰুত্ব আৰোপ কৰা হৈছিল।
- আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ চতুর্থ অথবা সমসাময়িক পর্যায়ত পণ্ডিতসকলে যি শক্তি আৰু প্রভাৱে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্রৰ ব্যৱহাৰক গঢ় দিয়ে তেনে উপাদানসমূহ বিশ্লেষণ কৰি চাবলৈ ধৰিলে। এই পণ্ডিতসকলে ৰাষ্ট্রসংঘ অধ্যয়নৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।
- আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি ছটা কাৰক (variables)ৰ জৰিয়তে বিশ্লেষণ কৰিব পাৰি —
  (ক) আন্তর্জাতিক ৰাজনীতিৰ মূল নায়ক হ'ল ৰাষ্ট্র
  (খ) জাতীয় স্বার্থই হ'ল আন্তর্জাতিক ৰাজনীতিৰ মূল লক্ষ্য
  (গ) ক্ষমতা আন্তর্জাতিক ৰাজনীতিৰ লক্ষ্য আৰু সাধনোপায়
  (ঘ) আন্তর্জাতিক ৰাজনীতি হ'ল বিভিন্ন ৰাষ্ট্রৰ মাজৰ সংঘাত নিৰাময় কৰা এটা প্রক্রিয়া
  (ঙ) আন্তর্জাতিক ৰাজনীতি এনে এটা পদ্ধতি য'ত বিভিন্ন ৰাষ্ট্রৰ মাজত অনর্গল পাৰস্পৰিক ক্রিয়া চলি থাকে

- আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰে পৰিৱর্তিত পৰিস্থিতিৰ অধ্যয়ন, ৰাষ্ট্রীয় ব্যৱস্থাৰ অধ্যয়ন, বৈদেশিক নীতিৰ অধ্যয়ন, আন্তর্জাতিক সংগঠনৰ অধ্যয়ন, আন্তর্জাতিক আইনৰ অধ্যয়ন কূটনীতিৰ অধ্যয়ন, ক্ষমতাৰ অধ্যয়ন, যুদ্ধ আৰু শান্তি সম্বন্ধীয় বিষয়ৰ অধ্যয়ন, আদর্শবাদৰ অধ্যয়ন আৰু অ-ৰাষ্ট্র নায়কৰ অধ্যয়নো সামৰি লয়। সময়ৰ অগ্রগতিৰ লগে লগে আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰে ব্যাপক হৈ পৰিছে।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্র, নায়ক ; অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash, & Arora, Prem. *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন লেখকে আন্তর্জাতিক ৰাজনীতিৰ বিভিন্ন সংজ্ঞা দিছে। তলত তেওঁলোকৰ কেইটামান সংজ্ঞা দিয়া হ'ল।

হেনছ জে মৰগেনথিউৱে এইদৰে কৈছে— 'আন্তর্জাতিক ৰাজনীতি হ'ল বিভিন্ন ৰাষ্ট্রৰ মাজত ক্ষমতাৰ বাবে হোৱা অৰিয়াঅৰি।'

বিখ্যাত ভাৰতীয় ৰাজনীতি বিজ্ঞানী মহেন্দ্র কুমাৰৰ মতে, 'আন্তর্জাতিক ৰাজনীতি হ'ল এনে এটা প্রক্রিয়া যাৰ যোগেদি ৰাষ্ট্রসমূহে তেওঁলোকৰ জাতীয় স্বার্থ পূৰণ কৰিবলৈ প্রচেষ্টা চলায়। এই প্রচেষ্টাৰ ফলত অন্য ৰাষ্ট্রৰ লগত সংঘাতো হ'ব পাৰে। কিন্তু ৰাষ্ট্রসমূহে তেওঁলোকৰ নীতি আৰু কার্যৰ দ্বাৰা এই স্বার্থ পূৰণ কৰিবলৈ চেষ্টা চলায়।'

ওপৰত দিয়া সংজ্ঞাসমূহৰ পৰা এই কথা প্রতীয়মান হয় যে আন্তর্জাতিক ৰাজনীতিয়ে বিভিন্ন ৰাষ্ট্রসমূহৰ মাজত ঘটা ঘটনাৱলী সামৰি লয়। ইয়াৰ লগতে আন্তর্জাতিক ৰাজনীতিয়ে অন্যান্য দিশো সামৰি লয়, যেনে— অ-ৰাষ্ট্র (non-State) গোটসমূহৰ ৰাজনৈতিক কার্যকলাপ। উদাহৰণস্বৰূপে আমি SAARC, NATO ইত্যাদিৰ নাম উল্লেখ কৰিব পাৰো। ৰাষ্ট্রসংঘৰ নামো সেই একেধৰণে উল্লেখনীয়। ইয়াৰ উপৰি মানৱ অধিকাৰ সংগঠন, বনুৱাৰ সংগঠন, বৈজ্ঞানিকসকলৰ সংগঠন আদিয়েও সাম্প্রতিক কালৰ আন্তর্জাতিক দৃশ্যপটত উল্লেখনীয় ভূমিকা গ্রহণ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ক্ষমতা।

৩ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ 'আন্তর্জাতিক ৰাজনীতি' আৰু 'আন্তর্জাতিক সম্বন্ধ' এই দুয়োটা ধাৰণাই প্রায়েই সলনা-সলনিকৈ ব্যৱহাৰ কৰা হয়। অৱশ্যে আমি এই কথা জনাব খোজো যে আন্তর্জাতিক সম্বন্ধৰ পৰিসৰ আন্তর্জাতিক ৰাজনীতিতকৈ বহল। আন্তর্জাতিক সম্বন্ধই এই বিশ্বৰ দেশসমূহৰ আৰু দেশসমূহৰ বাসিন্দাসকলৰ মাজৰ সকলো সম্বন্ধ, যেনে— ৰাজনৈতিক, অর্থনৈতিক, সামাজিক, সাংস্কৃতিক, আইনগত— চৰকাৰী, বে-চৰকাৰী সম্বন্ধ সামৰি লয়। অন্যহাতেদি আন্তর্জাতিক ৰাজনীতি শব্দটোৱে আন্তর্জাতিক মানৱ সমাজৰ ৰাজনীতিহে বুজায়। আকৌ তাত্ত্বিক বিশ্লেষণৰ (methodology) দৃষ্টিকোণৰ পৰা চাবলৈ গ'লেও আন্তর্জাতিক সম্বন্ধ আৰু আন্তর্জাতিক ৰাজনীতিৰ মাজত বিভেদ দেখিবলৈ পোৱা যায়। আন্তর্জাতিক সম্বন্ধ মূলতঃ বর্ণনামূলক আৰু অন্যহাতেদি আন্তর্জাতিক ৰাজনীতি বিশ্লেষণাত্মক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) কূটনৈতিক ইতিহাস পর্যায়

খ) সাম্প্রতিক ঘটনাৱলী পর্যায়

গ) আইন আৰু সংগঠন পর্যায়

ঘ) সমসাময়িক পর্যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিৰ দ্বিতীয় পর্যায় অথবা চলিত ঘটনাৱলী পর্যায় আৰম্ভ হয় প্রথম বিশ্বযুদ্ধৰ পিছৰে পৰা। এই পর্যায়ত আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রৰ পণ্ডিতসকলে সাম্প্রতিক ঘটনাৱলী অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁলোকে সাম্প্রতিক ঘটনাৱলী আৰু সমস্যাসমূহৰ গুৰুত্বৰ তৎকালিন ব্যাখ্যা দাঙি ধৰাৰ ওপৰতহে মুখ্যতঃ জোৰ দিছিল। অৱশ্যে এই কথাও উনুকিয়াই দিব পাৰি যে সাম্প্রতিক ঘটনাৱলী অধ্যয়ন কৰিছিল যদিও এইসকল পণ্ডিতে অতীতৰ ঘটনাৱলী অধ্যয়ন কৰাৰ ক্ষেত্রত কোনো গুৰুত্ব আৰোপ কৰা নাছিল। তেওঁলোকে ব্যৱস্থাবিধি (methodology) আৰু ভৱিষ্যৎ আন্তর্জাতিক ৰাজনীতিৰ

ওপৰতো গুৰুত্ব আৰোপ কৰা নাছিল। চমুকৈ ক'বলৈ গ'লে, পণ্ডিতসকলে মূলতঃ সাম্প্রতিক ঘটনাৱলী অধ্যয়নৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছিল আৰু ঐতিহাসিক দিশটো সম্পূর্ণভাৱে উপেক্ষা কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ ক্ষেত্রত পণ্ডিতসকলে চাৰিটা বিষয়ত গুৰুত্ব আৰোপ কৰিছিল—

ক) সকলো ৰাষ্ট্রৰে বৈদেশিক নীতিৰ অনুপ্রেৰণা সম্পর্কীয় বিষয়সমূহ

খ) বৈদেশিক নীতি পৰিচালনা কৰাৰ কৌশলসমূহ

গ) আন্তর্জাতিক সংঘাতসমূহ নিৰাময় কৰাৰ কৌশলসমূহ

ঘ) এটা নতুন আন্তর্জাতিক ব্যৱস্থা সৃষ্টি কৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ জাতীয় স্বার্থ সম্পূর্ণভাৱে সুমিশ্রণীয় (compatible)ও নহয় আৰু সম্পূর্ণভাৱে বিৰোধাত্মকো নহয়। বিৰোধাত্মক ফলস্বৰূপে সংঘাত আৰু কাজিয়াৰ সৃষ্টি হয়। অৱশ্যে, এৰাধৰাৰ আদিৰ যোগেদি সুমিশ্রণৰ ব্যৱস্থা কৰিব পাৰিলে ৰাষ্ট্রসমূহৰ মাজত সহযোগিতাৰ বাতাবৰণ সৃষ্টি কৰিব পাৰি। এইদৰে আমি দেখিবলৈ পাওঁ যে সংঘাত আৰু সহযোগিতা, শাস্তিমূলক ব্যৱস্থা আৰু প্রোৎসাহ (persuasion) এই সকলোবোৰ হ'ল আন্তর্জাতিক ৰাজনীতিৰ অবিচ্ছেদ্য অংগ।

৯ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ব সমাজত সদায়েই এক সংঘাতৰ বাতাবৰণ বিদ্যমান। এনেকুৱা বাতাবৰণতে ৰাষ্ট্রসমূহে তেওঁলোকৰ জাতীয় স্বার্থ পূৰণৰ বাবে চেষ্টা কৰিবলগীয়া হয়। এই লক্ষ্যসমূহত উপনীত হ'বৰ উপায় হ'ল ক্ষমতা। এই কাৰণে, ৰাষ্ট্রসমূহে, অবিৰতভাৱে, ক্ষমতা দখল আৰু ক্ষমতা বৃদ্ধিৰ বাবে প্রচেষ্টা চলাই যায়। এইদৰে চালে আমি দেখিবলৈ পাওঁ যে আন্তর্জাতিক ৰাজনীতিত ক্ষমতা হ'ল এটা লক্ষ্য আৰু ই ক্ষমতা আহৰণৰ এক ব্যৱস্থাও। ৰাষ্ট্রসমূহে জাতীয় স্বার্থ পূৰণৰ বাবে সদায়ে ক্ষমতাৰ ব্যৱহাৰ কৰি আহিছে। একে সময়তে তেওঁলোকে ক্ষমতাক, তেওঁলোকৰ জাতীয় স্বার্থৰ অংগ বুলি ভাবে।

১০ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে কেবাগৰাকীও লিখকে ভালেকেইবছৰমান ধৰি আলোচনা আগবঢ়াইছে। অৱশ্যে এই কথাও উনুকিয়াই দিয়া সমীচিন হ'ব যে আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে লেখকসকলৰ মাজত পৰস্পৰবিৰোধী অভিমত আছে। আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিবলৈ হ'লে আমি ছটা কাৰক (variables) সম্পর্কে আলোচনা কৰিব লাগিব—

ক) আন্তর্জাতিক ৰাজনীতিৰ নায়ক হ'ল বিশ্বৰ বিভিন্ন ৰাষ্ট্রসমূহ।

খ) জাতীয় স্বার্থই হ'ল আন্তর্জাতিক ৰাজনীতিৰ মূল লক্ষ্য।

গ) সংঘাত আৰু সহযোগিতাই হ'ল আন্তর্জাতিক ৰাজনীতিৰ দুটা মুখ্য চর্ত।

ঘ) আন্তর্জাতিক ৰাজনীতিত ক্ষমতা হ'ল এটা লক্ষ্য আৰু সাধনো পায়।

ঙ) বিশ্বৰ বিভিন্ন ৰাষ্ট্রৰ মাজৰ সংঘাত নিৰাময় কৰাটোও আন্তর্জাতিক ৰাজনীতিৰ এটা প্রক্রিয়া।

চ) আন্তর্জাতিক ৰাজনীতি মূলতঃ এনে এটা প্রক্রিয়া যাৰ যোগেদি বিভিন্ন ৰাষ্ট্রৰ মাজৰ ক্রিয়াকলাপ অনর্গল অব্যাহত থাকে।

১১ নং প্রশ্নৰ উত্তৰ ঃ ফেলিক্স গ্রছ (Feliks Gross)।

১২ নং প্রশ্নৰ উত্তৰ ঃ ১) ৰাষ্ট্রব্যৱস্থাৰ প্রকৃতি আৰু কার্যকৰী কৰাৰ ব্যৱস্থা।

২) ৰাষ্ট্রৰ ক্ষমতাৰ ক্ষেত্রত প্রতিক্রিয়া কৰিব পৰা কাৰণসমূহ।

৩) মহান ক্ষমতাৰ অধিকাৰী ৰাষ্ট্রসমূহৰ বৈদেশিক নীতি আৰু আন্তর্জাতিক স্থান, পদমর্যাদা ইত্যাদি।

৪) সমসাময়িক আৰু তাৰ পূর্বৰ আন্তর্জাতিক ৰাজনীতিৰ ইতিহাস।

৫) সুস্থিৰ বিশ্বব্যৱস্থা স্থাপন কৰাৰ প্রচেষ্টা।

১৩ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ তলত দিয়াধৰণে আলোচনা কৰবি পাৰি—

১) ৰাষ্ট্রব্যৱস্থাৰ অধ্যয়ন ঃ ভৌগোলিক অৱস্থান, প্রাকৃতিক সম্পদ, সামৰিক শক্তি, জনতাৰ মনোবল আদিৰ দৰে কিছুমান উপাদানে এখন ৰাষ্ট্রৰ ৰাজনীতিত বিশেষ প্রভাৱ পেলায়।

২) বৈদেশিক নীতি ঃ এখন ৰাষ্ট্রৰ আন্তঃৰাষ্ট্রীয় পর্যায়ৰ চালচলন, ৰীতি-নীতি সদায়েই সেইখন দেশৰ বৈদেশিক নীতিৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্রিত হয়।

৩) আন্তর্জাতিক আইন ঃ আন্তর্জাতিক আইনে, আন্তর্জাতিক ক্ষেত্রত এক নৈতিক শক্তি হিচাপে কাম কৰে।

৪) কূটনীতি ঃ এতিয়াও আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ ক্ষেত্রত কূটনীতি অধ্যয়নৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়।



১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ কোনে আন্তর্জাতিক ৰাজনীতি বিভিন্ন ৰাষ্ট্রৰ ক্ষমতাৰ বাবে হোৱা অৰিয়াঅৰি বুলি সংজ্ঞা আগবঢ়াইছে?

প্রশ্ন ২ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ তৃতীয় পর্যায়ত সাম্প্রতিক ঘটনাৰাজিৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৩ঃ কূটনীতি ইতিহাসবিদসকলে সাধাৰণতে সাম্প্রতিক ঘটনাৱলী অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৪ঃ কোনখন বিশ্ববিদ্যালয়ত আৰু কেতিয়া আন্তর্জাতিক ৰাজনীতি সম্পর্কীয় প্রথম পদ স্থাপন কৰা হৈছিল?

প্রশ্ন ৫ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ সম্পর্কে দুটা কাৰক উল্লেখ কৰক।

প্রশ্ন ৬ ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰে অ-ৰাষ্ট্র নায়কক সামৰি লয় (শুদ্ধ/অশুদ্ধ)

(খ) চমু প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আন্তর্জাতিক ৰাজনীতিৰ ধাৰণা ব্যাখ্যা কৰক। আন্তর্জাতিক ৰাজনীতি আৰু আন্তর্জাতিক সম্বন্ধৰ মাজত থকা পার্থক্যসমূহ বর্ণনা কৰক।

প্রশ্ন ২ঃ আন্তর্জাতিক ৰাজনীতিৰ ক্রমবিকাশৰ সমসাময়িক পর্যায়টো বর্ণনা কৰক।

প্রশ্ন ৩ঃ আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি সম্পর্কে দুটা কাৰক ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ হিচাপে আন্তর্জাতিক সংগঠন আৰু কূটনীতিৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি বর্ণনা কৰক।

প্রশ্ন ২ ঃ আন্তর্জাতিক ৰাজনীতিৰ পৰিসৰ ব্যাখ্যা কৰক।

* * * * *

অধ্যায় ২ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আদর্শবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ আদর্শবাদৰ উত্থান

২.৪ আদর্শবাদী দৃষ্টিভংগীৰ মূল বৈশিষ্ট্যসমূহ

২.৫ আন্তর্জাতিক ব্যৱস্থাত আদর্শবাদীসকলে আগবঢ়োৱা সংস্কাৰমূলক নীতিসমূহ

২.৫.১ আদর্শবাদ আৰু বাস্তৱবাদৰ মাজৰ প্ৰভেদসমূহ

২.৫.২ আদর্শবাদী দৃষ্টিভংগীৰ বিৰুদ্ধে থকা সমালোচনাসমূহ

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৭ অধিক জানিবলৈ

২.৮ অগ্রগতিৰ খতিয়ান

২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আদর্শবাদী দৃষ্টিভংগীৰ উদ্ভাৱনৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- আদর্শবাদী দৃষ্টিভংগীৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- আদর্শবাদী দৃষ্টিভংগীৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- আদর্শবাদী দৃষ্টিভংগী আৰু বাস্তৱবাদী দৃষ্টিভংগীৰ মাজৰ প্ৰভেদসমূহ আলোচনা কৰিব পাৰিব
- আদর্শবাদী দৃষ্টিভংগীৰ বিপৰীতে থকা সমালোচনাসমূহ আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ বিভিন্ন দৃষ্টিভঙ্গী থকা দেখিবলৈ পোৱা যায়। এই দৃষ্টিভংগীসমূহে সেই বিষয়টো এক দিশৰ পৰা ফঁহিয়াই চায় বা আলোচনা কৰে। আদর্শবাদী দৃষ্টিভংগী আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ পৰম্পৰাগত দৃষ্টিভংগীসমূহৰ মাজৰে এটা। এই দৃষ্টিভংগীয়ে আন্তর্জাতিক ৰাজনীতিৰ পুৰণি, অক্ষম আৰু বিপজ্জনক আচৰণ, যেনে— যুদ্ধ, শক্তিৰ ব্যৱহাৰ আৰু হিংসা আদি পৰিত্যাগ কৰি এইক্ষেত্ৰত এক নতুন পদ্ধতি অনাৰ পৃষ্ঠপোষকতা কৰিছিল। এইক্ষেত্ৰত তেওঁলোকে জ্ঞান, যুক্তিযুক্ততা, ধৈর্য আৰু স্ব-নিয়ন্ত্ৰণৰ ওপৰত অধিক গুৰুত্ব দিছিল। এই অধ্যায়ত আমি আদর্শবাদী দৃষ্টিভংগীৰ উত্থান, অর্থ , বৈশিষ্ট্যসমূহ আৰু সমালোচনাসমূহ আলোচনা কৰিম ।

২.৩ আদর্শবাদৰ উত্থান

১৮শ শতিকাত পোনপ্রথমবাৰৰ বাবে আদর্শবাদৰ আলোচনা কৰা হৈছিল। আদর্শবাদ ঘাইকৈ ১৭৭৫ চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ১৭৮৯ চনৰ ফ্রান্স বিপ্লৱৰ দ্বাৰা অনুপ্রাণিত। এই দৃষ্টিভংগীয়ে এক সজীৱ ৰূপ পায় ফৰাচী দার্শনিক নিকোলাছ কনদৰচেট (Condorcet) আৰু ৰুছো (Rousseau), জার্মান দার্শনিক কান্ত (Kant) আৰু আমেৰিকাৰ পূর্বৰ ৰাষ্ট্রপতি উইলছনৰ (Wilson) লিখনিসমূহৰ জৰিয়তে। ১৭৯৫ চনত কন্‌দৰচেটে তেওঁৰ নিজৰ লিখনিত আন্তর্জাতিক ৰাজনীতিত আদর্শবাদী নীতিসমূহৰ প্রয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ এই গোটেই বিশ্বক যুদ্ধ, অসমতা, অত্যাচাৰী শাসন আদিৰ পৰা মুক্ত কৰি ইয়াত মানৱ জাতিৰ কল্যাণ আৰু উন্নয়নৰ বাবে পথ প্রশস্ত হোৱাটো বিচাৰিছে। ইয়াৰ বাবে তেওঁ কিছুমান সমস্যা সমাধানৰ বাবে যুক্তিৰ ব্যৱহাৰ, শিক্ষা আৰু বিজ্ঞান আৰু মানৱীয় চৰিত্রৰ যুক্তিযুক্ততাৰ ওপৰত গুৰুত্ব দিছিল। ফৰাচী ৰাজনৈতিক চিন্তাবিদ ৰুছোই তেওঁৰ আদর্শবাদী দৃষ্টিভংগীসমূহ তেওঁৰ লিখনি 'Fragments on War' নামৰ গ্রন্থখনত উল্লেখ কৰিছে। তেওঁ এই গোটেই ব্যৱস্থাটোকে আসোঁৱাহমুক্ত কৰিব বিচাৰিছে আৰু শক্তিশালী কর্তৃপক্ষৰ জৰিয়তে মানুহক দাসত পৰিণত কৰাৰ ঘোৰ বিৰোধিতা কৰিছিল। কন্‌দেৰচেতৰ সমর্থনত ৰুছোই মন্তব্য কৰিছিল যে এনে এক ৰাষ্ট্রীয় ব্যৱস্থাৰ প্রয়োজন, যি ন্যায়ৰ ওপৰত প্রতিষ্ঠিত আৰু যিয়ে সমাজৰ সকলোৰে কল্যাণ সাধন কৰে। ঠিক তেনেদৰে, কান্তেও ৰাষ্ট্রসমূহক যুদ্ধৰ বিৰোধিতা কৰিবলৈ আহ্বান জনাইছিল আৰু শান্তি ব্যৱস্থা বাহাল ৰখাৰ বাবে যেনে পৰিস্থিতিৰ প্রয়োজন তেনে পৰিস্থিতি সৃষ্টি কৰা উচিত বুলি কৈছিল। কিন্তু এইক্ষেত্রত সকলোতকৈ ওপৰত আমেৰিকাৰ ৰাষ্ট্রপতি উদ্রো উইলছনৰ নামহে থকা দেখিবলৈ পোৱা যায়। তেওঁ আন্তর্জাতিক শান্তি প্রতিষ্ঠাৰ বাবে আন্তর্জাতিক সংগঠন গঠন কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল। প্রথম বিশ্বযুদ্ধৰ পিচত বিশ্বৰ পৰিস্থিতি নিয়ন্ত্রণ কৰি শান্তি প্রতিষ্ঠা কৰিবৰ বাবে তেওঁ আমেৰিকাৰ কংগ্রেছত মুখ্য 'চাৰিটা নীতি'ৰ ওপৰত বক্তব্য দাঙি ধৰিছিল। আদর্শবাদী তত্ত্বই এক উন্নত বিশ্ব প্রতিষ্ঠাৰ বাবে নৈতিকতা, শিক্ষা আৰু আন্তর্জাতিক সংগঠন গঠন কৰাৰ ওপৰত গুৰুত্ব দিছিল।

ওপৰৰ আলোচনাৰ পৰা বুজিব পাৰি যে আদর্শবাদীসকলে ভৱিষ্যততে এক এনেকুৱাধৰণৰ ব্যৱস্থা প্রতিষ্ঠা হোৱাটো বিচাৰিছিল, যিটো ক্ষমতাৰ ৰাজনীতি (বা ক্ষমতাৰ লোভ), অনৈতিকতা আৰু হিংসাৰ পৰা মুক্ত। আদর্শবাদীসকল আশাবাদী আছিল যাৰ ফলত তেওঁলোকে মন্তব্য কৰিছিল যে ক্ষমতাৰ ৰাজনীতি ইতিহাসত পাৰ হৈ যোৱা এক অধ্যায়হে মাথোন। এই তত্ত্বৰ সমর্থকসকলে ধাৰণা কৰিছিল যে বিভিন্ন ৰাষ্ট্রব্যৱস্থাসমূহে গোটেই মানৱ জাতিৰ স্বার্থৰ হকে নিজৰ মাজতে এক সমন্বয়ৰ সৃষ্টি কৰিব আৰু তেওঁলোকে এনেকুৱা এক পৃথিৱীৰ পৃষ্ঠপোষকতা কৰিছিল যি শান্তি, সমন্বয় আৰু সহযোগিতাৰ ওপৰত প্রতিষ্ঠিত। তেওঁলোকে মন্তব্য কৰিছিল যে গোটেই মানৱ গোষ্ঠীয়ে সামগ্রিক কল্যাণৰ বাবে নিজৰ ঠেক আৰু সংকীর্ণ স্বার্থ পৰিত্যাগ কৰিব লাগিব। তেওঁলোকে বিশ্বাস কৰিছিল যে এক এনেকুৱা বিশ্ব ব্যৱস্থা প্রতিষ্ঠিত হ'ব য'ত মানুহৰ বিবেক সকলোতকৈ ওপৰত থাকিব আৰু মানৱতাবিৰোধী আৰু সংঘাতমূলক স্বার্থৰ কোনো স্থান নাথাকিব আৰু ৰাষ্ট্রসমূহ ক্ষমতাৰ ৰাজনীতিৰ পৰা মুক্ত হ'ব।



জানি থোৱা ভাল

উইলছনৰ মুখ্য চাৰিটা নীতি এনেধৰণৰ—

(১) সকলো সমস্যা ন্যায়পূর্ণভাৱে সমাধান কৰিব লাগে যাতে স্থায়ী শান্তি প্রতিষ্ঠা হয়।

(২) ক্ষমতাৰ ভাৰসাম্য ধাৰণাৰ ভিত্তি কৰি কোনো এক ৰাষ্ট্রৰ বা তাৰ জনসাধাৰণৰ সার্বভৌমত্ব সালসলনি কৰিব নোৱাৰিব।

(৩) অঞ্চলসমূহক লৈ থকা বিবাদসমূহ আৰু ৰাষ্ট্রসমূহৰ মাজত থকা মনোমালিন্যসমূহ সেই অঞ্চলত বসবাস কৰা মানুহবিলাকৰ স্বার্থত গুৰুত্ব দি বা দৃষ্টি ৰাখি সমাধান কৰিব লাগে।

(৪) ইউৰোপত শান্তি প্রতিষ্ঠা কৰিবৰ বাবে সকলো ৰাষ্ট্রৰ আশা-আকাংক্ষা পূর্ণ কৰাৰ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আদর্শবাদী দৃষ্টিভংগীৰ পৃষ্ঠপোষকতা কৰাৰ যিকোনো দুজন লিখকৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ ৰুছোৰ আদর্শবাদী দৃষ্টিভংগীৰ বিষয়ে উল্লেখ থকা গ্রন্থখনৰ নাম হ'ল .....। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৩ ঃ আমেৰিকাৰ কোনজন ৰাষ্ট্রপতিয়ে 'মুখ্য চাৰিটা নীতি'ৰ উল্লেখ কৰিছিল?

.....

.....

প্রশ্ন নং ৪ ঃ আদর্শবাদৰ উত্থান আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

২.৪ আদর্শবাদী দৃষ্টিভংগীৰ মূল বৈশিষ্ট্যসমূহ

ৰাজনৈতিক আদর্শবাদে আন্তর্জাতিক ৰাজনীতিত একধৰণৰ আদর্শক প্রতিনিধিত্ব কৰে, যিয়ে একে সময়তে যুদ্ধৰ বিৰোধিতা কৰে আৰু আন্তর্জাতিক সমাজ ব্যৱস্থা নৈতিক মূল্যবোধৰ ওপৰত প্রতিষ্ঠিত হৈ সংস্কাৰিত হোৱাটো সমর্থন কৰে। এইক্ষেত্রত তেওঁলোকে বিকাশৰ বাবে আন্তর্জাতিক সংগঠন আৰু আন্তর্জাতিক আইনৰ ওপৰত নির্ভৰ কৰিব বিচাৰে। আদর্শবাদৰ সামগ্রিক

সত্ত্বাটো প্রকৃততে সমাজৰ ক্রমবিকাশৰ ওপৰত নির্ভৰশীল। আন্তর্জাতিক ৰাজনীতিত আদর্শবাদৰ তাত্ত্বিক দিশটো কন্‌দৰচ্টেৰ উদাৰনৈতিক দৃষ্টিভংগীৰ পৰা উদ্ভৱ হৈছে। এই নীতিৰ মতে শিক্ষাৰ সহায়ত আৰু আন্তর্জাতিক সংগঠনৰ সহায়ত এক বিকশিত বিশ্ব প্রতিষ্ঠা কৰিব পৰা যাব। এই তত্ত্ব মতে যিহেতু মানৱ প্রকৃতি নৈতিকতা, যুক্তিযুক্ততা আৰু আদর্শৰ দ্বাৰা পৰিচালিত, তেনেধৰণে যুক্তি, শিক্ষা, বিজ্ঞান আৰু সংস্কাৰৰ জৰিয়তে এখন আদর্শ বিশ্ব প্রতিষ্ঠা কৰিব পৰা যাব।

আদর্শবাদৰ সমর্থকসকলে তেওঁলোকৰ ধাৰণাসমূহ ঘাইকৈ এটা লক্ষ্য, এটা আদর্শ আৰু এটা উদ্দেশ্যৰ জৰিয়তে প্রাৰম্ভ কৰিছিল। তেওঁলোকে সর্বপ্রথমে তেওঁলোকৰ উদ্দেশ্য আগত ৰাখিছিল। উদাহৰণস্বৰূপে এনে উদ্দেশ্য হয়তো এক শান্তিপূর্ণ পৃথিৰী প্রতিষ্ঠা কৰা নাইবা আন কিবা হ'ব পাৰে। কিন্তু তেওঁলোকে তেওঁলোকৰ আলোচনাসমূহৰ জৰিয়তে কেনেধৰণে আন্তর্জাতিক ৰাজনীতিয়ে সেই লক্ষ্যসমূহত উপনীত হ'ব বা সেই উদ্দেশ্যসমূহ বাস্তৱায়িত কৰিব সেই বিষয়ে উল্লেখ কৰে। তেওঁলোকৰ যদি উদ্দেশ্য বিশ্বশান্তি প্রতিষ্ঠা কৰাই হয়, তেন্তে কি পদ্ধতিৰে এই উদ্দেশ্যত উপনীত হ'ব সেয়াই হৈছে তেওঁলোকৰ আলোচনাৰ সাৰমর্ম।

আদর্শবাদৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণে আলোচনা কৰা হ'ল—

১. মানুহৰ প্রকৃতি সাধাৰণতে ভাল আৰু এনেধৰণৰ ভাল কর্মই আন্তর্জাতিক সম্পর্কও ভাল কৰিব পাৰে। সেয়েহে মানুহে এনেধৰণৰ আদর্শগত মানৱীয় প্রকৃতিৰ ওপৰত বিশ্বাস ৰাখিব লাগে।

২. আন্তর্জাতিক পর্যায়ত মানৱ কল্যাণ সাধন কৰা আৰু প্রগতিৰ পথত মানৱ সভ্যতাক উন্নত কৰাই মানুহৰ মৌলিক প্রবৃত্তি।

৩. আদর্শবাদীসকলৰ মতে মানুহৰ বেয়া আচৰণ মানুহৰ সৃষ্টি নহয় বৰং এয়া কোনো বেয়া পৰিবেশ বা বেয়া অনুষ্ঠানৰহে ফল, যিয়ে মানুহক স্বার্থপৰ হ'বলৈ, আনক অনিষ্ট কৰিবলৈ আৰু যুদ্ধৰ সহায় ল'বলৈ প্ররোচিত কৰে।

৪. এইটো আটাইতকৈ উল্লেখনীয় কথা যে এনেধৰণৰ যুদ্ধ বা সংঘর্ষ সৃষ্টিকাৰী বেয়া সংগঠন আৰু বেয়া মানৱীয় পৰিৱেশক মষিমূৰ কৰিব লাগে।

৫. আদর্শবাদীসকলে কয় যে আন্তর্জাতিক ৰাজনীতিত যুদ্ধই সকলোতকৈ বেয়া পৰিস্থিতিটোক প্রতিফলিত কৰে। ৰাষ্ট্রসমূহৰ মাজৰ সু-সম্পর্কসমূহ সৃষ্টি হোৱাত যুদ্ধই বাধা দিয়ে।

৬. যুদ্ধ বন্ধ কৰাৰ উদ্দেশ্যে আন্তর্জাতিক ৰাজনীতিৰ আৰু সম্পর্ক উন্নত কৰাটো অতিকৈ প্রয়োজন।

৭. আন্তর্জাতিক পর্যায়ত ৰাষ্ট্রসমূহৰ উমৈহতীয়া প্রচেষ্টাসমূহৰ জৰিয়তে যুদ্ধ, হিংসা, স্বেচ্ছাচাৰিতা মষিমূৰ কৰিব পৰা যাব।

৮. আন্তর্জাতিক সংস্থাসমূহে যুদ্ধ সৃষ্টিকাৰী সকলো সংগঠন, নীতি আৰু কার্য বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব লাগে। কাৰণ যুদ্ধৰ জৰিয়তে অসীম দুখ-দুর্দশা, ধ্বংসযজ্ঞ আৰু মানুহৰ নিৰাপত্তাহীনতাৰ সৃষ্টি হয়।

৯. শান্তি, প্রগতি আৰু মানৰ জাতিৰ উন্নয়নৰ বাবে সকলোধৰণৰ প্রচেষ্টা হাতত ল'ব লাগে আৰু এই উদ্দেশ্য আগত ৰাখি আন্তর্জাতিক শান্তি, আইন আৰু নৈতিকতা প্রতিষ্ঠাৰ বাবে কেতবোৰ আন্তর্জাতিক সংগঠন গঢ়ি তুলিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ আন্তর্জাতিক ৰাজনীতিত ৰাজনৈতিক আদর্শবাদ বুলিলে কি সূচায় লিখক।

.....

.....

.....

প্রশ্ন নং ৬ ঃ আন্তর্জাতিক ৰাজনীতিত আদর্শবাদী তত্ত্বটো কন্‌দৰচেটৰ উদাৰনৈতিক দৃষ্টিভংগীৰ পৰা জন্ম হৈছে। (শুদ্ধ / অশুদ্ধ)

.....

প্রশ্ন নং ৭ ঃ আদর্শবাদী দৃষ্টিভংগীৰ যিকোনো চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

২.৫ আন্তর্জাতিক ব্যৱস্থাত আদর্শবাদীসকলে আগবঢ়োৱা সংস্কাৰমূলক নীতিসমূহ

আন্তর্জাতিক ব্যৱস্থাত আদর্শবাদীসকলে কেতবোৰ সংস্কাৰমূলক নীতি সম্পর্কে উল্লেখ কৰিছে।

প্রথমতে, তেওঁলোকে কৈছে যে আন্তর্জাতিক পর্যায়ত ৰাষ্ট্রসমূহে নৈতিকতাৰ ভেটিতহে আচৰণ কৰিব লাগে। এনেধৰণে ক্ষমতাৰ ৰাজনীতিৰ ধ্বংসকাৰী প্রভাৱসমূহ হ্রাস কৰিব পৰা যায়।

দ্বিতীয়তে, তেওঁলোকে মন্তব্য কৰিছিল যে প্রতিদ্বন্দ্বী আৰু যুদ্ধ প্রৱণ ৰাষ্ট্রৰ বিপৰীতে আন্তর্জাতিক সংগঠন সৃষ্টি কৰাটোহে গুৰুত্বপূর্ণ। যিবোৰ অঞ্চলত যুদ্ধৰ প্রৱণতা অধিক, তেনে অঞ্চলত আন্তর্জাতিক সংস্থাসমূহে এক অতি ৰাষ্ট্রীয় সংগঠনৰ জৰিয়তে সমস্যা সমাধানৰ চেষ্টা কৰিব। তেওঁলোকে আৰু কৈছিল যে ৰাষ্ট্রসমূহৰ ক্ষমতাৰ ৰাজনীতি একমাত্র বিশ্ব চৰকাৰ প্রতিষ্ঠাৰ পিচতহে অৱসান ঘটিব। এই আলোচনাৰ পৰা বুজিব পাৰি যে আদর্শবাদীসকলে আদর্শৰ ভিত্তিত গোটেই বিশ্বতে এক বিশ্ব ৰাষ্ট্র প্রতিষ্ঠা কৰিব বিচাৰে।

তৃতীয়তে, আদর্শবাদীসকলৰ মতে যুদ্ধৰ নিয়ন্ত্রণ আইনৰ জৰিয়তে হ'ব লাগে। তেওঁলোকে যুদ্ধক বন্ধ কৰিবৰ বাবে আৰু ইয়াৰ ধ্বংসাত্মক দিশটো ৰোধ কৰিবৰ বাবে যিকোনো ধৰণৰ আন্তর্জাতিক বিধি বিধান গঢ়ি তুলিব বিচাৰে। তেওঁলোকে যুদ্ধক প্রত্যাহাৰ কৰাৰ বাবে আন্তর্জাতিক আইনৰ ওপৰত অধিক গুৰুত্ব দিছিল। এইক্ষেত্রত ১৯২৮ চনত **কেল্লোগ-ব্রিয়ানড্ সন্ধিত** যুদ্ধক ৰাষ্ট্রীয় নীতিত অন্তর্ভুক্ত কৰাটো আইন-বহির্ভূত হিচাপে ঘোষণা কৰাটো উল্লেখযোগ্য।

কেল্লোগ-ব্রিয়ানড্ সন্ধি, ১৯২৬ ঃ এই সন্ধিয়ে আন্তর্জাতিক সমস্যা সমাধানৰ বাবে যুদ্ধৰ পথ অৱলম্বন কৰাৰ বিৰোধিতা কৰিছিল।

চতুর্থতে, তেওঁলোকে সকলোধৰণৰ ধ্বংসাত্মক অস্ত্ৰ-শস্ত্ৰ নষ্ট কৰাৰ ওপৰত গুৰুত্ব দিছিল, কাৰণ ই যুদ্ধৰ আন কাৰণসমূহৰ মাজৰ এটা। সেয়েহে তেওঁলোকে নিৰস্ত্ৰীকৰণ আৰু অস্ত্ৰ-শস্ত্ৰৰ সীমিত-কৰণৰ ওপৰত গুৰুত্ব দিছিল।

পঞ্চমতে, আদর্শবাদীসকলে বিশ্বাস কৰে যে একনায়কত্ববাদীসকল হ'ল যুদ্ধৰ মুখ্য কাৰণ, সেয়েহে তেওঁলোকে একনায়কত্ববাদ বা সর্বাত্মকবাদৰ বিলোপ সাধন কৰি যুদ্ধৰ পৰিমাণ হ্ৰাস কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল।

ষষ্ঠতে, আদর্শবাদীসকলে মন্তব্য কৰিছিল যে ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ মাজৰ ব্যৱধান হ্ৰাস কৰিলে বিশ্বত শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠা কৰিব পৰা যাব। ইয়াৰ বাবে তেওঁলোকে আন্তর্জাতিক মুদ্ৰা ব্যৱস্থা যুগুত কৰাৰ ওপৰতো গুৰুত্ব দিছিল।

২.৫.১ আদর্শবাদ আৰু বাস্তৱবাদৰ মাজৰ প্ৰভেদসমূহ

আন্তর্জাতিক ৰাজনীতিৰ আন এটা পৰম্পৰাগত দৃষ্টিভংগী হ'ল বাস্তৱবাদ। বাস্তৱবাদৰ আদর্শসমূহ আদর্শবাদৰ ঠিক বিপৰীত। বাস্তৱবাদী দৃষ্টিভংগীমতে আন্তর্জাতিক ৰাজনীতি হ'ল ৰাষ্ট্ৰসমূহৰ মাজত থকা ক্ষমতাৰ সংঘাত। তেওঁলোকে এই ক্ষমতাৰ সংঘাতক এনেধৰণে সমর্থন কৰে যে ৰাষ্ট্ৰীয় স্বার্থ সুৰক্ষা দিয়াৰ বাবে ক্ষমতাৰ ব্যৱহাৰ কৰাটো একেবাৰে স্বাভাৱিক। তেওঁলোকৰ মতে আন্তর্জাতিক ক্ষেত্ৰত আৰু ৰাষ্ট্ৰসমূহৰ আচৰণত নৈতিকতাৰ কোনো স্থান নাই। এইক্ষেত্ৰত তেওঁলোকে আদর্শবাদক কাল্পনিক দৃষ্টিভংগী হিচাপেহে বিবেচনা কৰে। তেওঁলোকৰ মতে ৰাজনৈতিক বাস্তৱবাদ আৰু ৰাজনৈতিক আদর্শবাদৰ মাজৰ উদ্দেশ্যসমূহৰ য'তেই সংঘাত হয়, তাতেই যুদ্ধৰ সমস্যাই দেখা দিয়ে। প্ৰফেছাৰ কুইনচি ৰাইট (Prof. Quincy Wright)ৰ মতে 'বাস্তৱবাদ' আৰু 'আদর্শবাদ' এই দুয়োটা ধাৰণাই অস্পষ্ট। ইয়াৰ পৰিবর্তে এই দুয়োটা দৃষ্টিভংগী দীর্ঘম্যাদী আৰু স্বল্পম্যাদী নীতি হিচাপে ব্যাখ্যা কৰিব পাৰি। বাস্তৱবাদে সাধাৰণতে ৰাষ্ট্ৰসমূহৰ তাৎক্ষণিক প্ৰয়োজনীয়তাসমূহৰ জৰিয়তে গঢ়ি উঠা ৰাষ্ট্ৰীয় স্বার্থক সুৰক্ষা প্ৰদান কৰিব বিচাৰে। সেয়েহে এনে নীতিক স্বল্পম্যাদী বুলি ক'ব পাৰি। আনহাতে আদর্শবাদীসকলে ভৱিষ্যতৰ লক্ষ্য আৰু উদ্দেশ্যসমূহক আগত ৰাখি নীতিসমূহ প্ৰৱর্তন কৰে বাবে ইয়াক দীর্ঘম্যাদী বুলিও ক'ব পাৰি। প্ৰকৃততে এই দুয়োটা দৃষ্টিভংগীৰ ভিতৰত কোনো এটাও সম্পূর্ণ শুদ্ধ নহয়। দুয়োটাৰে নিজা নিজা দোষ-গুণসমূহ আছে।

আন্তর্জাতিক ৰাজনীতিত প্ৰথম বিশ্বযুদ্ধৰ পিচত উইলছনে আদর্শবাদী দৃষ্টিভংগীক এক নতুন ৰূপ দিয়া দেখিবলৈ পোৱা যায়। প্ৰকৃততে এই দুই দৃষ্টিভংগীৰ মাজৰ প্ৰভেদসমূহ প্ৰথম বিশ্বযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ মাজৰ সময়ছোৱাত (১৯১৯-১৯৩৯) প্ৰকট হৈ উঠা দেখিবলৈ পোৱা যায়। আদর্শবাদৰ মূল্যবোধসমূহ বাস্তৱবাদৰ মূল্যবোধসমূহতকৈ সম্পূর্ণ পৃথক বুলি দেখিবলৈ পোৱা যায়। আনহাতে, ক্ষমতাৰ মূল্যবোধক বাস্তৱবাদীসকলে সমর্থন কৰাৰ বিপৰীতে নৈতিকতাৰ মূল্যবোধক আদর্শবাদীসকলে সমর্থন কৰা দেখিবলৈ পোৱা যায়।

২.৫.২ আদর্শবাদী দৃষ্টিভংগীৰ বিৰুদ্ধে থকা সমালোচনা

আদর্শবাদীসকলৰ বিৰুদ্ধে বহুতো সমালোচনা আগবঢ়োৱা দেখা যায়। তেওঁলোকৰ মতে ভৱিষ্যতৰ পৃথিৱীখন ক্ষমতাৰ ৰাজনীতি, অনৈতিকতা আৰু হিংসাবর্জিত হ'ব। কিন্তু তেনেধৰণৰ নৈতিকতাৰ ভিত্তিত ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্কসমূহ প্রকৃতার্থত পৰিচালিত নহয়। দ্বিতীয়তে, তেনেধৰণৰ আদর্শবাদী পৃথিৱীখন গঢ়িবলৈ সকলোধৰণৰ সর্বাত্মক আৰু একনায়কত্ববাদী শক্তিসমূহক মষিমূৰ কৰি গণতান্ত্রিক মাধ্যমসমূহ ব্যৱহাৰ কৰি বিশ্ব চৰকাৰ বা বিশ্ব যুক্তৰাষ্ট্র গঢ়ি তুলিব পৰা যাব। আদর্শবাদীসকলে বিভিন্ন আদর্শ আৰু নীতিসমূহৰ জৰিয়তে অধিক অনুপ্রাণিত হৈ বাস্তৱৰ পৰা দূৰত যোৱাটো দেখিবলৈ পোৱা গৈছে। এই দৃষ্টিভংগীৰ মুখ্য আসোঁৱাহ হ'ল এই দৃষ্টিভংগীয়ে প্রকৃত পৰিস্থিতিক দৃষ্টিগোচৰ কৰা নাই। ৰাষ্ট্রসমূহে নিজে আশা কৰামতে আচৰণ কৰিব নোৱৰে। অধিক আদর্শৰ দ্বাৰা অনুপ্রাণিত হৈ ৰাষ্ট্রসমূহে ৰাষ্ট্রীয় স্বার্থ পৰিপূর্ণ কৰাত বিফল হ'ব পাৰে।

বাস্তৱবাদীসকলৰ মতে আদর্শবাদ সম্পূর্ণ কাল্পনিক, যিয়ে মানৱ প্রকৃতিৰ আৰু ৰাজনীতিৰ বাস্তৱ ৰূপটো অস্বীকাৰ কৰিছে। তেওঁলোকৰ মতে সকলোৱে নিজৰ স্বার্থ সুৰক্ষিত কৰাটো স্বাভাৱিক আৰু বৈধ। সেয়েহে আন্তর্জাতিক সম্পর্কৰ বাস্তৱ পৰিস্থিতিৰ লগত বাস্তৱবাদৰ অধিক সম্পর্ক আছে। সমালোচকসকলৰ মতে মানুহৰ নিজা জীৱনতহে নৈতিকতাৰ স্থান আছে; কিন্তু আন্তর্জাতিক ৰাজনীতিত ইয়াৰ কোনো কাম নাই। যুদ্ধৰ সম্ভাৱনীয়তা হ্রাস কৰিবলৈ হ'লে আন্তর্জাতিক ৰাজনীতিত কেতবোৰ পন্থা অৱলম্বন কৰিব লাগে। সেয়া হ'ল— কূটনীতি, নিৰস্ত্রীকৰণ, অস্ত্র-শস্ত্র সীমিতকৰণ ইত্যাদি। কিন্তু ইয়াক হ্রাস কৰিব পাৰি যদিও ইয়াক একেবাৰে মষিমূৰ কৰিব নোৱাৰি। ক্ষমতাক লৈ সংঘাত আন্তর্জাতিক ৰাজনীতি সদায়ে বর্তমান ইয়াক সকলোৱে স্বীকাৰ কৰিব লাগিব আৰু নিয়ন্ত্রণ কৰিব লাগিব।

এই সমালোচনাসমূহ থকা সত্ত্বেও আদর্শবাদৰ গুৰুত্ব নথকা নহয়, আনকি নেইবোৰ (Neiburh), বাটাৰফিল্ড (Butterfield), আৰু কাৰ (Carr) ইত্যাদিৰ দৰে ঘোৰ বাস্তৱবাদীসকলেও আন্তর্জাতিক ৰাজনীতিত নৈতিক নীতিসমূহক অগ্রাহ্য কৰিব নোৱাৰে। সেইবাবে বিংশ শতিকাৰ ৮০ৰ দশকৰ শেষভাগত আদর্শবাদে প্রতিচ্ছৱিবাদৰ ৰূপত আকৌ আৱির্ভাৰ হৈছে। প্রতিচ্ছৱিবাদীসকলৰ মতে আন্তর্জাতিক পর্যায়ত থকা সংগঠনসমূহক সঠিকভাৱে অধ্যয়ন কৰিব লাগে আৰু আন্তর্জাতিক ৰাজনীতিত নৈতিক নীতি-নিয়মসমূহৰ পুনৰ পৰিচয় কৰিব লাগে।



চিন্তা-চর্চা কৰক ২.১

আপোনাৰ মতে আন্তর্জাতিক ৰাজনীতিত ৰাষ্ট্রসমূহে কিমান পৰিমাণে নৈতিক নীতিসমূহৰ দ্বাৰা পৰিচালিত হোৱা উচিত?

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ আদর্শবাদীসকলে আন্তর্জাতিক ব্যৱস্থাৰ বাবে আগবঢ়োৱা চাৰিটা সংস্কাৰমূলক নীতি উল্লেখ কৰক।(৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৯ ঃ আদর্শবাদ আৰু বাস্তৱবাদৰ প্রভেদসমূহৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....

.....

.....

প্রশ্ন নং ১০ ঃ আদর্শবাদী তত্ত্বৰ বিৰুদ্ধে থকা মূল সমালোচনাসমূহ আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮শ শতিকাত পোনপ্রথমবাৰৰ বাবে আদর্শবাদৰ আলোচনা কৰা হৈছিল। আদর্শবাদ ঘাইকৈ ১৭৭৫ চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ১৭৮৯ চনৰ ফ্রান্স বিপ্লৱৰ দ্বাৰা অনুপ্রাণিত।
- এই দৃষ্টিভংগীয়ে এক সজীৱ ৰূপ পায় ফৰাচী দার্শনিক নিকোলাছ কন্দৰচেট (Condorcet) আৰু ৰুছো (Rousseau), জার্মান দার্শনিক কান্ত (Kant) আৰু আমেৰিকাৰ পূর্বৰ ৰাষ্ট্রপতি উইলছনৰ (Wilson) লিখনিসমূহৰ জৰিয়তে। ১৭৯৫ চনত কন্দৰচেটে তেওঁৰ নিজৰ লিখনিত আন্তর্জাতিক ৰাজনীতিত আদর্শবাদী নীতিসমূহৰ প্রয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু আদর্শবাদী দৃষ্টিভংগীৰ পৃষ্ঠপোষকৰ ক্ষেত্রত সকলোতকৈ ওপৰত আমেৰিকাৰ ৰাষ্ট্রপতি উদ্রো উইলছনৰ নামহে থকা দেখিবলৈ পোৱা যায়। তেওঁ আন্তর্জাতিক শান্তি প্রতিষ্ঠাৰ বাবে আন্তর্জাতিক সংগঠন গঠন কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল।

- ৰাজনৈতিক আদর্শবাদে আন্তর্জাতিক ৰাজনীতিত একধৰণৰ আদর্শ প্রতিনিধিত্ব কৰে, যিয়ে একে সময়তে যুদ্ধৰ বিৰোধিতা কৰে আৰু আন্তর্জাতিক সমাজ ব্যৱস্থা নৈতিক মূল্যবোধৰ ওপৰত প্রতিষ্ঠিত হৈ সংস্কাৰিত হোৱাটো সমর্থন কৰে।
- আদর্শবাদে বিশ্বাস কৰে যে মানুহৰ প্রকৃতি সাধাৰণতে ভাল আৰু এনেধৰণৰ ভাল কর্মই আন্তর্জাতিক সম্পর্কও ভাল কৰিব পাৰে। সেয়েহে মানুহে এনেধৰণৰ আদর্শগত মানৱীয় প্রকৃতিৰ ওপৰত বিশ্বাস ৰাখিব লাগে। আন্তর্জাতিক পর্যায়ত, মানৱ কল্যাণ সাধন কৰা আৰু প্রগতিৰ পথত মানৱ সভ্যতাক উন্নত কৰাই মানুহৰ মৌলিক প্রবৃত্তি।
- আন্তর্জাতিক ব্যৱস্থাৰ সংস্কাৰ সাধনৰ উদ্দেশ্য আদর্শবাদী সকলে কেতবোৰ সংস্কাৰমূলক নীতি আগবঢ়াইছিল, যেনে, — আন্তর্জাতিক পর্যায়ত ৰাষ্ট্রসমূহে নৈতিকতাৰ ভেঁটিতহে আচৰণ কৰিব লাগে । এনেধৰণে ক্ষমতাৰ ৰাজনীতিৰ ধ্বংসকাৰী প্রভাৱসমূহ হ্রাস কৰিব পৰা যায়।
- আদর্শবাদীসকলে মন্তব্য কৰিছিল যে প্রতিদ্বন্দ্বী আৰু যুদ্ধ প্রৱণ ৰাষ্ট্রৰ বিপৰীতে আন্তর্জাতিক সংগঠন সৃষ্টি কৰাটোহে গুৰুত্বপূর্ণ।
- আদর্শবাদী দৃষ্টিভংগীৰ বিপৰীতে কেতবোৰ সমালোচনা দেখিবলৈ পোৱা যায়। বিভিন্ন সমালোচনাৰ সন্মুখীন হোৱা সত্বেও এই তত্ত্বটো যথেষ্ট গুৰুত্বপূর্ণ। কাৰণ কোনো বিজ্ঞানেই, বিশেষকৈ সমাজ বিজ্ঞানে এটা আদর্শ স্বৰূপ দিশ অবিহনে ইয়াৰ অস্তিত্ব বর্তাই ৰাখিব নোৱাৰে। এইটো কাৰণতে বিংশ শতিকাৰ আশীৰ দশকৰ শেষৰফালে আদর্শবাদৰ উপলব্ধিবাদ (reflectivism) ৰ ৰূপত পুনৰ উত্থান ঘটিছিল।



২.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্র, নায়ক ; অধ্যাপক প্রতুল চন্দ্র আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

২) চক্রৱর্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash, & Arora, Prem. *(2015). Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005). *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কন্‌দৰচেট আৰু ৰুছো।

২ নং প্রশ্নৰ উত্তৰ ঃ Fragments on War

৩ নং প্রশ্নৰ উত্তৰ ঃ উদ্রো উইলছন।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৮শ শতিকাত পোনপ্রথমবাৰৰ বাবে আদর্শবাদৰ আলোচনা কৰা হৈছিল। আদর্শবাদ ঘাইকৈ ১৭৭৫ চনৰ আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ১৭৮৯ চনৰ ফ্রান্স বিপ্লৱৰ দ্বাৰা অনুপ্রাণিত। এই দৃষ্টিভংগীয়ে এক সজীৱ ৰূপ পায় ফৰাচী দার্শনিক নিকোলাছ কনদৰচেট (Condorcet) আৰু ৰুছো (Rousseau), জার্মান দার্শনিক কান্ত (Kant) আৰু আমেৰিকাৰ পূর্বৰ ৰাষ্ট্রপতি উইলছনৰ (Wilson) লিখনিসমূহৰ জৰিয়তে। ১৭৯৫ চনত কন্‌দৰচেটে তেওঁৰ নিজৰ লিখনিত আন্তর্জাতিক ৰাজনীতিত আদর্শবাদী নীতিসমূহৰ প্রয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছে। তেওঁ গোটেই বিশ্বক যুদ্ধ, অসমতা, অত্যাচাৰী শাসন আদিৰ পৰা মুক্ত কৰি ইয়াত মানৱ জাতিৰ কল্যাণ আৰু উন্নয়নৰ বাবে পথ প্রশস্ত হোৱাটো বিচাৰিছে। ইয়াৰ বাবে তেওঁ কিছুমান সমস্যা সমাধানৰ বাবে যুক্তিৰ ব্যৱহাৰ, শিক্ষা আৰু বিজ্ঞান আৰু মানৱীয় চৰিত্রৰ যুক্তিযুক্ততাৰ ওপৰত গুৰুত্ব দিছিল। ফৰাচী ৰাজনৈতিক চিন্তাবিদ ৰুছোই তেওঁৰ আদর্শবাদী দৃষ্টিভংগীসমূহ তেওঁৰ লিখনি 'Fragments on War' নামৰ গ্রন্থখনত উল্লেখ কৰিছে। তেওঁ এই গোটেই ব্যৱস্থাটোকে আসোঁৱাহমুক্ত কৰিব বিচাৰিছে আৰু শক্তিশালী কর্তৃপক্ষৰ জৰিয়তে মানুহক দাসত পৰিণত কৰাৰ ঘোৰ বিৰোধিতা কৰিছিল। কন্‌দেৰচেতৰ সমর্থনত ৰুছোই মন্তব্য কৰিছিল যে এনে এক ৰাষ্ট্রীয় ব্যৱস্থাৰ প্রয়োজন, যি ন্যায়ৰ ওপৰত প্রতিষ্ঠিত আৰু যিয়ে সমাজৰ সকলোৰে কল্যাণ সাধন কৰে। ঠিক তেনেদৰে, কান্তেও ৰাষ্ট্রসমূহক যুদ্ধৰ বিৰোধিতা কৰিবলৈ আহ্বান জনাইছিল আৰু শান্তি ব্যৱস্থা বাহাল ৰখাৰ বাবে যেনে পৰিস্থিতিৰ প্রয়োজন তেনে পৰিস্থিতি সৃষ্টি কৰা উচিত বুলি কৈছিল। কিন্তু এইক্ষেত্রত সকলোতকৈ ওপৰত আমেৰিকাৰ ৰাষ্ট্রপতি উদ্রো উইলছনৰ নামহে থকা দেখিবলৈ পোৱা যায়। তেওঁ আন্তর্জাতিক শান্তি প্রতিষ্ঠাৰ বাবে আন্তর্জাতিক সংগঠন গঠন কৰাৰ ওপৰত অধিক গুৰুত্ব দিছিল। প্রথম বিশ্বযুদ্ধৰ পিচত বিশ্বৰ পৰিস্থিতি নিয়ন্ত্রণ কৰি শান্তি প্রতিষ্ঠা কৰিবৰ বাবে তেওঁ আমেৰিকাৰ কংগ্রেছত মুখ্য 'চাৰিটা নীতি'ৰ ওপৰত বক্তব্য দাঙি ধৰিছিল। আদর্শবাদী তত্ত্বই এক উন্নত বিশ্ব প্রতিষ্ঠাৰ বাবে নৈতিকতা, শিক্ষা আৰু আন্তর্জাতিক সংগঠন গঠন কৰাৰ ওপৰত গুৰুত্ব দিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিত ৰাজনৈতিক আদর্শবাদে একধৰণৰ আদর্শক সমর্থন কৰে, যিয়ে একেলগে যুদ্ধৰ বিৰোধিতা কৰে আৰু আন্তর্জাতিক ক্ষেত্রত সংস্কাৰ

সাধন কৰি নৈতিক মূল্যবোধ আৰু আন্তর্জাতিক সংগঠন আৰু আন্তর্জাতিক আইনৰ বিকাশ সাধনত অধিক গুৰুত্ব দিয়ে।

৬ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ১) আদর্শবাদীসকলে বিশ্বাস কৰে যে মানৱ প্রকৃতি প্রকৃততে ভাল। সেয়েহে মানুহৰ ভাল কর্মৰ জৰিয়তে আন্তর্জাতিক সম্পর্কৰ ক্ষেত্রতো এক সু-সম্পর্ক স্থাপন কৰিব পৰা যাব। মানুহে মানুহৰ ভাল প্রকৃতিৰ ওপৰত বিশ্বাস ৰাখিব লাগে।

২) আন্তর্জাতিক পর্যায়ত মানৱ কল্যাণ সাধন কৰা আৰু অগ্রগতিৰ দিশত মানৱ সভ্যতাক আগবঢ়াই লৈ যোৱাটোৱে মানুহৰ মৌলিক প্রবৃত্তি।

৩) আদর্শবাদীসকলৰ মতে মানুহৰ বেয়া আচৰণ কোনো বেয়া পৰিৱেশৰ পৰাহে সৃষ্টি হয় আৰু এনে বেয়া সংগঠনে মানুহক স্বার্থপৰভাৱে কাম কৰিবলৈ শিকায়, যাৰ ফলত আনৰ অনিষ্ট হয় আৰু যুদ্ধ বা সংঘাতে দেখা দিয়ে।

৪) সেয়েহে যুদ্ধ বন্ধ কৰিবলৈ হ'লে আটাইতকৈ প্রয়োজনীয় কথা হ'ল বেয়া মানৱীয় পৰিবেশ আৰু বেয়া সংগঠনসমূহৰ বিলোপ সাধন কৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদীসকলে আন্তর্জাতিক ব্যৱস্থাৰ বাবে আগবঢ়োৱা চাৰিটা সংস্কাৰমূলক নীতি -প্রথমতে, তেওঁলোকে কৈছে যে আন্তর্জাতিক পর্যায়ত ৰাষ্ট্রসমূহে নৈতিকতাৰ ভেটিতহে আচৰণ কৰিব লাগে। এনেধৰণে ক্ষমতাৰ ৰাজনীতিৰ ধ্বংসকাৰী প্রভাৱসমূহ হ্রাস কৰিব পৰা যায়।

দ্বিতীয়তে, তেওঁলোকে মন্তব্য কৰিছিল যে প্রতিদ্বন্দ্বী আৰু যুদ্ধ প্রৱণ ৰাষ্ট্রৰ বিপৰীতে আন্তর্জাতিক সংগঠন সৃষ্টি কৰাটোহে গুৰুত্বপূর্ণ।

তৃতীয়তে, আদর্শবাদীসকলৰ মতে যুদ্ধৰ নিয়ন্ত্রণ আইনৰ জৰিয়তে হ'ব লাগে। তেওঁলোকে যুদ্ধক প্রত্যাহাৰ কৰাৰ বাবে আন্তর্জাতিক আইনৰ ওপৰত অধিক গুৰুত্ব দিছিল।

চতুর্থতে, তেওঁলোকে সকলোধৰণৰ ধ্বংসাত্মক অস্ত্র-শস্ত্র নষ্ট কৰাৰ ওপৰত গুৰুত্ব দিছিল, কাৰণ ই যুদ্ধৰ আন কাৰণসমূহৰ মাজৰ এটা। সেয়েহে তেওঁলোকে নিৰস্ত্রীকৰণ আৰু অস্ত্র-শস্ত্রৰ সীমিতকৰণৰ ওপৰত গুৰুত্ব দিছিল।

৯ নং প্রশ্নৰ উত্তৰ ঃ আন্তর্জাতিক ৰাজনীতিৰ এটা পৰম্পৰাগত দৃষ্টিভংগী হ'ল বাস্তৱবাদ। বাস্তৱবাদৰ নীতিসমূহ আদর্শবাদৰ ঠিক বিপৰীত। আন্তর্জাতিক ৰাজনীতিত বাস্তৱবাদী দৃষ্টিভংগীয়ে ৰাষ্ট্রসমূহৰ মাজৰ ক্ষমতাৰ সংঘাতক উচিত বুলি ভাবে আৰু ৰাষ্ট্রসমূহে নিজৰ জাতীয় স্বার্থ পূৰণ কৰিবলৈ ক্ষমতাৰ সহায় লোৱা স্বাভাৱিক বুলি মন্তব্য কৰে। বাস্তৱবাদী দৃষ্টিভংগীয়ে ভাবে যে আন্তর্জাতিক ক্ষেত্রত সার্বজনীন নৈতিক নীতিসমূহ কার্যকৰী কৰিব নোৱাৰি। তেওঁলোকৰ মতে আদর্শবাদ হ'ল সম্পূর্ণ কাল্পনিক দৃষ্টিভংগী। ৰাজনৈতিক বাস্তৱবাদ আৰু ৰাজনৈতিক আদর্শবাদৰ উদ্দেশ্যসমূহৰ মাজত যেতিয়াই সংঘাতে দেখা দিয়ে, তেতিয়াই যুদ্ধৰ সমস্যাৰ আৰির্ভাৱ হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদী দৃষ্টিভংগীক বিভিন্নধৰণে সমালোচনা কৰা হয়। ইয়াৰ সমর্থকসকলে ভৱিষ্যতৰ ব্যৱস্থাসমূহ ক্ষমতাৰ ৰাজনীতি, অনৈতিকতা আৰু হিংসাবর্জিত হ'ব বুলি মন্তব্য কৰিছিল, কিন্তু তেনেকুৱা ধৰণৰ ব্যৱস্থাত ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্কত মূল নৈতিক নীতি-নিয়ম প্রতিষ্ঠাৰ জৰিয়তেহে সম্ভৱ হ'ব, যিটো প্রকৃততে সম্ভৱ নহয়। দ্বিতীয়তে, আদর্শবাদী দৃষ্টিভংগীৰ আদর্শ আৰু নীতিসমূহ বাস্তৱ পৰিস্থিতিৰ পৰা আঁতৰি থকাটো দেখিবলৈ পোৱা গৈছে। আনহাতে, বাস্তৱবাদীসকলে মন্তব্য কৰে যে আদর্শবাদ সম্পূর্ণ কাল্পনিক যিয়ে মানৱ প্রকৃতিক আৰু প্রকৃত ৰাজনীতি দৃষ্টিগোচৰ নকৰে। সমালোচকসকলে মন্তব্য কৰে যে মানুহৰ ব্যক্তিগত জীৱনতহে নৈতিকতাৰ স্থান আছে, আন্তর্জাতিক ৰাজনীতিত নাই। এনেধৰণৰ বিভিন্ন সমালোচনা এই তত্ত্বটোৰ বিৰুদ্ধে আগবঢ়োৱা হয় যদিও ইয়াৰ গুৰুত্বক কোনেও নুই কৰিব নোৱাৰে।



২.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ আদর্শবাদৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ২ঃ আদর্শবাদী দৃষ্টিভংগীৰ যিকোনো দুজন সমর্থকৰ নাম উল্লেখ কৰক।

প্রশ্ন ৩ঃ 'Fragments on War' গ্রন্থখনৰ লেখক কোন ?

(খ) চমু প্রশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আন্তর্জাতিক ৰাজনীতিৰ আদর্শবাদৰ অর্থ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ আদর্শবাদ বাস্তৱবাদৰ পৰা কেনেধৰণে পৃথক? আদর্শবাদী তত্ত্বটোৰ বিপক্ষে থকা সমালোচনাবোৰ উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ আদর্শবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। আন্তর্জাতিক ৰাজনীতিত আদর্শবাদ আৰু বাস্তৱবাদৰ মাজৰ প্রভেদসমূহ কি কি?

প্রশ্ন ২ঃ আদর্শবাদীসকলে আন্তর্জাতিক ব্যৱস্থাৰ বাবে আগবঢ়োৱা প্রধান সংস্কাৰমূলক নীতিবোৰ আলোচনা কৰক।

* * * * *

অধ্যায় ৩ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ বাস্তৱবাদী দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বাস্তৱবাদী দৃষ্টিভংগীৰ উত্থান

৩.৪ বাস্তৱবাদ আৰু ইয়াৰ বৈশিষ্ট্যসমূহ

৩.৪.১ বাস্তৱবাদৰ মূল বৈশিষ্ট্যসমূহ

৩.৫ মৰগেনথিউৰ বাস্তৱবাদৰ ব্যাখ্যা

৩.৫.১ আদর্শবাদ আৰু বাস্তৱবাদ ঃ দুটা প্রান্তীয় ধাৰণা

৩.৫.২ বাস্তৱবাদৰ বিৰুদ্ধে থকা মূল সমালোচনাসমূহ

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাস্তৱবাদৰ উত্থানৰ বিষয়ে বিষয়ে বর্ণনা কৰিব পাৰিব
- বাস্তৱবাদৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বাস্তৱবাদৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- বাস্তৱবাদ সম্পর্কে থকা মৰগেনথিউৰ ধাৰণা সম্পর্কে আলোচনা কৰিব পাৰিব
- বাস্তৱবাদৰ বিৰুদ্ধে থকা আসোঁৱাহসমূহ বা সমালোচনাসমূহ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

আগৰ অধ্যায়ত আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আদর্শবাদী দৃষ্টিভংগীটো আলোচনা কৰোঁতে আপোনালোকে আদর্শবাদ আৰু বাস্তৱবাদৰ মাজত থকা প্রভেদসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিছে ।বাস্তৱবাদীসকলৰ মতে ৰাষ্ট্রসমূহৰ মাজত ৰাষ্ট্রীয় স্বার্থ সাধনৰ বাবে ক্ষমতাৰ সংঘাত হোৱাটোৱে এক স্বাভাৱিক প্রক্রিয়া। সেইবাবে বাস্তৱবাদী দৃষ্টিভংগীয়ে আন্তর্জাতিক ৰাজনীতিত সংঘাতক সমর্থন কৰে। তেওঁলোকে ৰাষ্ট্রসমূহে ৰাষ্ট্রীয় স্বার্থ সুৰক্ষা কৰাৰ বাবে ৰাষ্ট্রীয় ক্ষমতাৰ আশ্রয় লোৱাটো বৈধ বুলি মন্তব্য কৰে। বাস্তৱবাদে আদর্শবাদক সম্পূর্ণ কাল্পনিক বুলি মন্তব্য কৰে। এই দৃষ্টিভংগী অনুসৰি আন্তর্জাতিক পৰিৱেশত য'ত নেকি ৰাষ্ট্রীয় সংঘাতসমূহ

পৰস্পৰবিৰোধী আৰু প্ৰতিখন ৰাষ্ট্ৰই এক প্ৰতিযোগিতামূলক মনোভাবৰ দ্বাৰা পৰিচালিত হয়; তেনে পৰিৱেশত নৈতিকতাই কেতিয়াও স্থান পাব নোৱাৰে।

৩.৩ বাস্তৱবাদী দৃষ্টিভংগীৰ উত্থান

বাস্তৱবাদী দৃষ্টিভংগীৰ সাধাৰণতে ১৮ শ আৰু ১৯ শ শতিকাত আৰু বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ সময়ছোৱা (১৯৩৯-১৯৪৫)ত উদ্ভৱ হোৱা দেখিবলৈ পোৱা যায়। এই পদ্ধতিৰ মুখ্য সমৰ্থকসকল হ'ল ৰেইনহ'ল্ড নেইবোৰ (Reinhold Neibuhr), জৰ্জ কেনান (George Kennan), ই এইচ কাৰ (E. H. Carr), স্পাইকমেন (Spykman), হেনৰি কিছিংগাৰ (Henry kissinger) আৰু অন্যান্য। তাৰ উপৰিও এই পদ্ধতিৰ মুখ্য পৃষ্ঠপোষক হ'ল আমেৰিকাৰ পণ্ডিত হেনছ জে মৰগেনথিউ (Hans. J. Morgenthau) যিয়ে এই তত্ত্বটোক এক প্ৰভাৱশালী তত্ত্ব হিচাপে গঢ়ি তুলিছিল। ইয়াৰ বাহিৰেও মৰগেনথিউৰ সমৰ্থকসকলেও তেওঁৰ দৃষ্টিভংগীক অনুসৰণ কৰি এক নতুন তত্ত্ব আগবঢ়াবলৈ সমৰ্থ হৈছিল।

আন কিছুমান লেখক যেনে— ট্ৰেইউছকে (Treitschke), নেইটজকে (Nietzche), কফমেন (Kaufmann) আদিৰ মতে ৰাজনীতি বিজ্ঞানত ক্ষমতাৰ দৃষ্টিভংগীৰ ব্যৱহাৰ প্ৰথম বিশ্বযুদ্ধৰ আগতে (১৯১৪-১৯১৮) পৰা দেখিবলৈ পোৱা গৈছিল। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ সৃষ্টিয়ে হৈছে ক্ষমতাৰ বিকাশ, বৃদ্ধি আৰু প্ৰদৰ্শনৰ বাবে। ফেডৰিক ৰাটকিন্স (Frederick Watkins), হেৰল্ড লাচবেল (Harold Lasswell) আৰু ডেভিদ ইষ্টনে (David Eston) ৰাজনীতি বিজ্ঞানত ক্ষমতাৰ দৃষ্টিভংগীকে সমৰ্থন জনাইছে। ১৯৪৫ চনৰ আগৰ আন্তর্জাতিক ৰাজনীতিৰ দাৰ্শনিকসকল, যেনে— কাৰ, জৰ্জ স্কাৰজেনবাৰগাৰ (George Schwarzenberger), কুইনচি ৰাইট, মৰগেনথিউ আৰু অন্যান্য কিছুমানে ৰাজনীতি বিজ্ঞানত ব্যৱহাৰ কৰাৰ দৰে আন্তর্জাতিক ৰাজনীতিতো ক্ষমতাৰ দৃষ্টিভংগীক ব্যৱহাৰ কৰিছিল। অৱশ্যে এইসকলৰ মাজত ক্ষমতাই লোৱা ভূমিকা সম্পৰ্কে ভিন্ন মত আছিল। কিন্তু এই সকলোৱে ক্ষমতাৰ ধাৰণাকেই মুখ্য বিষয় হিচাপে গুৰুত্ব প্ৰদান কৰিছিল।

৩.৪ বাস্তৱবাদ আৰু ইয়াৰ বৈশিষ্ট্যসমূহ

বাস্তৱবাদী দৃষ্টিভংগীয়ে ৰাষ্ট্ৰসমূহৰ মাজত হোৱা সংঘাতকে মুখ্য ধাৰণা হিচাপে লৈছিল। তেওঁলোকৰ মতে এই গোটেই পৃথিৱীয়ে ক্ষমতাৰ যুদ্ধত অৱতীৰ্ণ। ইয়াক কোনো আন্তর্জাতিক আইন বা বিশ্বৰাষ্ট্ৰ বা আন্তর্জাতিক সংগঠনৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিব নোৱাৰি। বাস্তৱবাদৰ মূল নীতিয়ে হ'ল ক্ষমতাৰ সংঘৰ্ষ। ক্ষমতাৰ সংঘৰ্ষই ইয়াৰ মুখ্য ধাৰণা।

বাস্তৱবাদীসকলৰ মতে ইয়াত আদৰ্শ আৰু নৈতিক লক্ষ্যৰ কোনো স্থান নাই। সকলোৱে বাস্তৱ পৰিস্থিতি যেনে হয় তেনেকুৱাকৈ মানি ল'ব লাগে। নৈতিকতা মানুহৰ ব্যক্তিগত জীৱনতহে ব্যৱহাৰৰ উপযোগী, ৰাষ্ট্ৰসমূহৰ ক্ষেত্ৰত নহয়। কাৰণ সকলো গুৰুত্বপূৰ্ণ বিষয়তে ৰাষ্ট্ৰসমূহৰ কৰ্তৃপক্ষই যিকোনো প্ৰকাৰে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এইটোৱে

আটাইতকৈ লক্ষ্য কৰিবলগীয়া কথা যে ৰাষ্ট্ৰীয় নেতাসকলে কোৱাৰ দৰে সকলোৱে নৈতিকতা আৰু আদৰ্শৰ পৰিৱর্তে বাস্তৱ পৰিস্থিতিত নিজৰ স্বাৰ্থ অনুসৰি আচৰণ কৰা দেখিবলৈ পোৱা যায়। সকলো ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় স্বাৰ্থসমূহৰ মাজত সংঘাত হোৱাটো স্বাভাৱিক আৰু এনে সংঘাতৰ বাবে সংঘর্ষ, বিবাদ আৰু যুদ্ধৰ সৃষ্টি হয়। এনেধৰণৰ সংঘর্ষ ৰোধ কৰিবৰ বাবে সংঘাত হ'বলগীয়া বিষয়সমূহক বুদ্ধিৰে নিয়ন্ত্ৰণ কৰিব লাগে। ইয়াৰ ফলত আন্তর্জাতিক ৰাজনীতি আৰু সম্পর্কত যুদ্ধ ৰোধ কৰিব পৰা যায়। ইয়াৰ জৰিয়তে যুদ্ধৰ সম্ভাৱনাসমূহকো হ্ৰাস কৰিব পৰা যায়, কিন্তু ক্ষমতাৰ ৰাজনীতিক আন্তর্জাতিক পৰিস্থিতিৰ পৰা সম্পূর্ণ মুক্ত কৰিব পৰা নাযায়।

বাস্তৱবাদীসকলে ৰাজনীতিত নৈতিকতাক বেলেগধৰণে গুৰুত্ব প্ৰদান কৰে। তেওঁলোকৰ মতে কোনো এটা ৰাজনৈতিক কার্যক সমর্থন কৰাৰ ফলস্বৰূপে নৈতিকতাৰ সৃষ্টি হয়। তেওঁলোকৰ মতে নৈতিকতাৰ ধাৰণা অধিক গ্ৰহণযোগ্য হোৱা উচিত। কিন্তু একে সময়তে তেওঁলোকে মন্তব্য কৰে যে ইতিহাস আৰু অভিজ্ঞতাৰ ফালৰ পৰা চাবলৈ হ'লে সকলোৰে বাবে লাভজনক ৰাজনৈতিক মান, যেনে— ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰতে অধিক গুৰুত্ব দিয়ে। সেয়েহে বাস্তৱবাদীসকলে আন্তর্জাতিক ৰাজনীতিত ৰাষ্ট্ৰসমূহৰ ভূমিকা ৰাজনৈতিক মানদণ্ডৰ দ্বাৰা প্ৰভাৱিত হোৱাটো আৰু ৰাষ্ট্ৰসমূহে নিজা নিজা ৰাষ্ট্ৰীয় স্বাৰ্থসমূহক সমর্থন কৰাটোৱে উচিত বুলি ভাবে।

৩.৪.১ বাস্তৱবাদৰ মূল বৈশিষ্ট্যসমূহ

বাস্তৱবাদতত্ত্বৰ **মূল বৈশিষ্ট্যসমূহ** এনেধৰণে আলোচনা কৰিব পাৰি—

১. বাস্তৱবাদীসকলৰ মতে ইতিহাসে প্ৰমাণিত কৰিছে যে মানুহ প্ৰকৃততে অধর্মী আৰু দুষ্ট প্ৰকৃতিৰ।

২. মানুহৰ ক্ষমতাৰ প্ৰতি থকা দুর্বলতাতকৈ আন কোনো কর্মই ভয়ানক হ'ব নোৱাৰে।

৩. বাস্তৱবাদীসকলে মন্তব্য কৰে যে মানুহৰ ক্ষমতাৰ বা ক্ষমতাৰ লিপ্সাক কোনেও শেষ কৰিব নোৱাৰে। সেয়েহে আন্তর্জাতিক ৰাজনীতিত এই লিপ্সা ৰাষ্ট্ৰসমূহৰ ক্ষমতাৰ ৰাজনীতিলৈ পৰিবর্তিত হয়।

৪. বাস্তৱবাদীসকলে মন্তব্য কৰে যে ৰাষ্ট্ৰসমূহৰ প্ৰধান আৰু প্ৰথম কর্তব্য হ'ল ক্ষমতাৰ জৰিয়তে জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া।

৫. আন্তর্জাতিক পর্যায়ত ৰাষ্ট্ৰসমূহে আত্মসংৰক্ষণৰ জৰিয়তে জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিব বিচাৰে।

৬. বাস্তৱবাদীসকলে বিশ্বাস কৰে যে আন্তর্জাতিক ৰাজনীতিৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰসমূহে সদায় ক্ষমতা বৃদ্ধি, প্ৰদর্শন আৰু ব্যৱহাৰ কৰিব বিচাৰে।

৭. বাস্তৱবাদীসকলৰ মতে এই বিশ্বত শান্তি প্ৰতিষ্ঠা কৰিবলৈ হ'লে আৰু ক্ষমতাক নিয়ন্ত্ৰণ কৰিবলৈ হ'লে তলত দিয়া উপায়সমূহ অৱলম্বন কৰিব লাগে। সেয়া হ'ল ক্ষমতাৰ ভাৰসাম্য নীতি, সামূহিক নিৰাপত্তা, বিশ্ব চৰকাৰ, কূটনীতি, সন্ধি ইত্যাদি।

চিন্তা-চর্চা কৰক ৩.১

আন্তর্জাতিক ৰাজনীতিৰ প্ৰেক্ষাপটত হোৱা কার্য্যকলাপসমূহ আপুনি কিমানদূৰ ৰাষ্ট্ৰসমূহৰ মাজৰ ক্ষমতাৰ সংঘর্ষ বুলি ভাবে?

.....

.....

.....

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাস্তৱবাদী দৃষ্টিভংগীৰ দুজন সমর্থকৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ২ঃ বাস্তৱবাদৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৩ঃ বাস্তৱবাদৰ উত্থান সম্পর্কে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

৩.৫ মৰগেনথিউৰ বাস্তৱবাদৰ ব্যাখ্যা

আন্তর্জাতিক ৰাজনীতি অধ্যয়নত **হেনছ জে মৰগেনথিউক** (Hans J. Morgenthau) বাস্তৱবাদী দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষক হিচাপে আখ্যা দিয়া হয়। মৰগেনথিউৰ মতে 'আন্তর্জাতিক ৰাজনীতিও, অন্যান্য ৰাজনীতিৰ দৰেই ক্ষমতাৰ সংঘর্ষ (ক্ষমতাৰ ৰাজনীতি)। আন্তর্জাতিক ৰাজনীতিৰ মুখ্য উদ্দেশ্য যিয়েই নহওঁক ইয়াৰ তাৎক্ষণিক উদ্দেশ্য হ'ল ক্ষমতা আহৰণ কৰা। ৰাষ্ট্ৰীয় নেতাই হওঁক বা সর্বসাধাৰণ মানুহেই হওঁক তেওঁলোকৰ মুখ্য উদ্দেশ্য হ'ল স্বাধীনতা, নিৰাপত্তা, প্ৰাচুর্য আৰু ক্ষমতা। তেওঁলোকে হয়তো তেওঁলোকৰ এই উদ্দেশ্যসমূহক বিভিন্ন ধৰণে বিশ্লেষণ কৰিব পাৰে, যেনে— ধর্মীয়, দার্শনিক, অর্থনৈতিক, সামাজিক ইত্যাদি দিশেৰে। তেওঁলোকে আশা কৰে যে এনেকুৱা উদ্দেশ্যসমূহ বাস্তবায়িত কৰাৰ বাবে নিজৰ অন্তর্নিহিত

হেনছ জে মৰগেনথিউ ঃ (ফেব্ৰুৱাৰী ১৭, ১৯০৪ জুলাই ১৯, ১৯৮০) ঃ এওঁ এগৰাকী বিখ্যাত ৰাজনৈতিক চিন্তাবিদ আৰু আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক আছিল।

শক্তি, দৈৱিক শক্তি আৰু প্ৰাকৃতিক বিকাশে সহায় কৰে। তেওঁলোকে এই উদ্দেশ্যসমূহ পৰিপূৰ্ণ কৰাৰ বাবে কিছুমান অৰাজনৈতিক পন্থা, যেনে— অন্যান্য ৰাষ্ট্ৰৰ লগত সহযোগিতা আৰু অন্যান্য ৰাষ্ট্ৰৰ সংগঠনসমূহৰ সহায় লোৱা দেখিবলৈ পোৱা যায়। সেয়েহে তেওঁলোকৰ মতে ক্ষমতাৰ অন্বেষণ হৈছে আন্তর্জাতিক ৰাজনীতিৰ মূল লক্ষ্য।

বাস্তৱবাদ সম্পৰ্কে থকা মৰগেনথিউৰ মূল ছটা নীতি হ'ল—

- **মানৱ প্ৰকৃতিৰ চিৰন্তন বিধি ঃ** ৰাজনৈতিক বাস্তৱবাদে বিশ্বাস কৰে যে ৰাজনীতি কেতবোৰ মানৱ প্ৰকৃতিৰ পৰা উদ্ভৱ হোৱা বা মানসিকতাৰ পৰা উদ্ভৱ হোৱা চিৰন্তন নীতিৰ দ্বাৰা পৰিচালিত। সেয়েহে প্ৰকৃত ৰাজনৈতিক পৰিৱেশৰ বিষয়ে জানিবলৈ হ'লে মানুহৰ মনঃস্তত্ত্ব আৰু যুক্তিযুক্ততা অধ্যয়ন কৰিব লাগে।
- **ক্ষমতাৰ জৰিয়তে জাতীয় স্বাৰ্থ নিৰূপণ ঃ** ক্ষমতা লাভৰ জৰিয়তে জাতীয় স্বাৰ্থ নিৰূপণ কৰাটোতে মৰগেনথোৱে আটাইতকৈ বেছি গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ ধাৰণা অনুসৰি ৰাষ্ট্ৰীয় নেতাসকলৰ যিকোনো কাৰ্য আৰু চিন্তা ক্ষমতা বা ৰাষ্ট্ৰীয় স্বাৰ্থৰ দ্বাৰা প্ৰভাৱিত। এইটোৱে হ'ল একমাত্ৰ মানদণ্ড, যিটোৰ দ্বাৰা ৰাজনৈতিক ক্ষমতাসমূহৰ মূল্যায়ন কৰিব পাৰি। আন্তর্জাতিক ৰাজনীতিৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰীয় স্বাৰ্থই হ'ল একমাত্ৰ অনুপ্ৰেৰণাৰ উৎস। প্ৰত্যেক ৰাষ্ট্ৰই ক্ষমতাৰ জৰিয়তে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰিব বিচাৰে আৰু সেয়েহে ক্ষমতাৰ যুদ্ধত লিপ্ত হয়।
- **জাতীয় স্বাৰ্থ গতিশীল ঃ** মৰগেনথিউৰ মতে কোনো ৰাষ্ট্ৰৰে ৰাষ্ট্ৰীয় স্বাৰ্থ স্থায়ী নহয়। তেওঁৰ মতে পৰিৱেশে ৰাষ্ট্ৰীয় স্বাৰ্থ আৰু ৰাজনৈতিক কাৰ্যকলাপ নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। পৰিৱেশ-পৰিস্থিতিয়ে কোনো এখন ৰাষ্ট্ৰক শক্তিশালী কৰি তুলিলে, সেই ৰাষ্ট্ৰৰ স্বাৰ্থ দুৰ্বল হৈ থকা অৱস্থাতকৈ পৃথক হয়।
- **সাৰ্বজনীন নৈতিক নীতিসমূহ প্ৰযোজ্য নহয় ঃ** তেওঁ মন্তব্য কৰে যে ৰাষ্ট্ৰৰ কাৰ্যসমূহৰ মাজত সাৰ্বজনীন নৈতিক নীতিসমূহ প্ৰযোজ্য নহয়। সেই নীতিসমূহ সময় আৰু স্থানসাপেক্ষে পৰিবৰ্তনশীল হ'ব লাগে।
- **ৰাষ্ট্ৰসমূহৰ নৈতিক অভিলাষ ঃ** ৰাষ্ট্ৰসমূহৰ নৈতিক অভিলাষ আৰু সাৰ্বজনীন নৈতিক নীতি-নিয়মসমূহৰ মাজত মৰগেনথিউৱে কিছুমান পাৰ্থক্য নিৰ্ধাৰণ কৰিছে। তেওঁৰ মতে যিবিলাক নৈতিক নীতি-নিয়মৰ জৰিয়তে মানৱ সমাজ পৰিচালিত হয়, সেইবিলাক ৰাষ্ট্ৰৰ কাৰ্যাৱলীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। ৰাষ্ট্ৰৰ কাৰ্যসমূহে সকলো সময়তে ক্ষমতাৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাৰ্থসমূহ নিয়ন্ত্ৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়ে। এই তত্ত্বটোৱে বিশ্বাস কৰে যে ৰাষ্ট্ৰই নীতিগত আদৰ্শক অনুসৰণ কৰাতকৈ ক্ষমতাৰ জৰিয়তে ৰাষ্ট্ৰীয় স্বাৰ্থক সুৰক্ষিত কৰাৰ ওপৰতহে অধিক গুৰুত্ব দিব লাগে।
- **ৰাজনৈতিক স্বতন্ত্ৰতা ঃ** মৰগেনথিউৰ মতে ৰাজনৈতিক ক্ষেত্ৰখন অৰ্থনীতিবিদ, আইনবিদ আৰু নৈতিকতাবাদীসকলৰ ক্ষেত্ৰৰ পৰা স্বতন্ত্ৰ। অৰ্থনীতিবিদসকলে যেনেদৰে

উপযোগিতা, আইনজ্ঞসকলে যেনেদৰে বৈধতা আৰু নৈতিকতাবাদীসকলে যেনেদৰে নৈতিক মূল্যবোধ প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিয়ে, ঠিক তেনেদৰে ৰাজনৈতিক কৰ্তাসকলে স্বাৰ্থসিদ্ধিৰ বাবে ক্ষমতাৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব দিয়ে।

মৰগেনথিউৰ বাস্তৱবাদী ৰাজনৈতিক দৰ্শনৰ মূল ভেঁটি হৈছে তেওঁৰ বিশ্বাস যে ৰাজনৈতিক ব্যৱহাৰ মানুহৰ আচৰণৰ মাজতে গঢ় লৈ উঠে আৰু প্ৰায়ে ই স্বাৰ্থপৰতা আৰু ক্ষমতালিপ্সাৰ দ্বাৰা প্ৰভাৱিত হয়। তেওঁৰ মতে মানুহৰ সামাজিক কাৰ্যকলাপ মানৱীয় প্ৰকৃতিৰ জৰিয়তে প্ৰভাৱিত হয়, য'ত মানুহে নিজৰ পৰস্পৰবিৰোধী স্বাৰ্থসমূহ পূৰণ কৰাৰ বাবে সংঘৰ্ষত লিপ্ত হয়। মৰগেনথিউৱে বিশ্বাস কৰে যে ৰাষ্ট্ৰসমূহৰ সকলোধৰণৰ ৰাজনৈতিক কাৰ্য ক্ষমতা আহৰণ, বৃদ্ধি আৰু প্ৰদৰ্শনৰ বাবে কৰা দেখা যায়। এই তিনিটা ৰাজনৈতিক পৰিস্থিতিকে স্থিতাৱস্থাৰ নীতি (policy of stand grow), সাম্ৰাজ্যবাদী নীতি (policy of imperialism) আৰু সন্মান ৰক্ষাৰ নীতি (policy of prestige) বুলি আখ্যা দিয়া হয়।

৩.৫.১ আদৰ্শবাদ আৰু বাস্তৱবাদ ঃ দুটা প্ৰান্তীয় ধাৰণা

আদৰ্শবাদ আৰু বাস্তৱবাদে সম্পূৰ্ণ দুটা পৃথক ধাৰণাক প্ৰতিনিধিত্ব কৰে। বাস্তৱবাদীসকলে ক্ষমতাৰ ৰাজনীতিক প্ৰতিনিধিত্ব কৰে, য'ত জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে নৈতিকতাকো অগোচৰ কৰা হয়। আনহাতে, আদৰ্শবাদীসকলে আন্তৰ্জাতিক ৰাজনীতিত নৈতিক মূল্যবোধসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তেওঁলোকে বাস্তৱ পৃথিৱীত চলি থকা ক্ষমতাকেন্দ্ৰিক ৰাজনীতি সম্পূৰ্ণৰূপে অগোচৰ কৰে। সেয়েহে তেওঁলোকে ভিন্ন ধৰণৰ স্বাৰ্থৰ পৰা উদ্ভৱ হ'ব পৰা সংঘৰ্ষৰ বিষয়ে সজাগ নহয়। প্ৰকৃততে এই দুয়োটা পদ্ধতিৰ কোনো এটাই প্ৰকৃত আন্তৰ্জাতিক পৰিস্থিতিৰ প্ৰতিফলন নকৰে। সেয়েহে বাস্তৱবাদ আৰু আদৰ্শবাদৰ সমন্বয়ত গঢ়ি উঠা তত্ত্বৰ জৰিয়তেহে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰকৃত ছবি দাঙি ধৰিব পৰা যাব। আন্তৰ্জাতিক ৰাজনীতিত কৰ্তাসমূহৰ সংঘৰ্ষ আৰু সহযোগিতা দুয়োটা উপাদানেই থাকে। ই. এইচ. কাৰে (E. H. Carr) কৈছে যে যিকোনো সত্যনিষ্ঠ দৃষ্টিভংগীৰ বাবে কাল্পনিক আৰু বাস্তৱ এই দুয়োটা উপাদানৰে আৱশ্যক।

৩.৫.২ বাস্তৱবাদৰ বিৰুদ্ধে থকা সমালোচনাসমূহ

বাস্তৱবাদী দৃষ্টিভংগী সম্পৰ্কে বিভিন্ন ধৰণৰ সমালোচনা আগবঢ়োৱা হয়। সেয়া হ'ল—

প্ৰথমতে, এই দৃষ্টিভংগীৰ এইটো ভুল ধাৰণা যে ৰাষ্ট্ৰসমূহে একমাত্ৰ ক্ষমতাৰ জৰিয়তে জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিব বিচাৰে। এনে অৱস্থাত ৰাষ্ট্ৰসমূহৰ মাজত সংঘৰ্ষ অব্যাহত থাকিব আৰু আন্তৰ্জাতিক সম্পৰ্ক সুসংবদ্ধ নহ'ব।

দ্বিতীয়তে, এইটো ভুল মন্তব্য যে ক্ষমতাৰ আহৰণ কৰাই ৰাষ্ট্ৰসমূহৰ মূল লক্ষ্য। ক্ষমতাৰ উপৰিও ৰাষ্ট্ৰসমূহৰ কেতবোৰ লক্ষ্য থকা দেখিবলৈ পোৱা যায়। সেয়া হ'ল সাংস্কৃতিক আৰু সামাজিক কল্যাণ, ৰাষ্ট্ৰসমূহৰ নিৰাপত্তা, আদৰ্শসমূহৰ উন্নয়ন ইত্যাদি।

তৃতীয়তে, এই দৃষ্টিভংগীৰ এইটো ভুল ধাৰণা যে ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্ক আৰু কার্যাৱলী একমাত্র ক্ষমতাৰ দ্বাৰা নিয়ন্ত্রিত হয়। স্বার্থৰ সংঘাতৰ লগতে কিন্তু ৰাষ্ট্রসমূহৰ মাজত সহযোগিতা আৰু সমন্বয়ৰ সম্পর্কও দেখা যায়।

চতুর্থতে, মানৱ প্রকৃতি সম্পর্কে মৰগেনথিউৰ ধাৰণাই বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব। তেওঁ মানৱ প্রকৃতি সম্পর্কে এক নিৰাশাবাদী ধাৰণা আগবঢ়াইছিল। সাধাৰণতে মানুহৰ সকলো কাম-কাজ মানৱ অন্তৰণ বা প্রকৃতিৰ প্রতিফলন। সেয়েহে আন্তর্জাতিক আচৰণত মানৱ প্রকৃতিৰ প্রতিফলন ব্যাখ্যা কৰিলে ই সম্পূর্ণ নহয়। তেওঁৰ মানৱ প্রকৃতি সম্পর্কে থকা ধাৰণা অবিজ্ঞানসন্মত।

পঞ্চমতে, এই দৃষ্টিভংগীয়ে ক্ষমতাৰ ওপৰত অত্যাধিক গুৰুত্ব দিছে। হফমেনে (Hoffmann) ইয়াক— 'power monism' বা ক্ষমতাৰ একমূল তত্ত্ব বুলি আখ্যা দিছিল। এই তত্ত্বমতে গোটেই বিশ্বখন এখন স্থায়ী ময়দান, য'ত স্থান-কাল-পাত্র নির্বিশেষে সকলো ৰাষ্ট্রই একমাত্র ক্ষমতা লাভৰ লক্ষ্যত উপনীত হ'ব বিচাৰে; কিন্তু প্রকৃততে আন্তর্জাতিক ৰাজনীতি এক গতিশীল প্রক্রিয়া। ইয়াৰ ধাৰণা সময়ে সময়ে সলনি হয়। সেয়েহে এইক্ষেত্রত ক্ষমতাকে ইয়াৰ মূল বিষয়-বস্তু হিচাপে গণ্য কৰিব নোৱাৰি।

ষষ্ঠতে, মৰগেনথিউৱে ৰাজনৈতিক স্বতন্ত্রতা প্রতিষ্ঠা কৰিব বিচাৰিছিল। কিন্তু ৰাজনৈতিক স্বতন্ত্রতা সম্পর্কে তেওঁৰ ধাৰণা স্পষ্ট নাছিল। ৰাজনৈতিক স্বতন্ত্রতাক কোনেও সম্পূর্ণৰূপে স্বতন্ত্র কৰিব নোৱাৰে কিয়নো একে সময়তে জীৱনৰ আর্থিক, ধার্মিক, নৈতিক আৰু ৰাজনৈতিক দিশসমূহ ইটো সিটোৰ লগত জড়িত হ'ব পাৰে। কোনো এটা দিশক অধিক প্রাধান্য দিব নোৱাৰি।

উপৰোক্ত আসোঁৱাহসমূহ থকা সত্ত্বেও আন্তর্জাতিক সম্পর্কক এক পৃথক বিষয় হিচাপে গঢ়ি তোলাত বাস্তৱবাদৰ ভূমিকাক কোনেও নুই কৰিব নোৱাৰে। বাস্তৱবাদীসকলৰ তত্ত্বটোৱে বিশ্বৰ অন্যান্য ৰাষ্ট্রসমূহৰ সন্দেহজনক পৰিস্থিতি সম্পর্কে সজাগ কৰি তোলে। দ্বিতীয় মহাযুদ্ধৰ পিচত দুই মহাশক্তি আমেৰিকা আৰু ছোভিয়েট ৰাছিয়া আৰু ইয়াৰ শক্তি-গোষ্ঠীসমূহ, পাৰমাণৱিক অস্ত্র-শস্ত্রসমূহ আদিয়ে বাস্তৱবাদী তত্ত্বটোৰ যথার্থতা ফঁহিয়াই দিছে। দ্বিতীয় মহাযুদ্ধৰ পিচৰ কালছোৱাত ৰাষ্ট্রসমূহৰ কার্যাৱলীৰ সম্পর্কে বাস্তৱ চিত্র দাঙি ধৰাৰ ক্ষেত্রত বাস্তৱবাদৰ ভূমিকা অতিকৈয়ে প্রয়োজনীয়। আন্তর্জাতিক ৰাজনীতি তাত্ত্বিক দিশত আগবঢ়াই লৈ যোৱাত মৰগেনথিউৰ তত্ত্বই এক অগ্রণী ভূমিকা পালন কৰিছে। এই তত্ত্বৰ পুনৰ উত্থান হৈছে বিংশ শতিকাৰ ৮০ ৰ দশকৰ প্রাৰম্ভণিত। ৱোলছ (Waltz), গিলপিন্ (Gilpin), এক্সেলড়'ড (Axelrod), বুল (Bull) আৰু কিওহেইন (Keohane) আদিৰ নাম নৱ্য বাস্তৱবাদ গঢ়ি তোলাৰ ক্ষেত্রত উল্লেখযোগ্য।



জানি থোৱা ভাল

১) এন জে স্পাইকমেনক বিংশ শতিকাৰ উল্লেখনীয় ৰাস্তৱবাদী বুলি জনা যায়। ১৯৩০ চনত ৰচিত 'America's Strategy in World Politics' নামৰ গ্ৰন্থখনত স্পাইকমেনে ৰাষ্ট্ৰসমূহৰ ক্ষমতাৰ স্থিতি উন্নীত কৰাৰ বাবে ৰাষ্ট্ৰসমূহৰ ক্ষমতাৰ বিকাশ সাধন কৰাই মুখ্য উদ্দেশ্য বুলি মত পোষণ কৰিছিল।

২) মৰগেনথিউৰ ৰাস্তৱবাদৰ ধাৰণা তেওঁৰ বিখ্যাত গ্ৰন্থ 'Politics among Nations'ত থকা দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মৰগেনথিউৰ মতে ৰাষ্ট্ৰসমূহৰ ৰাজনৈতিক কাৰ্যকলাপ ক্ষমতাৰ আহৰণ, বৃদ্ধি আৰু ইয়াৰ প্ৰদৰ্শনৰ লগত জড়িত পৰিস্থিতিৰ লগত সম্পৰ্ক থকা নীতি তিনিটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৫ ঃ হেনছ জে মৰগেনথিউৰে আগবঢ়োৱা ৰাস্তৱবাদৰ ছটা নীতি কি কি?

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ "আদৰ্শবাদ আৰু ৰাস্তৱবাদ দুটা প্ৰান্তীয় ধাৰণা"- ব্যাখ্যা কৰক।(৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ ৰাস্তৱবাদী দৃষ্টিভংগী সম্পৰ্কে থকা চাৰিটা আসোঁৱাহ উল্লেখ কৰক।

.....

.....

.....

.....

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাস্তৱবাদী দৃষ্টিভংগীৰ সাধাৰণতে ১৮ শ আৰু ১৯ শ শতিকাত আৰু বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ সময়ছোৱা (১৯৩৯-১৯৪৫)ত উদ্ভৱ হোৱা দেখিবলৈ পোৱা যায়।
- বাস্তৱবাদী দৃষ্টিভংগীৰ মুখ্য সমর্থকসকল হ'ল ৰেইনহ'ল্ড নেইবোৰ (Reinhold Neibuhr), জর্জ কেনান (George Kennan), ই এইচ কাৰ (E. H. Carr), স্পাইকমেন (Spykman), হেনৰি কিছিংগাৰ (Henry kissinger) আৰু অন্যান্য। তাৰ উপৰিও এই পদ্ধতিৰ মুখ্য পৃষ্ঠপোষক হ'ল আমেৰিকাৰ হেনছ জে মৰগেনথিউ (Hans. J. Morgenthau) যিয়ে এই তত্ত্বটোক এক প্রভাৱশালী তত্ত্ব হিচাপে গঢ়ি তুলিছিল।
- বাস্তৱবাদী দৃষ্টিভংগীয়ে ৰাষ্ট্রসমূহৰ মাজত হোৱা সংঘাতকে মুখ্য ধাৰণা হিচাপে লৈছিল। তেওঁলোকৰ মতে এই গোটেই পৃথিৱীয়ে ক্ষমতাৰ যুদ্ধত অৱতীর্ণ। ইয়াক কোনো আন্তর্জাতিক আইন বা বিশ্বৰাষ্ট্র বা আন্তর্জাতিক সংগঠনৰ জৰিয়তে নিয়ন্ত্রণ কৰিব নোৱাৰি।
- হেনছ জে মৰগেনথিউক বাস্তৱবাদী দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষক হিচাপে আখ্যা দিয়া হয়। মৰগেনথিউৰ মতে 'আন্তর্জাতিক ৰাজনীতিও, অন্যান্য ৰাজনীতিৰ দৰেই ক্ষমতাৰ সংঘর্ষ (ক্ষমতাৰ ৰাজনীতি)। আন্তর্জাতিক ৰাজনীতিৰ মুখ্য উদ্দেশ্য যিয়েই নহওঁক ইয়াৰ তাৎক্ষণিক উদ্দেশ্য হ'ল ক্ষমতা আহৰণ কৰা। ৰাষ্ট্রীয় নেতাই হওঁক বা সর্বসাধাৰণ মানুহেই হওঁক তেওঁলোকৰ মুখ্য উদ্দেশ্য হ'ল স্বাধীনতা, নিৰাপত্তা, প্রাচুর্য আৰু ক্ষমতা।
- বাস্তৱবাদ সম্পর্কে থকা মৰগেনথিউৰ মূল ছটা নীতি হ'ল- মানৱ প্রকৃতিৰ চিৰন্তন বিধি, ক্ষমতা লাভৰ জৰিয়তে জাতীয় স্বার্থ নিৰূপণ, জাতীয় স্বার্থ গতিশীল, সার্বজনীন নৈতিক নীতিসমূহ প্রযোজ্য নহয়, ৰাষ্ট্রসমূহৰ নৈতিক অভিলাষ, ৰাজনৈতিক স্বতন্ত্রতা।
- মৰগেনথিউৱে বিশ্বাস কৰে যে ৰাষ্ট্রসমূহৰ সকলোধৰণৰ ৰাজনৈতিক কার্য-ক্ষমতা আহৰণ, বৃদ্ধি আৰু প্রদর্শনৰ বাবে কৰা দেখা যায়। এই তিনিটা ৰাজনৈতিক পৰিস্থিতিকে স্থিতাৱস্থাৰ নীতি (policy of stand grow), সাম্রাজ্যবাদী নীতি (policy of imperialism) আৰু সন্মান ৰক্ষাৰ নীতি (policy of prestige) বুলি আখ্যা দিয়া হয়।
- আদর্শবাদ আৰু বাস্তৱবাদে সম্পূর্ণ দুটা পৃথক ধাৰণাক প্রতিনিধিত্ব কৰে। বাস্তৱবাদীসকলে ক্ষমতাৰ ৰাজনীতি প্রতিনিধিত্ব কৰে, য'ত জাতীয় স্বার্থ সুৰক্ষিত কৰিবৰ বাবে নৈতিকতাকো অগোচৰ কৰা হয়। আনহাতে, আদর্শবাদীসকলে আন্তর্জাতিক ৰাজনীতিত নৈতিক মূল্যবোধসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়ে। সেয়েহে তেওঁলোকে ভিন্ন ধৰণৰ স্বার্থৰ পৰা উদ্ভৱ হ'ব পৰা সংঘর্ষৰ বিষয়ে সজাগ নহয়।বাস্তৱবাদ আৰু আদর্শবাদৰ সমন্বয়ত গঢ়ি উঠা তত্ত্বৰ জৰিয়তেহে আন্তঃৰাষ্ট্রীয় ৰাজনীতিৰ প্রকৃত ছবি দাঙি ধৰিব পৰা যাব।

- বাস্তৱবাদী দৃষ্টিভংগী সম্পর্কে বিভিন্ন ধৰণৰ সমালোচনা আগবঢ়োৱা হয়। কিন্তু আন্তর্জাতিক সম্পর্কক এক পৃথক বিষয় হিচাপে গঢ়ি তোলাত বাস্তৱবাদৰ ভূমিকাক কোনেও নুই কৰিব নোৱাৰে। এই তত্ত্বৰ পুনৰ উত্থান হৈছে বিংশ শতিকাৰ ৮০ ৰ দশকৰ প্ৰাৰম্ভণিত। ৰোলছ (Waltz), গিলপিন্ (Gilpin), এক্সেলড়'ড (Axelrod), বুল (Bull) আৰু কিওহেইন (Keohane) আদিৰ নাম নব্য বাস্তৱবাদ গঢ়ি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তর্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তর্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra *,* Vinay Kumar (2006). *International Relations*.New Delhi: Anmol Publications Pvt.Ltd.

৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেইনহল্ড নেইবোৰ আৰু হেনছ জে মৰগেনথিউ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বাস্তৱবাদৰ দুটা বৈশিষ্ট্য হ'ল—

(ক) বাস্তৱবাদীসকলৰ মতে ইতিহাসে দেখুৱায় যে মানৱ অধর্মী আৰু দুষ্ট প্ৰকৃতিৰ।

(খ) মানুহে সকলো সময়তে ক্ষমতাৰ যুঁজত অৱতীর্ণ হয়। মানুহৰ ক্ষমতাৰ প্ৰতি থকা এনে দুর্বলতাই আটাইতকৈ ধ্বংসাত্মক আৰু ভয়ানক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাস্তৱবাদী দর্শনে ১৮ শ আৰু ১৯শ শতিকাৰ দ্বিতীয় আৰু বিশ্বযুদ্ধৰ পিচত পৰিপূর্ণতা লাভ কৰে। এই দৃষ্টিভংগীৰ মূল পৃষ্ঠপোষক হ'ল নেইবোৰ, জর্জ কেন্নান, কাৰ, স্পাইকমেন, কিছিংগাৰ আৰু অন্যান্য। এই তত্ত্বটোৰ মুখ্য পৃষ্ঠপোষক আছিল

হেনছ জে মৰগেনথিউ তেওঁৰ এই দৃষ্টিভংগীটোৰ তত্ত্বীয় ব্যাখ্যা আগবঢ়াইছিল। তেওঁৰ সমর্থকসকলে তেওঁৰ ধাৰণাসমূহ আগবঢ়াই লৈ গৈছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্থিতাৱস্থাৰ নীতি, সাম্রাজ্যবাদী নীতি আৰু সন্মানৰ নীতি।

৫ নং প্রশ্নৰ উত্তৰ ঃ মৰগেনথোৰ বাস্তৱবাদৰ মূল ছটা নীতি হ'ল—

(ক) মানৱ প্রকৃতিৰ চিৰন্তন বিধি।

(খ) ক্ষমতা লাভৰ জৰিয়তে জাতীয় স্বার্থ নিৰূপণ।

(গ) জাতীয় স্বার্থ গতিশীল।

(ঘ) সার্বজনীন নৈতিক নীতিসমূহ প্রযোজ্য নহয়।

(ঙ) ৰাষ্ট্রসমূহৰ নৈতিক অভিলাষ।

(চ) ৰাজনৈতিক স্বতন্ত্রতা।

৬ নং প্রশ্নৰ উত্তৰ ঃ আদর্শবাদ আৰু বাস্তৱবাদে সম্পূর্ণ দুটা পৃথক ধাৰণাক প্রতিনিধিত্ব কৰে। বাস্তৱবাদীসকলে ক্ষমতাৰ ৰাজনীতিক প্রতিনিধিত্ব কৰে, য'ত জাতীয় স্বার্থ সুৰক্ষিত কৰিবৰ বাবে নৈতিকতাকো অগোচৰ কৰা হয়। আনহাতে, আদর্শবাদীসকলে আন্তর্জাতিক ৰাজনীতিত নৈতিক মূল্যবোধসমূহৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তেওঁলোকে বাস্তৱ পৃথিৱীত চলি থকা ক্ষমতাকেন্দ্রিক ৰাজনীতি সম্পূর্ণৰূপে অগোচৰ কৰে। সেয়েহে তেওঁলোকে ভিন্ন ধৰণৰ স্বার্থৰ পৰা উদ্ভৱ হ'ব পৰা সংঘর্ষৰ বিষয়ে সজাগ নহয়। প্রকৃততে এই দুয়োটা পদ্ধতিৰ কোনো এটাই প্রকৃত আন্তর্জাতিক পৰিস্থিতিৰ প্রতিফলন নকৰে। সেয়েহে বাস্তৱবাদ আৰু আদর্শবাদৰ সমন্বয়ত গঢ়ি উঠা তত্ত্বৰ জৰিয়তেহে আন্তৰাষ্ট্রীয় ৰাজনীতিৰ প্রকৃত ছবি দাঙি ধৰিব পৰা যাব। আন্তর্জাতিক ৰাজনীতিত কর্তাসমূহৰ সংঘর্ষ আৰু সহযোগিতা দুয়োটা উপাদানেই থাকে।

৭ নং প্রশ্নৰ উত্তৰ ঃ

(ক) বাস্তৱবাদী দৃষ্টিভংগীৰ এইটো ভুল ধাৰণা যে ৰাষ্ট্রসমূহে একমাত্র ক্ষমতাৰ জৰিয়তে জাতীয় স্বার্থ সুৰক্ষিত কৰিব বিচাৰে। এনে অৱস্থাত ৰাষ্ট্রসমূহৰ মাজত সংঘর্ষ অব্যাহত থাকিব আৰু আন্তর্জাতিক সম্পর্ক সুসংবদ্ধ নহ'ব।

(খ) এইটো ভুল মন্তব্য যে ক্ষমতাৰ আহৰণ কৰাই ৰাষ্ট্রসমূহৰ মূল লক্ষ্য। ক্ষমতাৰ উপৰিও ৰাষ্ট্রসমূহৰ কেতবোৰ লক্ষ্য থকা দেখিবলৈ পোৱা যায়। সেয়া হ'ল সাংস্কৃতিক আৰু সামাজিক কল্যাণ, ৰাষ্ট্রসমূহৰ নিৰাপত্তা, আদর্শসমূহৰ উন্নয়ন ইত্যাদি।

(গ) এই দৃষ্টিভংগীৰ এইটো ভুল ধাৰণা যে ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্ক আৰু কার্যাৱলী একমাত্র ক্ষমতাৰ দ্বাৰা নিয়ন্ত্রিত হয়। স্বার্থৰ সংঘাতৰ লগতে ৰাষ্ট্রসমূহৰ মাজত সহযোগিতা আৰু সমন্বয়ৰ সম্পর্কও দেখা যায়।

(ঘ) মানৱ প্ৰকৃতি সম্পৰ্কে মৰগেনথিউৰ ধাৰণাই বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব। তেওঁ মানৱ প্ৰকৃতি সম্পৰ্কে এক নিৰাশাবাদী ধাৰণা আগবঢ়াইছিল। সাধাৰণতে মানুহৰ সকলো কাম-কাজ মানৱ অন্তৰণ বা প্ৰকৃতিৰ প্ৰতিফলন। সেয়েহে আন্তর্জাতিক আচৰণত মানৱ প্ৰকৃতিৰ প্ৰতিফলন ব্যাখ্যা কৰিলে ই সম্পূৰ্ণ নহয়। তেওঁৰ মানৱ প্ৰকৃতি সম্পৰ্কে থকা ধাৰণা অবিজ্ঞানসন্মত।



৩.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ বাস্তৱবাদী দৃষ্টিভংগীৰ দুজন সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ঃ বাস্তৱবাদীসকলৰ মতে পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়োজনীয় যিকোনো দুটা আহিলা উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ বাস্তৱবাদৰ ছটা নীতি কোনে আগবঢ়াইছিল?

প্ৰশ্ন ৪ঃ কোনে কৈছিল যে ৰাষ্ট্ৰসমূহৰ সকলোধৰণৰ ৰাজনৈতিক কাৰ্যৰ উদ্দেশ্য হ'ল ক্ষমতা আহৰণ, বৃদ্ধি আৰু প্ৰদৰ্শন কৰা?

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বাস্তৱবাদৰ উত্থানৰ বিষয়ে বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ আন্তর্জাতিক ৰাজনীতিত বাস্তৱবাদ আৰু আদৰ্শবাদৰ মাজত আপুনি কেনেদৰে সামঞ্জস্য কৰিব ?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আন্তর্জাতিক ৰাজনীতিত বাস্তৱবাদৰ অৰ্থ ব্যাখ্যা কৰক। বাস্তৱবাদৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ বাস্তৱবাদ দৃষ্টিভংগী সম্পৰ্কে মৰগেনথিউৰ মতামত তেওঁৰ ছটা নীতিৰ সৈতে আলোচনা কৰক। বাস্তৱবাদী দৃষ্টিভংগী সম্পৰ্কে বিভিন্ন ধৰণৰ সমালোচনাসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ৪ ঃ আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ ব্যৱস্থাপক দৃষ্টিভংগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান

৪.৪ ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যসমূহ

৪.৫ মর্টন কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগী

৪.৫.১ ব্যৱস্থাপক দৃষ্টিভংগীৰ সমালোচনাসমূহ

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্রগতিৰ খতিয়ান

৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান সম্পর্কে আলোচনা কৰিব পাৰিব
- ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- আন্তর্জাতিক ব্যৱস্থাত মর্টন কাপলানৰ ছটা আৰ্হিৰ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱস্থাপক দৃষ্টিভংগীৰ বিৰুদ্ধে থকা মূল আসোঁৱাহসমূহ আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ব্যৱস্থাপক দৃষ্টিভংগী আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আধুনিক দৃষ্টিভংগীবোৰৰ এটা। ই ৰাষ্ট্রবোৰৰ আচৰণৰ আন্তঃক্রিয়াৰ তাৎপর্য অধ্যয়নৰ ওপৰত জোৰ দিয়ে। এটা ব্যৱস্থা ভিতৰত ৰাষ্ট্রবোৰে অহৰহ আন্তঃক্রিয়া সম্পাদন কৰি থাকে। এই ব্যৱস্থাটোক আন্তর্জাতিক ব্যৱস্থা বোলে। প্রতিখন ৰাষ্ট্রই বিভিন্ন মাত্রাত আন্তর্জাতিক ব্যৱস্থাত অংশগ্রহণ কৰি থাকে। মেক্‌ক্লেলেণ্ডৰ মতে আন্তর্জাতিক ব্যৱস্থাত এখন ৰাষ্ট্রৰ আচৰণ এটা দ্বিমুখী প্রক্রিয়া-আন্তর্জাতিক পৰিৱেশৰ পৰা গ্রহণ কৰা আৰু আন্তর্জাতিক পৰিৱেশলৈ অৰিহণা আগবঢ়োৱা।

৪.৩ ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান

ব্যৱস্থাপক দৃষ্টিভংগী 'ব্যৱস্থা' নামৰ শব্দটোৰ পৰা উদ্ভৱ হৈছে। এটা ব্যৱস্থাত অন্তর্নিহিত হৈ থকা উপাদানসমূহ ইটো সিটোৰ লগত এনেধৰণে জড়িত হৈ থাকে যে ইয়াৰ এটা উপাদানৰ কিবা বিজুতি ঘটিলে আনবোৰ উপাদানৰ ওপৰতো ইয়াৰ প্রভাৱ পৰে। এটা ব্যৱস্থাৰ কেতবোৰ উপ-ব্যৱস্থা থকাও দেখিবলৈ পোৱা যায়।

আন্তর্জাতিক ব্যৱস্থা হ'ল কেতবোৰ ৰাষ্ট্ৰীয় আৰু কেতবোৰ অ-ৰাষ্ট্ৰীয় কর্তাৰ মাজৰ সম্পর্ক আৰু নির্ভৰশীলতাৰ মাজৰ আন্তঃক্রিয়া। আন্তর্জাতিক ব্যৱস্থাৰ এনেধৰণৰ ধাৰণাসমূহ ইউৰোপত জাতিভিত্তিক ৰাষ্ট্ৰসমূহ গঢ় লোৱাৰ লগে লগে গঢ়ি উঠিছিল। ইয়াৰ পূর্বেও অৱশ্যে ৰাষ্ট্ৰীয় ব্যৱস্থা থকা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে ৬ হেজাৰ বছৰ পূর্বেও নগৰ-ৰাষ্ট্ৰৰ ব্যৱস্থা আছিল। কিন্তু এনেধৰণৰ ব্যৱস্থাসমূহ কেতবোৰ নির্দিষ্ট অঞ্চল, যেনে— গ্ৰীচ, ইটালী, চীন আৰু ভাৰত আদি দেশৰ মাজতেই আবদ্ধ হৈ আছিল। এনেধৰণৰ ব্যৱস্থাসমূহৰ মাজত সম্পর্ক স্থাপন কৰাটো আৱশ্যকীয় নাছিল। সেই সময়ত আজিৰ দৰে কোনোধৰণৰ আন্তর্জাতিক ব্যৱস্থা দেখিবলৈ পোৱা নগৈছিল।

দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫) পিচত সমাজ বিজ্ঞানৰ শাখাসমূহত আচৰণবাদী আন্দোলনে গঢ় লৈ উঠা দেখিবলৈ পোৱা গৈছিল। ইয়াৰ ফলস্বৰূপে ব্যৱস্থাপক দৃষ্টিভংগীৰ সৃষ্টি হৈছিল। কিন্তু এইখিনি সময়তে বিভিন্ন সমাজবিজ্ঞানীসকলে জ্ঞানৰ একৰূপতা স্থাপন কৰিবলৈ সমাজবিজ্ঞানীসকলৰ সামাজিক বিজ্ঞানসমূহৰ একত্রীকৰণৰ ওপৰত গুৰুত্ব দিছিল। তেওঁলোকে সমাজৰ গোটেই পৰিস্থিতিৰ এক বিশ্লেষণাত্মক অধ্যয়ন কৰিব বিচাৰিছিল আৰু ইয়াৰ জৰিয়তে তেওঁলোকে সমাজৰ প্রকৃত পৰিস্থিতিত বিভিন্ন দিশ ফঁহিয়াই চাই সত্যনিষ্ঠ জ্ঞান লাভ কৰিব বিচাৰিছিল। সেয়েহে তেওঁলোকে আন্তঃসমাজবিজ্ঞানমুখী অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব দিছিল।

এই দৃষ্টিভংগী পোনপ্রথমে ডেভিদ ইষ্টন আৰু গেব্রিয়েল এলমণ্ডে ৰাজনীতি বিজ্ঞানত ব্যৱহাৰ কৰিছিল। আনহাতে মর্টন কাপলান আৰু মেকক্লিলেণ্ডে পোনপ্রথমবাৰৰ বাবে আন্তর্জাতিক ৰাজনীতিত ব্যৱহাৰ কৰিছিল। ইয়াৰ পিচৰ পর্যায়ত বিভিন্ন ৰাজনৈতিক পণ্ডিত, যেনে— কেন্নেথ বলদিং (Kenneth Boulding) আদিয়ে এই তত্ত্বটোৰ বিকাশ সাধন কৰে। তাৰ উপৰিও মর্টন কাপলানে এইক্ষেত্রত বিজ্ঞানসম্মত নীতি গ্রহণ কৰে। তেওঁ ঘোষণা কৰে যে আন্তর্জাতিক ৰাজনীতিৰ বিজ্ঞানসম্মত অধ্যয়নৰ বাবে ব্যৱস্থাপক দৃষ্টিভংগীসমূহৰ অতিকৈ প্রয়োজন। তেওঁৰ উপৰিও আন আন লেখকসমূহ যিয়ে এই তত্ত্বটো সমর্থন কৰে, তেওঁলোক হ'ল— জেমছ ৰজনেও (James Rosenau), ৰিচার্ড ৰছক্রেন্স (Richard Rosecrance), জন বাৰটন (John Burton), ডেভিদ ছিংগাৰ (David Singer), কার্ল দাটছ (Karl Deutsch), কে জে হলচটি (K. J. Holstey), জর্জ মেদেলস্কি (George Madelski) আৰু অন্যান্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ জন্ম হয় দ্বিতীয় মহাসমৰৰ পিচত সমাজ বিজ্ঞানসমূহত গঢ় লৈ উঠা আচৰণবাদী বিপ্লৱৰ পৰা। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ঃ পোনপ্রথমবাৰৰ বাবে কোনে আন্তর্জাতিক ৰাজনীতিত ব্যৱস্থাপক দৃষ্টিভংগীৰ ব্যৱহাৰ কৰিছিল?

.....

প্রশ্ন নং ৩ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....

.....

৪.৪ ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যসমূহ

ব্যৱস্থাপক দৃষ্টিভংগী এইটো ধাৰণাৰ ওপৰত প্রতিষ্ঠিত যে বর্তমান বিশ্বত এক সর্বব্যাপী আন্তর্জাতিক ব্যৱস্থা দেখিবলৈ পোৱা যায়। এই দৃষ্টিভংগী অনুসৰি আন্তর্জাতিক ৰাজনীতিৰ জন্ম হৈছে আন্তর্জাতিক কর্তাসমূহৰ আচৰণৰ পৰা, যেনে— ৰাষ্ট্র আৰু অ-ৰাষ্ট্রীয় সংগঠনসমূহ (আন্তর্জাতিক সংগঠনসমূহ)। ব্যৱস্থাপক দৃষ্টিভংগীৰ সমর্থকসকলৰ মতে যদি আমি আন্তর্জাতিক পর্যায়ত এনে কর্তাসমূহৰ আচৰণসমূহ ভালদৰে ফঁহিয়াই চাবলৈ শিকোঁ, তেতিয়াই আন্তর্জাতিক ৰাজনীতি আমাৰ বাবে বোধগম্য হ'ব। মর্টন কাপলানৰ মতে আন্তর্জাতিক পর্যায়ত দুই প্রকাৰৰ কর্তা থকা দেখিবলৈ পোৱা যায়। ৰাষ্ট্রীয় কর্তা আৰু অধি-ৰাষ্ট্রীয় কর্তা। ৰাষ্ট্রীয় কর্তাসমূহে জাতীয় ৰাষ্ট্র, যেনে—ইংলেণ্ড, আমেৰিকা, ভাৰত, ফ্রান্স আদিক সূচায়। অধি-ৰাষ্ট্রীয় কর্তাসমূহে আন্তর্জাতিক কর্তাসমূহক সাঙুৰি লয়, যেনে— ৰাষ্ট্রসংঘ, ইউৰোপীয় সংঘ, নেটো ইত্যাদি। ইয়াৰ প্রতিটো কর্তাই আন্তর্জাতিক পৰিৱেশত প্রতিক্রিয়া কৰে। এই প্রতিক্রিয়া বা আন্তঃক্রিয়াৰ পৰাই আন্তর্জাতিক ৰাজনীতিৰ জন্ম হয়। এই দৃষ্টিভংগীৰ সমর্থসকলৰ মতে এনে কর্তাসমূহৰ আচৰণত কিছুমান সামঞ্জস্য থকা দেখিবলৈ পোৱা যায়।

ব্যৱস্থাপক দৃষ্টিভংগীৰ মূল বৈশিষ্ট্যসমূহ এনেধৰণৰ—

- এই দৃষ্টিভংগী অনুসৰি আন্তর্জাতিক ৰাজনীতি হ'ল বিভিন্ন কর্তাসমূহৰ জৰিয়তে গঢ় লৈ উঠা আন্তর্জাতিক ব্যৱস্থা।
- আন্তর্জাতিক ৰাজনীতিয়ে ৰাষ্ট্রীয় আৰু অধি-ৰাষ্ট্রীয় সংগঠন, যেনে আন্তর্জাতিক সংগঠন আদিৰ আন্তঃক্রিয়া সামৰি লয়।
- আন্তর্জাতিক ৰাজনীতিয়ে ৰাষ্ট্রীয় আৰু অধি-ৰাষ্ট্রীয় সংগঠনসমূহৰ সম্পর্কসমূহ অধ্যয়ন কৰে।
- এই দৃষ্টিভংগীৰ মতে যেতিয়া কোনো ৰাষ্ট্রই আন ৰাষ্ট্রৰ লগত সম্পর্ক স্থাপন কৰে, তেতিয়া সকলো ৰাষ্ট্রই ৰাষ্ট্রীয় স্বার্থৰ দ্বাৰা প্রভাৰিত হয়।
- এই দৃষ্টিভংগী অনুসৰি জাতীয় ৰাষ্ট্রসমূহৰ আন্তঃক্রিয়াবিলাকত কিছুমান সামঞ্জস্য থকা দেখিবলৈ পোৱা যায়।

আন্তর্জাতিক ৰাজনীতিৰ অধ্যয়ন, আলোচনা অথবা বিশ্লেষণত ব্যৱস্থাপক দৃষ্টিভংগীৰ ব্যৱহাৰে কেৱল আমাৰ জ্ঞানবর্ধনেই নহয়, ৰঞ্চ ই আমাক আন্তর্জাতিক ৰাজনীতিৰ তত্ত্ব অধিক গভীৰভাৱে আয়ত্ত কৰাৰ ক্ষেত্রত যথেষ্ট সহায় কৰিব।



জানি থোৱা ভাল

এটা ব্যৱস্থাৰ কিছুমান নিজা উপ-ব্যৱস্থা থাকিব পাৰে। সেইদৰে আন্তর্জাতিক ব্যৱস্থাৰো কিছুমান উপ-ব্যৱস্থা থকা দেখিবলৈ পোৱা যায়। মিখেল হাছে ২০ টা আন্তর্জাতিক উপ-ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা আগবঢ়াইছে।

শীতল যুদ্ধৰ পৰিসমাপ্তি ঘটাৰ পিচত বিশ্বত বহুকেন্দ্রিক ৰাজনীতিয়ে গঢ় লৈ উঠা দেখিবলৈ পোৱা যায়, যিটোৱে ক্ষমতাৰ ভাৰসাম্য নীতিৰ পুনৰ উত্থান হোৱাটোকে সূচায়। ছেমুৱেল পি হান্টিংটনে কিছুমান সভ্যতাৰ বিষয়ে আলোচনা কৰি সাতটা বা আঠটা মুখ্য সভ্যতাৰ বিষয়ে উল্লেখ কৰি থৈ গৈছে। কিছুমানৰ মতে একধৰণৰ নতুন এককেন্দ্রিক আৰ্হিয়ে দেখা দিব, যেনে— শীতল যুদ্ধৰ পৰৱর্তী কালছোৱাত আন্তর্জাতিক ব্যৱস্থাত আমেৰিকাই একমাত্র মহাশক্তিৰূপে দেখা দিছে, গোলকীয় গাঁৱৰ সৃষ্টি হ'ব ইত্যাদি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ মর্টন কাপলানৰ মতে আন্তর্জাতিক পর্যায়ত দুই ধৰণৰ কর্তা থকা দেখিবলৈ পোৱা যায় ঃ ৰাষ্ট্রীয় কর্তা আৰু ..... কর্তা। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৫ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ যিকোনো চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ঃ যিকোনো দুটা অধি-ৰাষ্ট্রীয় কর্তাৰ নাম উল্লেখ কৰক।

.....

৪.৫ মর্টন কাপলানৰ ব্যৱস্থাপক দৃষ্টিভংগী

মর্টন এ. কাপলান হৈছে ব্যৱস্থাপক দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষক। তেওঁৰ মতে আন্তর্জাতিক ৰাজনীতিত কোনো বিষয় অধ্যয়ন কৰিবলৈ হ'লে ব্যৱস্থাৰ ধাৰণাই আটাইতকৈ গ্রহণযোগ্য। কাপলানৰ মতে আন্তর্জাতিক ৰাজনীতিত কিছুমান সংবদ্ধতা আৰু সামঞ্জস্য দেখিবলৈ পোৱা যায়। আন্তর্জাতিক ৰাজনীতিয়ে দুটা ব্যৱস্থাক সূচায়— আন্তর্জাতিক ব্যৱস্থা আৰু জাতীয় ৰাষ্ট্র ব্যৱস্থা। এই জাতীয় ৰাষ্ট্রসমূহে আন্তর্জাতিক ৰাজনীতিত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে; কিন্তু এইবিলাকৰ ভূমিকা আন্তর্জাতিক ব্যৱস্থাত সময়ে সময়ে পৰিবর্তিত হৈ থাকে। আন্তর্জাতিক ব্যৱস্থাৰ মূল ছটা আৰ্হি হ'ল—

মর্টন এ. কাপলানঃ এওঁ চিকাগো বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ প্রফেচৰ এমেৰিটাছ আছিল।

১। ক্ষমতাৰ ভাৰসাম্য নীতিৰ ব্যৱস্থা।

২। শিথিল দ্বি-মেৰু ব্যৱস্থা।

৩। দৃঢ় দ্বি-মেৰু ব্যৱস্থা।

৪। সার্বজনীন আন্তর্জাতিক ব্যৱস্থা।

৫। অধিক্রমিক আন্তর্জাতিক ব্যৱস্থা।

৬। একক ভেটো ব্যৱস্থা।

১। **ক্ষমতাৰ ভাৰসাম্য নীতিৰ ব্যৱস্থা ঃ** এই ব্যৱস্থা ১৮শ আৰু ১৯শ শতিকাত ইউৰোপত দেখা দিছিল। এই তত্ত্বৰ মূল উদ্দেশ্য আছিল ৰাজনৈতিক মূল শক্তিসমূহৰ মাজত এক ভাৰসাম্যৰ সৃষ্টি কৰা, যাতে কোনো এখন শক্তিশালী ৰাষ্ট্রই অধিক শক্তিশালী হৈ তাৰ ক্ষমতা অন্যান্য ৰাষ্ট্রৰ ক্ষেত্রত প্রয়োগ নকৰে। ক্ষমতাৰ ভাৰসাম্য নীতি প্রধানতঃ ছটা নিয়মৰ ওপৰত প্রতিষ্ঠিত। সেইসমূহ হ'ল—

(ক) প্রতিখন ৰাষ্ট্রতন্ত্র বা ৰাষ্ট্রীয় কর্তাই যুদ্ধৰ বিপৰীতে আলোচনাৰ জৰিয়তেহে নিজৰ ক্ষমতা বৃদ্ধি কৰিব বিচাৰে। এই কর্তাসমূহে ক্ষমতাৰ ভাৰসাম্য প্রতিষ্ঠা কৰে, যাতে কোনো এটা কর্তাই অধিক শক্তিশালী হিচাপে দেখা দিব নোৱাৰে।

(খ) প্রতিখন ৰাষ্ট্রৰ মূল লক্ষ্য হ'ল ৰাষ্ট্রীয় স্বার্থক সুৰক্ষা প্রদান কৰা আৰু প্রয়োজনত ইয়াৰ বাবে যুদ্ধৰ আশ্রয়ো ল'ব পাৰি। সেয়েহে ইয়াত কোনো এটা কর্তা বা কর্তাসমূহে এনেধৰণৰ ব্যৱস্থা বর্তাই ৰাখে, য'ত ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্ক ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ জৰিয়তে নিয়ন্ত্রিত হয়।

(গ) এনে ব্যৱস্থাৰ পৰা কোনো এক প্রয়োজনীয় ৰাষ্ট্রীয় কর্তা নাইকিয়া হোৱা উচিত নহয়। ইয়াৰ ফলস্বৰূপে শক্তিশালী বিৰোধী পক্ষই যুদ্ধ ঘোষণা কৰিব পাৰে।

(ঘ) ৰাষ্ট্রীয় কর্তাসমূহে আন্তর্জাতিক ব্যৱস্থাক আঘাত কৰা অন্যান্য কর্তাসমূহৰ সংগঠন বা সহযোগিতা মষিমূৰ কৰিব লাগে।

(ঙ) ৰাষ্ট্রীয় কর্তাসমূহে আন কর্তাসমূহক অ-ৰাষ্ট্রীয় নীতিসমূহ পালন কৰাৰ পৰা বিৰত ৰাখিব লাগে।

(চ) এক পৰাজিত ৰাষ্ট্রীয় কর্তাক পুনৰ এই ব্যৱস্থাত অংশগ্রহণ কৰাৰ সুযোগ দিব লাগে।

২। **শিথিল দ্বি-মেৰু ব্যৱস্থা ঃ** যেতিয়া ক্ষমতাৰ ভাৰসাম্য নীতি ব্যৱস্থাৰ অৱসান ঘটে, তেতিয়া দ্বি-মেৰু ব্যৱস্থাই দেখা দিয়ে। দ্বি-মেৰু ব্যৱস্থাক দুই ভাগত ভগাব পাৰি— শিথিল দ্বি-মেৰু ব্যৱস্থা আৰু দৃঢ় দ্বি-মেৰু ব্যৱস্থা।

শিথিল দ্বি-মেৰু ব্যৱস্থাত দুটা মুখ্য শক্তিগোষ্ঠীয়ে আন আন ৰাষ্ট্রসমূহক নিজৰ নিজৰ সংগঠনত যোগদান দিবলৈ আহ্বান কৰে আৰু দুটা প্রতিদ্বন্দ্বিতামূলক শক্তি গোষ্ঠী গঢ় লৈ উঠে। তাৰ উপৰিও এই পর্যায়ত এই শক্তিগোষ্ঠীসমূহৰ শিথিলতা থকা দেখিবলৈ পোৱা যায়। ইয়াত নিজৰ নিজৰ মেৰুত যোগ দিয়া সদস্যসকলৰ মাজতে মতভেদ থকা দেখা যায়। ইয়াত কিছুমান অ-ৰাষ্ট্রীয় আৰু আঞ্চলিক কর্তাও থকা দেখিবলৈ পোৱা



গোষ্ঠীনিৰপেক্ষ আন্দোলন ঃ কিছুমান ৰাষ্ট্রই, বিশেষকৈ, শীতল যুদ্ধৰ সময়ছোৱাত আমেৰিকা আৰু কমিউনিষ্ট ৰাছিয়া দুয়োটা শক্তিগোষ্ঠীৰ পৰা সম দূৰত্বত অৱস্থান কৰা নীতি।

যায়। শিথিল দ্বি-মেৰু ব্যৱস্থাৰ দুটা শক্তিগোষ্ঠী হ'ল আমেৰিকা আৰু ছোভিয়েট ৰাছিয়া, **গোষ্ঠীনিৰপেক্ষ** কৰ্তাসমূহ আৰু সার্বজনীন কৰ্তাসমূহ, যেনে— ৰাষ্ট্রসংঘ।

৩। **দৃঢ় দ্বি-মেৰু ব্যৱস্থা ঃ** শিথিল দ্বি-মেৰু ব্যৱস্থাৰ পিচত দেখা দিয়া আন এটা ব্যৱস্থা হ'ল দৃঢ় দ্বি-মেৰু ব্যৱস্থা। এই ব্যৱস্থাত দুয়োটা শক্তিগোষ্ঠীৰ মাজত দৃঢ় প্রভেদ থকা দেখিবলৈ পোৱা যায়। আৰু গোষ্ঠীনিৰপেক্ষ শক্তিগোষ্ঠীসমূহৰ হয়তো বিলুপ্তি সাধন হয়, নাইবা ইয়াৰ গুৰুত্ব হ্রাস পায়। ইয়াত মুখ্য দুটা শক্তিগোষ্ঠীয়ে আন কোনো শক্তিগোষ্ঠীক প্রশ্রয় দিব নিবিচাৰে আৰু তেওঁলোক অধিক প্রভাৱশালী হৈ উঠে।

৪। **সার্বজনীন আন্তর্জাতিক ব্যৱস্থা ঃ** এই ব্যৱস্থাটোত গোটেই বিশ্বতে এক মুক্ত ৰাষ্ট্র গঢ় লৈ উঠা দেখিবলৈ পোৱা যায়। এনে ব্যৱস্থা তেতিয়াহে সম্ভৱ হয়, যেতিয়া ৰাষ্ট্রসংঘৰ দৰে আন্তর্জাতিক সংগঠনসমূহে যুদ্ধ বন্ধ কৰাৰ শক্তিশালী ভূমিকা ল'ব পাৰে। তেনেস্থলত দ্বি-মেৰু ব্যৱস্থাৰ অৱসান ঘটিব আৰু জাতীয় ৰাষ্ট্রসমূহে যথেষ্ট পৰিমাণে স্বতন্ত্রতা লাভ কৰিব। আন্তর্জাতিক সংগঠনসমূহে এই পর্যায়ত মুক্তভাৱে ন্যায়িক, অর্থনৈতিক, ৰাজনৈতিক আৰু প্রশাসনিক কার্য পৰিচালনা কৰিব পাৰে।

৫। **অধিক্রমিক আন্তর্জাতিক ব্যৱস্থা ঃ** এই ব্যৱস্থা তেতিয়া উদ্ভৱ হয়, যেতিয়া কোনো এক শক্তিশালী সার্বজনীন সংগঠনে গোটেই বিশ্বতে এক শক্তিশালী ভূমিকা ল'ব পাৰে। ইয়াত এখন মাত্র ৰাষ্ট্রই সার্বজনীন কর্তা হিচাপে পৰিচয় লাভ কৰে। এই ব্যৱস্থাত জাতীয় ৰাষ্ট্রসমূহে সার্বভৌম আৰু স্বাধীন ৰাজনৈতিক গোট হিচাপে ভূমিকা পালন কৰাৰ পৰিৱর্তে ভৌগোলিক ভূখণ্ড হিচাপেহে কার্যনির্বাহ কৰে। এই পর্যায়ত বিশ্বজয়ৰ ইচ্ছা অন্তর্নিহিত হৈ থাকে। এই পর্যায়ত অধিক্রম নীতি অনুসৰি ৰাষ্ট্রসমূহে আন্তর্জাতিক ব্যৱস্থাত স্থান লাভ কৰে। যেতিয়া এনেধৰণৰ ব্যৱস্থা প্রতিষ্ঠিত হয়, তেতিয়া ৰাজনীতি একমাত্র শক্তিৰ দ্বাৰা পৰিচালিত হয়।

৬। **একক ভেটো ব্যৱস্থা ঃ** এই ব্যৱস্থাত এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হয়, য'ত বহু শক্তিগোষ্ঠীয়ে দেখা দিয়ে আৰু সকলো ৰাষ্ট্রই সমান ক্ষমতাশালী হয়। ইয়াত প্রতিখন ৰাষ্ট্রই এনেধৰণৰ ধ্বংসাত্মক অস্ত্র-শস্ত্রৰ গৰাকী হয়, যাতে ই নিমিষতে আন ৰাষ্ট্রক ধ্বংস কৰিব পাৰে। ইয়াৰ ফলত একক ভেটো ব্যৱস্থাৰ জৰিয়তে আন্তর্জাতিক ৰাজনীতিত এক স্থিৰতা আহি পৰে। জাতীয় ৰাষ্ট্রসমূহে এনে ধ্বংসাত্মক ভাবুকিৰ পৰা দূৰত থাকে আৰু আক্রমণৰ পৰাও বিৰত থাকে।

৪.৫.১ ব্যৱস্থাপক দৃষ্টিভংগীৰ সমালোচনাসমূহ

পাঠটোৰ এই ভাগত ব্যৱস্থাপক দৃষ্টিভংগীৰ মাজত অন্তর্নিহিত কিছুমান আসোঁৱাহৰ বিষয়ে আলোচনা কৰা হৈছে। সেইবোৰ হ'ল—

- প্রথমতে, ব্যৱস্থাপক দৃষ্টিভংগীৰ কিছুমান পদ্ধতিগত আসোঁৱাহ থকে। ইয়াৰ কিছুমান ধাৰণা বাস্তৱত পৰীক্ষা কৰি চাব নোৱাৰি আৰু ইয়াৰ আচৰণ অ-প্রাকৃতিক।

- দ্বিতীয়তে, এইটো এটা আধৰুৱা তত্ত্ব। এই তত্ত্বটোৱে আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আন বহুতো ধাৰণা অগোচৰ কৰিছে। কাপলানে কেতিয়াও শক্তিক ৰাষ্ট্রীয় আচৰণ নির্ধাৰণৰ এক উল্লেখনীয় বৈশিষ্ট্য হিচাপে গ্রহণ কৰা নাই।
- তৃতীয়তে, কাপলানৰ ছটা নীতি বহুতো লেখকে অযুক্তিসংগত বুলি অভিহিত কৰিছে। এই ছটা নীতিৰ ভিতৰত একমাত্র প্রথম দুটাহে বাস্তৱ পৰিস্থিতিত অধ্যয়ন কৰিব পৰা যায়। আনহাতে ক্ষমতাৰ ভাৰসাম্য নীতি সাধাৰণতে ১৮শ আৰু ১৯শ শতিকাতহে বাহাল আছিল। আনহাতে, শিথিল দ্বি-মেৰু ব্যৱস্থা বিংশ শতিকাৰ ৫০ আৰু ৬০ৰ দশকত প্রচলিত আছিল। ১৯৯০ চনৰ শীতল যুদ্ধৰ পৰিসমাপ্তি ঘটাৰ পিচত গোটেই বিশ্বতে বহুকেন্দ্রিক ব্যৱস্থাৰ উদ্ভৱ হোৱা দেখা গৈছে।

  গতিকে কাপলানৰ আন চাৰিটা নীতি কেতিয়াও ইতিহাসত আৱির্ভাৱ হোৱা দেখা পোৱা নাযায়। সেয়েহে এই তত্ত্বটোক অবাস্তৱ বুলি ধৰা হয়।
- চতুর্থতে, শিথিল দ্বি-মেৰু ব্যৱস্থা কোনো পৰিস্থিতিতে দৃঢ় দ্বি-মেৰু ব্যৱস্থাত পৰিণত হ'ব নোৱাৰে, যদিহে তাত গোষ্ঠীনিৰপেক্ষ ৰাষ্ট্রসমূহ নাথাকে। কিন্তু বাস্তৱত দেখা যায় যে ইখনৰ পিচত সিখন ৰাষ্ট্রই গোষ্ঠীনিৰপেক্ষ আন্দোলনত যোগদান দিছিল।

উপৰোক্ত আসোঁৱাহসমূহ থকা সত্ত্বেও ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্ক অধ্যয়নৰ বাবে ব্যৱস্থাপক দৃষ্টিভংগীয়ে আটাইতকৈ গ্রহণযোগ্য। কাপলানে নিজৰ ছটা আর্হিৰ জৰিয়তে এক পদ্ধতিগত তত্ত্বৰ উদ্ভাৱন কৰিছিল। ব্যৱস্থাপক দৃষ্টিভংগীয়ে ভৱিষ্যতে কি হ'ব সেইটো সঠিককৈ কোৱা নাছিল, ৰৰং ভৱিষ্যতে আন্তর্জাতিক ক্ষেত্রত কেনেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে তাৰহে উমান দিছিল। ব্যৱস্থাপক দৃষ্টিভংগীৰ প্রয়োগে আন্তর্জাতিক ৰাজনীতিৰ প্রকৃতি ব্যাখ্যা, ধাৰণা আৰু নিয়ন্ত্রণ কৰাত বহু পৰিমাণে সহায় কৰে।



জানি থোৱা ভাল

মর্টন কাপলানে যিখন গ্রন্থত ব্যৱস্থাপক দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিছিল সেই গ্রন্থখনৰ নাম হ'ল Systems and Process in International Politics' (১৯৫৭).



চিন্তা-চর্চা কৰক ৪.১

বর্তমানৰ পৰিস্থিতিত ব্যৱস্থাপক দৃষ্টিভংগী অৱলম্বন কৰি আন্তর্জাতিক ৰাজনীতিৰ এক ব্যাখ্যা দাঙি ধৰিবলৈ চেষ্টা কৰক।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ আন্তর্জাতিক ব্যৱস্থাত মর্টন কাপলানে আগবঢ়োৱা ছটা আৰ্হি কি কি?

.....

.....

.....

প্রশ্ন নং ৮ঃ ক্ষমতাৰ ভাৰসাম্য নীতি প্রতিষ্ঠিত হোৱা নিয়মসমূহ উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৯ঃ শিথিল দ্বি-মেৰু ব্যৱস্থাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....

.....

প্রশ্ন নং ১০ঃ ব্যৱস্থাপক দৃষ্টিভংগী সম্পর্কে যিকোনো দুটা সমালোচনা আগবঢ়াওক।

.....

.....

.....

.....

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যৱস্থাপক দৃষ্টিভংগী হৈছে আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ এক আধুনিক দৃষ্টিভংগী। ব্যৱস্থাপক দৃষ্টিভংগীয়ে আন্তর্জাতিক ৰাজনীতিক আন্তর্জাতিক কর্তাসমূহৰ ৰাষ্ট্ৰ আৰু অ-ৰাষ্ট্ৰীয় সংগঠনৰ আচৰণৰ এক ব্যৱস্থাপক হিচাপে অধ্যয়ন কৰে।
- ব্যৱস্থাপক দৃষ্টিভংগী 'ব্যৱস্থা' নামৰ শব্দটোৰ পৰা উদ্ভৱ হৈছে। এটা ব্যৱস্থাত অন্তর্নিহিত হৈ থকা উপাদানসমূহ ইটো সিটোৰ লগত এনেধৰণে জড়িত হৈ থাকে যে ইয়াৰ এটা উপাদানৰ কিবা বিজুতি ঘটিলে আনবোৰ উপাদানৰ ওপৰতো ইয়াৰ প্রভাৱ পৰে। এটা ব্যৱস্থাৰ কেতবোৰ উপ-ব্যৱস্থা থকাও দেখিবলৈ পোৱা যায়।

- আন্তর্জাতিক ব্যৱস্থা হ'ল কেতবোৰ ৰাষ্ট্ৰীয় আৰু কেতবোৰ অ-ৰাষ্ট্ৰীয় কর্তাৰ মাজৰ সম্পর্ক আৰু নির্ভৰশীলতাৰ মাজৰ আন্তঃক্ৰিয়া। আন্তর্জাতিক ব্যৱস্থাৰ এনেধৰণৰ ধাৰণাসমূহ ইউৰোপত জাতিভিত্তিক ৰাষ্ট্ৰসমূহ গঢ় লোৱাৰ লগে লগে গঢ়ি উঠিছিল।
- দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫) পিচত সমাজ বিজ্ঞানৰ শাখাসমূহত আচৰণবাদী আন্দোলনে গঢ় লৈ উঠা দেখিবলৈ পোৱা গৈছিল। ইয়াৰ ফলস্বৰূপে ব্যৱস্থাপক দৃষ্টিভংগীৰ সৃষ্টি হৈছিল।
- এই দৃষ্টিভংগী পোনপ্ৰথমে ডেভিদ ইষ্টন আৰু গেব্ৰিয়েল এলমণ্ডে ৰাজনীতি বিজ্ঞানত ব্যৱহাৰ কৰিছিল। আনহাতে মর্টন কাপলান আৰু মেকক্লিলেণ্ডে পোনপ্ৰথমবাৰৰ বাবে আন্তর্জাতিক ৰাজনীতিত ব্যৱহাৰ কৰিছিল। ইয়াৰ পিচৰ পর্যায়ত বিভিন্ন ৰাজনৈতিক পণ্ডিত, যেনে— কেন্নেথ বলদিং (Kenneth Boulding) আদিয়ে এই তত্ত্বটোৰ বিকাশ সাধন কৰে। মর্টন কাপলানে এই ব্যৱস্থাপক দৃষ্টিভংগীৰ ক্ষেত্ৰত বিজ্ঞানসন্মত নীতি গ্ৰহণ কৰিছিল।
- ব্যৱস্থাপক দৃষ্টিভংগী এইটো ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত যে বর্তমান বিশ্বত এক সর্বব্যাপী আন্তর্জাতিক ব্যৱস্থা দেখিবলৈ পোৱা যায়। এই দৃষ্টিভংগী অনুসৰি আন্তর্জাতিক ৰাজনীতিৰ জন্ম হৈছে আন্তর্জাতিক কর্তাসমূহৰ আচৰণৰ পৰা, যেনে— ৰাষ্ট্ৰ আৰু অ-ৰাষ্ট্ৰীয় সংগঠনসমূহ (আন্তর্জাতিক সংগঠনসমূহ)।
- ব্যৱস্থাপক দৃষ্টিভংগীৰ সমর্থকসকলৰ মতে যদি আমি আন্তর্জাতিক পর্যায়ত এনে কর্তাসমূহৰ আচৰণসমূহ ভালদৰে ফঁহিয়াই চাবলৈ শিকোঁ, তেতিয়াই আন্তর্জাতিক ৰাজনীতি আমাৰ বাবে বোধগম্য হ'ব।
- মর্টন কাপলানৰ মতে আন্তর্জাতিক পর্যায়ত দুই প্ৰকাৰৰ কর্তা থকা দেখিবলৈ পোৱা যায়। ৰাষ্ট্ৰীয় কর্তা আৰু অধিৰাষ্ট্ৰীয় কর্তা। ৰাষ্ট্ৰীয় কর্তাসমূহে জাতীয় ৰাষ্ট্ৰ, যেনে— ইংলেণ্ড,আমেৰিকা, ভাৰত, ফ্ৰান্স আদিক সূচায়। অধি-ৰাষ্ট্ৰীয় কর্তাসমূহে আন্তর্জাতিক কর্তাসমূহক সাঙুৰি লয়, যেনে— ৰাষ্ট্ৰসংঘ, ইউৰোপীয় সংঘ, নেটো ইত্যাদি। ইয়াৰ প্ৰতিটো কর্তাই আন্তর্জাতিক পৰিৱেশত প্ৰতিক্ৰিয়া কৰে। এই প্ৰতিক্ৰিয়া বা আন্তঃক্ৰিয়াৰ পৰাই আন্তর্জাতিক ৰাজনীতিৰ জন্ম হয়।
- মর্টন কাপলান ব্যৱস্থাপক দৃষ্টিভংগীৰ মুখ্য পৃষ্ঠপোষক। মর্টন কাপলানে আন্তর্জাতিক ব্যৱস্থাৰ ছটা আর্হি আগবঢ়াইছে। এইবোৰ হ'ল — ক্ষমতাৰ ভাৰসাম্য নীতিৰ ব্যৱস্থা, শিথিল দ্বিমেৰু ব্যৱস্থা, দৃঢ় দ্বি-মেৰু ব্যৱস্থা, সার্বজনীন আন্তর্জাতিক ব্যৱস্থা, অধিক্ৰমিক আন্তর্জাতিক ব্যৱস্থা আৰু একক ভেটো ব্যৱস্থা।
- ব্যৱস্থাপক দৃষ্টিভংগীৰ সম্পর্কে বিভিন্ন ধৰণৰ সমালোচনা আগবঢ়োৱা হয়। এইবোৰ হ'ল — ব্যৱস্থাপক দৃষ্টিভংগীৰ কিছুমান পদ্ধতিগত আসোঁৱাহ আছে, এইটো এটা আধৰুৱা তত্ত্ব। মর্টন কাপলানৰ তত্ত্বটোও বহুতো লেখকে সমালোচনা কৰিছে।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem.(2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra *,* Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

৪. ৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মৰ্টন কাপলান, মেকক্লেলেণ্ড

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয় মহাযুদ্ধৰ (১৯৩৯-১৯৪৫) পিচত সমাজ বিজ্ঞানৰ শাখাসমূহত আচৰণবাদী আন্দোলনে গঢ় লৈ উঠা দেখিবলৈ পোৱা গৈছিল। ইয়াৰ ফলস্বৰূপে ব্যৱস্থাপক দৃষ্টিভংগীৰ সৃষ্টি হৈছিল। কিন্তু এইখিনি সময়তে বিভিন্ন সমাজবিজ্ঞানীসকলে জ্ঞানৰ একৰূপতা স্থাপন কৰিবলৈ সমাজবিজ্ঞানীসকলৰ সামাজিক বিজ্ঞানসমূহৰ একত্ৰীকৰণৰ ওপৰত গুৰুত্ব দিছিল। তেওঁলোকে সমাজৰ গোটেই পৰিস্থিতিৰ এক বিশ্লেষণাত্মক অধ্যয়ন কৰিব বিচাৰিছিল আৰু ইয়াৰ জৰিয়তে তেওঁলোকে সমাজৰ প্ৰকৃত পৰিস্থিতিত বিভিন্ন দিশ ফঁহিয়াই চাই সত্যনিষ্ঠ জ্ঞান লাভ কৰিব বিচাৰিছিল। সেয়েহে তেওঁলোকে আন্তঃসমাজবিজ্ঞানমুখী অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই দৃষ্টিভংগী পোনপ্ৰথমে ডেভিদ ইষ্টন আৰু গেব্ৰিয়েল এলমণ্ডে ৰাজনীতি বিজ্ঞানত ব্যৱহাৰ কৰিছিল। আনহাতে মৰ্টন কাপলান আৰু মেকক্লিলেণ্ডে পোনপ্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক ৰাজনীতিত ব্যৱহাৰ কৰিছিল। ইয়াৰ পিচৰ পৰ্যায়ত বিভিন্ন

ৰাজনৈতিক পণ্ডিত, যেনে— কেন্নেথ বলদিং (Kenneth Boulding) আদিয়ে এই তত্ত্বটোৰ বিকাশ সাধন কৰে। তাৰ উপৰিও মর্টন কাপলানে এইক্ষেত্রত বিজ্ঞানসন্মত নীতি গ্রহণ কৰে। তেওঁ ঘোষণা কৰে যে আন্তর্জাতিক ৰাজনীতিৰ বিজ্ঞানসন্মত অধ্যয়নৰ বাবে ব্যৱস্থাপক দৃষ্টিভংগীসমূহৰ অতিকৈ প্রয়োজন।

৪ নং প্রশ্নৰ উত্তৰ ঃ অধিৰাষ্ট্রীয়

৫ নং প্রশ্নৰ উত্তৰ ঃ

(ক) ব্যৱস্থাপক দৃষ্টিভংগী অনুসৰি আন্তর্জাতিক ৰাজনীতি হ'ল বিভিন্ন কর্তাসমূহৰ জৰিয়তে গঢ় লৈ উঠা আন্তর্জাতিক ব্যৱস্থা।

(খ) আন্তর্জাতিক ৰাজনীতিয়ে ৰাষ্ট্রীয় আৰু অধি-ৰাষ্ট্রীয় সংগঠন, যেনে আন্তর্জাতিক সংগঠন আদিৰ আন্তঃক্রিয়া সামৰি লয়।

(গ) আন্তর্জাতিক ৰাজনীতিয়ে ৰাষ্ট্রীয় আৰু অধি-ৰাষ্ট্রীয় সংগঠনসমূহৰ সম্পর্কসমূহ অধ্যয়ন কৰে।

(ঘ) এই দৃষ্টিভংগীৰ মতে যেতিয়া কোনো ৰাষ্ট্রই আন ৰাষ্ট্রৰ লগত সম্পর্ক স্থাপন কৰে, তেতিয়া সকলো ৰাষ্ট্রই ৰাষ্ট্রীয় স্বার্থৰ দ্বাৰা প্রভাৰিত হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রসংঘ আৰু ইউৰোপীয় সংঘ

৭ নং প্রশ্নৰ উত্তৰ ঃ

১। ক্ষমতাৰ ভাৰসাম্য ব্যৱস্থা। ২। শিথিল দ্বি-মেৰু ব্যৱস্থা।

৩। দৃঢ় দ্বি-মেৰু ব্যৱস্থা। ৪। সার্বজনীন আন্তর্জাতিক ব্যৱস্থা।

৫। অধিক্রমি আন্তর্জাতিক ব্যৱস্থা আৰু ৬। একক ভেটো ব্যৱস্থা।

৮ নং প্রশ্নৰ উত্তৰ ঃ

(ক) প্রতিখন ৰাষ্ট্রতন্ত্র বা ৰাষ্ট্রীয় কর্তাই যুদ্ধৰ বিপৰীতে আলোচনাৰ জৰিয়তেহে নিজৰ ক্ষমতা বৃদ্ধি কৰিব বিচাৰে। এই কর্তাসমূহে ক্ষমতাৰ ভাৰসাম্য প্রতিষ্ঠা কৰে, যাতে কোনো এটা কর্তাই অধিক শক্তিশালী হিচাপে দেখা দিব নোৱাৰে।

(খ) প্রতিখন ৰাষ্ট্রৰ মূল লক্ষ্য হ'ল ৰাষ্ট্রীয় স্বার্থক সুৰক্ষা প্রদান কৰা আৰু প্রয়োজনত ইয়াৰ বাবে যুদ্ধৰ আশ্রয়ো ল'ব পাৰি। সেয়েহে ইয়াত কোনো এটা কর্তা বা কর্তাসমূহে এনেধৰণৰ ব্যৱস্থা বর্তাই ৰাখে, য'ত ৰাষ্ট্রসমূহৰ মাজৰ সম্পর্ক ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ জৰিয়তে নিয়ন্ত্রিত হয়।

(গ) এনে ব্যৱস্থাৰ পৰা কোনো এক প্রয়োজনীয় ৰাষ্ট্রীয় কর্তা নাইকিয়া হোৱা উচিত নহয়। ইয়াৰ ফলস্বৰূপে শক্তিশালী বিৰোধী পক্ষই যুদ্ধ ঘোষণা কৰিব পাৰে।

(ঘ) ৰাষ্ট্রীয় কর্তাসমূহে আন্তর্জাতিক ব্যৱস্থাক আঘাত কৰা অন্যান্য কর্তাসমূহৰ সংগঠন বা সহযোগিতা মষিমূৰ কৰিব লাগে।

(ঙ) ৰাষ্ট্রীয় কর্তাসমূহে আন কর্তাসমূহক অ-ৰাষ্ট্রীয় নীতিসমূহ পালন কৰাৰ পৰা বিৰত ৰাখিব লাগে।

(চ) এক পৰাজিত ৰাষ্ট্ৰীয় কৰ্তাক পুনৰ এই ব্যৱস্থাত অংশগ্ৰহণ কৰাৰ সুযোগ দিব লাগে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শিথিল দ্বি-মেৰু ব্যৱস্থাত দুটা মুখ্য শক্তিগোষ্ঠীয়ে আন আন ৰাষ্ট্ৰসমূহক নিজৰ নিজৰ সংগঠনত যোগদান দিবলৈ আহ্বান কৰে আৰু দুটা প্ৰতিদ্বন্দ্বিতামূলক শক্তি গোষ্ঠী গঢ় লৈ উঠে। তাৰ উপৰিও এই পৰ্যায়ত এই শক্তিগোষ্ঠীসমূহৰ শিথিলতা থকা দেখিবলৈ পোৱা যায়। ইয়াত নিজৰ নিজৰ মেৰুত যোগ দিয়া সদস্যসকলৰ মাজতে মতভেদ থকা দেখা যায়। ইয়াত কিছুমান অ-ৰাষ্ট্ৰীয় আৰু আঞ্চলিক কৰ্তাও থকা দেখিবলৈ পোৱা যায়। শিথিল দ্বি-মেৰু ব্যৱস্থাৰ দুটা শক্তিগোষ্ঠী হ'ল আমেৰিকা আৰু ছোভিয়েট ৰাছিয়া, গোষ্ঠীনিৰপেক্ষ কৰ্তাসমূহ আৰু সাৰ্বজনীন কৰ্তাসমূহ, যেনে— ৰাষ্ট্ৰসংঘ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) এইটো এটা আধৰুৱা তত্ত্ব। এই তত্ত্বটোৱে আন্তর্জাতিক ৰাজনীতি অধ্যয়নৰ আন বহুতো ধাৰণা অগোচৰ কৰিছে। কাপলানে কেতিয়াও শক্তিক ৰাষ্ট্ৰীয় আচৰণ নির্ধাৰণৰ এক উল্লেখনীয় বৈশিষ্ট্য হিচাপে গ্ৰহণ কৰা নাই।

(খ) কাপলানৰ ছটা নীতি বহুতো লেখকে অযুক্তিসংগত বুলি অভিহিত কৰিছে। এই ছটা নীতিৰ ভিতৰত একমাত্ৰ প্ৰথম দুটাকহে বাস্তৱ পৰিস্থিতিত অধ্যয়ন কৰিব পৰা যায়।



৪.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ দুজন সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ঃ কোন ব্যৱস্থাত এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হয়, য'ত বহু শক্তিগোষ্ঠীয়ে দেখা দিয়ে আৰু সকলো ৰাষ্ট্ৰই সমান ক্ষমতাশালী হয়?

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ সাৰ্বজনীন আন্তর্জাতিক ব্যৱস্থা আৰু অধিক্ৰমিক আন্তর্জাতিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মৰ্টন কাপলানৰ ব্যৱস্থাপক তত্ত্বটো ব্যাখ্যা কৰক। এই তত্ত্বটোৰ বিপক্ষে থকা সমালোচনাবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ব্যৱস্থাপক দৃষ্টিভংগীৰ উত্থান সম্পৰ্কে আলোচনা কৰক। ব্যৱস্থাপক দৃষ্টিভংগীৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

* * * * *

অধ্যায় ৫ ঃ ৰাষ্ট্ৰীয় ক্ষমতা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ক্ষমতাৰ অর্থ

৫.৩.১ ৰাষ্ট্ৰীয় ক্ষমতাৰ মূল উপাদানসমূহ

৫.৩.২ ৰাষ্ট্ৰসমূহৰ ক্ষমতা ব্যৱহাৰৰ পদ্ধতিসমূহ

৫.৪ ৰাষ্ট্ৰীয় ক্ষমতাৰ সীমাবদ্ধতাসমূহ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষমতাৰ অর্থ বিশ্লেষণ কৰিব পাৰিব
- ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদানসমূহ ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্ৰসমূহে কি পদ্ধতিৰ জৰিয়তে ক্ষমতাৰ ব্যৱহাৰ কৰে তাৰ আলোচনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় ক্ষমতাৰ সীমাবদ্ধতাসমূহ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

যেতিয়া আমি ক্ষমতাৰ বিষেয় কওঁ তেতিয়া আমি কোনো ব্যক্তি বা ব্যক্তি গোষ্ঠীক আন ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ কর্ম আৰু আচৰণ নিয়ন্ত্ৰণ কৰাকে বুজো। ৰাজনৈতিক ক্ষমতা বুলিলে আমি সাধাৰণতে ৰাষ্ট্ৰীয় কর্তৃপক্ষই বা শাসকবর্গ আৰু অধিকসংখ্যক শাসিত লোকক নিয়ন্ত্ৰণ কৰা তেওঁলোকৰ মাজৰ সম্পর্ককে বুজো। যেতিয়া আমি আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ক্ষমতাৰ বিষয়ে আলোচনা কৰো তেতিয়া ইয়াৰ দ্বাৰা আমি ৰাষ্ট্ৰীয় ক্ষমতাকে সুচাও। এই অধ্যায়টোৰ জৰিয়তে আমি ক্ষমতাৰ ধাৰণাৰ কেইটমান উল্লেখযোগ্য দিশৰ বিষয়ে আলোচনা কৰিম।

৫.৩ ক্ষমতাৰ অর্থ

ক্ষমতাৰ ধাৰণাটো অতিকৈ জটিল। বহল অর্থত ক'বলৈ হ'লে ক্ষমতা হ'ল কোনো এজনে আন এজনক নিজৰ ইচ্ছা অনুসৰি কাম কৰোৱাৰ দক্ষতা অর্থাৎ যিসকল লোকৰ আন ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ কার্যকলাপ নিয়ন্ত্ৰণৰ ক্ষমতা আছে তেনে লোককে ক্ষমতাশালী বুলি কোৱা হয়।



এ. এফ. কে. অৰ্গেনস্কি (১২ মে' ১৯২৩ - ৬ মাৰ্চ, ১৯৯৮) ঃ
তেওঁ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মিচিগান বিশ্ববিদ্যালয়ত ৰাজনীতি বিজ্ঞানৰ অধ্যাপক হিচাপে কাৰ্যনিবাহ কৰিছিল।

আনকথাত ক'বলৈ হ'লে ই হ'ল নিজৰ ইচ্ছা অনুসৰি আনৰ আচৰণ নিয়ন্ত্ৰণ কৰাৰ দক্ষতা। বিভিন্ন ৰাজনীতি বিজ্ঞানীয়ে ক্ষমতা সম্পৰ্কে বিভিন্ন সংজ্ঞা অগবঢ়াইছে। সেয়া হ'ল—

অৰ্গেনস্কি (Organski)ৰ মতে নিজৰ উদ্দেশ্য অনুসৰি আনৰ আচৰণক নিয়ন্ত্ৰণ কৰাৰ দক্ষতা হৈছে ক্ষমতা। কোনো এক ৰাষ্ট্ৰ চহকী অথবা বৃহৎ হ'ব পাৰে। কিন্তু এই দক্ষতা অবিহনে সেই ৰাষ্ট্ৰ শক্তিশালী বা ক্ষমতাশালী হ'ব নোৱাৰে।

মৰ্গেনথিউৱে (Morgenthau) কৈছে যে ক্ষমতা হ'ল 'ব্যক্তিৰ ক্ষমতা' (Power of man) যিটোৰ জৰিয়তে মানুহে আনৰ মন আৰু ক্ৰিয়া নিয়ন্ত্ৰণ কৰিব পাৰে।

চাৰ্লছ পি শ্লেচাৰৰ মতে (Charles P. Scheicher)ৰ ক্ষমতা হৈছে এনে এক দক্ষতা যিটোৰ জৰিয়তে এজনে আন এজনক পুৰস্কাৰৰ লোভ দেখুৱাই বা শাস্তি প্ৰদানৰ ভাবুকিৰ দ্বাৰা নিজৰ ইচ্ছা অনুসৰি নিয়ন্ত্ৰণ কৰিব পাৰে।

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰত্যেকখন ৰাষ্ট্ৰ বা চৰকাৰে নিজৰ নিজৰ ক্ষমতা বৃদ্ধি কৰিব বিচাৰে আৰু ইয়াকে ৰাষ্ট্ৰীয় ক্ষমতা বোলে আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্ৰসমূহৰ মাজৰ সম্পৰ্ক নিয়ন্ত্ৰিত হয়। মৰ্গেনথিউৰ মতে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ ভৱিষ্যতৰ লক্ষ্য যিয়েই নহওক লাগিলে, ক্ষমতা আহৰণে হ'ল ইয়াৰ তাৎক্ষণিক উদ্দেশ্য। এই কথাটো ক'বলৈ অতি সহজ যে এখন ৰাষ্ট্ৰ আনখন ৰাষ্ট্ৰতকৈ অধিক শক্তিশালী বা ক্ষমতাশালী। কিন্তু এইক্ষেত্ৰত কোনো এক ৰাষ্ট্ৰ আনখনতকৈ অধিক শক্তিশালী বুলি নিৰ্দিষ্টকৈ কোৱা টান।

৫.৩.১ ৰাষ্ট্ৰীয় ক্ষমতাৰ মূল উপাদানসমূহ

ৰাষ্ট্ৰীয় ক্ষমতাৰ বিভিন্নধৰণৰ উপাদান থকা দেখিবলৈ পোৱা যায়। এই উপাদানসমূহক ৰাষ্ট্ৰীয় ক্ষমতাৰ নিৰ্ণায়ক বুলিও ক'ব পাৰি। কিন্তু এই উপাদানসমূহৰ উপস্থিতিয়েই ৰাষ্ট্ৰীয় ক্ষমতা থকাটো নুবুজায়। ইয়াৰ পৰিবৰ্তে এই উপাদানসমূহৰ যথাযৎ ব্যৱহাৰেৰে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি হোৱাত সহায় কৰে। ৰাষ্ট্ৰীয় ক্ষমতাৰ প্ৰধান উপাদানসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

ভৌগোলিক ভূখণ্ড ঃ ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদানসমূহৰ ভিতৰত ভৌগোলিক ভূখণ্ডই আটাইতকৈ স্থিৰ, স্পৃস্য, স্থায়ী আৰু প্ৰাকৃতিক উপাদান। ইয়াৰ দৈহিক বৈশিষ্ট্য ৰাষ্ট্ৰই সলনি কৰিব নোৱাৰে। সাধাৰণতে ভূ-ৰাজনীতি বিজ্ঞানী যেনে— ৰুদফ জেলেন (Rudolf Kjellen), এটি মাহান (A. T. Mahan), মেকিন্দাৰ (Mackinder), স্পাইকমেন (Spykman) আৰু অন্যান্য কিছুমানে বিশ্বাস কৰে যে ভূখণ্ডই হৈছে ৰাষ্ট্ৰীয় ক্ষমতাৰ মূল উপাদান। এইক্ষেত্ৰত কেইজনমান প্ৰধান ভূ-ৰাজনীতিবিদৰ মন্তব্যসমূহ নিৰীক্ষণ কৰা হ'ল। মেকিন্দাৰৰ মতে যিসকলে পূব ইউৰোপত ক্ষমতা স্থাপন কৰিবলৈ সক্ষম হৈছে তেওঁলোকে ইউৰোপৰ মূল কেন্দ্ৰক নিয়ন্ত্ৰণ কৰিছে। আৰু যিসকলে ইউৰোপৰ মাজৰ ভূখণ্ডত শাসন কৰিছে সেইবিলাকে পৃথিৱীৰ দ্বীপসমূহত নিজৰ নিয়ন্ত্ৰণ স্থাপন কৰিব পাৰিছে আৰু

যিবিলাকে আফ্ৰিকা আৰু অন্যান্য মহাসাগৰৰ দ্বীপসমূহত শাসন কৰিছে তেওঁলোকে গোটেই বিশ্বতে নিজৰ শাসন চলাব পাৰিছে। আনহাতে স্পাইকমেনে মন্তব্য কৰে যে যিসকলে **ৰেইনলেণ্ড** শাসন কৰে তেওঁলোকে ইউৰোপ আৰু এছিয়াৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ চলাব পাৰে। আনহাতে যিসকলে **ইউৰেছিয়াত** নিজৰ নিয়ন্ত্ৰণ চলায় তেওঁলোকে গোটেই বিশ্বৰে ভাগ্য নিয়ন্ত্ৰণ কৰিব পাৰে। কিন্তু এইটো ঠিকেই যে বৰ্তমান ইতিহাসে এই কথাবোৰ সত্য নহয় বুলি প্ৰমাণিত কৰিছে। যিসকলে পূব ইউৰোপ নিয়ন্ত্ৰণ কৰিছিল তেওঁলোকে মূল ভূমি নিয়ন্ত্ৰণ কৰিব পৰা নাছিল ঠিক তেনেধৰণে কেন্দ্ৰীয় ইউৰোপৰ শাসকসকলে বিশ্বৰ দ্বীপসমূহৰ ওপৰত নিয়ন্ত্ৰণ চলাব পৰা নাছিল। ভৌগোলিক উপাদানৰ মূল দিশসমূহ হ'ল— ৰাষ্ট্ৰ এখনৰ সীমাৰ পৰিধি, জলবায়ু, ভূসংস্থান আৰু ইয়াৰ অৱস্থিতি আৰু চৰিত্ৰ।



ৰেইনলেণ্ড ঃ ৰাইন নদীৰ পাৰৰ জাৰ্মানীৰ কিছুমান অঞ্চল।

ইউৰেছিয়া ঃ ইউৰোপ আৰু এছিয়া মহাদেশৰ এক বৃহৎ ভূখণ্ড

আকৃতি ঃ আকৃতিয়েও ৰাষ্ট্ৰীয় স্বাৰ্থ বৃদ্ধিত সহায় কৰে। কিন্তু যদি কোনো এখন ৰাষ্ট্ৰৰ আকৃতি ইমানে ডাঙৰ হয় যে ইয়াক সম্ভালিবলৈ কঠিন হৈ পৰে, তেতিয়া সেইটোৱে ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰত বাধা প্ৰয়োগ কৰে। ডাঙৰ আকৃতিৰ লগত এটা ডাঙৰ জনসংখ্যা জড়িত হৈ থাকে আৰু ইয়াৰ লগতে এক বৃহৎ প্ৰাকৃতিক সম্পদৰ ভঁৰালো তাত পোৱা যায়। ডাঙৰ আকৃতিয়ে এখন ৰাষ্ট্ৰক সুৰক্ষা প্ৰদানত সহায় কৰে। যেনে— ছোভিয়েট ৰাছিয়াৰ বৃহৎ আকৃতিয়ে হিটলাৰৰ শক্তিসমূহক পৰাজিত কৰাত সহায় কৰিছিল। বৃহৎ আকৃতিৰ ৰাষ্ট্ৰসমূহত বৃহৎ উদ্যোগ স্থাপনৰো সুবিধা পোৱা যায়। কিন্তু এখন দেশৰ আকৃতি ডাঙৰ হোৱাটোৱে স্বাভাৱিক নহয়, বৰং ইয়াৰ ভূখণ্ড ব্যৱহাৰৰ উপযোগী হ'ব লাগে। যেনে— কানাডাৰ অধিক অংশই বৰফেৰে ভৰা অঞ্চল বা তুষাবৃত অঞ্চল, ব্ৰাজিলৰ অধিকাংশই জংঘল আৰু অষ্ট্ৰেলিয়াত দীঘলীয়া মৰুভূমি দেখিবলৈ পোৱা যায়, সেয়েহে কোৱা হয় যে বৃহৎ আকৃতিয়ে ক্ষমতাৰ বৃদ্ধিত সহায়ক নহ'বও পাৰে। দৰাচলতে আকৃতি সম্পদৰ লগত জড়িত। আনহাতে দেখা যায় যে সৰু সৰু ৰাষ্ট্ৰসমূহ বৃহৎ শক্তিত পৰিণত হোৱাত বাধা আহি পৰে। যেনে— তেওঁলোকে এটা সীমিত গণ্ডিতহে ৰাষ্ট্ৰীয় স্বাৰ্থ বৃদ্ধি কৰিব পাৰে। অৱশ্যে এইক্ষেত্ৰত ব্যক্তিক্ৰম নথকা নহয়। বৃহৎ ভূখণ্ডই এখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ক্ষমতাত বিভিন্নধৰণৰ সামৰিক সুবিধা আগবঢ়াব পাৰে। পূৰ্বৰ ছোভিয়েট ৰাছিয়া এখন বৃহৎ ৰাষ্ট্ৰ আছিল। ইয়াৰ ভূখণ্ডই বিশ্বৰ প্ৰায় সাত ভাগৰ এভাগ অংশ সামৰি লৈছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰতকৈ ২$^{১}/_{২}$ অংশ অধিক ভূখণ্ড আছিল। বৃহৎ ভূখণ্ডই নিজেই এক শক্তিৰ সৃষ্টি কৰে যিটোৱে ইয়াৰ আক্ৰমণকাৰীসকলক পৰিসীমাৰ পৰা দূৰত ৰাখে।

জলবায়ু ঃ এখন ৰাষ্ট্ৰৰ জলবায়ুও ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰীয় ক্ষমতা নিৰ্ণয়ত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। যেনে— বতৰে খাদ্য উপাদান, অৰ্থনীতি আৰু আনকি সংস্কৃতিক দিশতো প্ৰভাৱ পেলায়। এখন ৰাষ্ট্ৰৰ জলবায়ু যদি নাতিশিতোষ্ণ হয় তেন্তে সেই দেশৰ মানুহৰ স্বাস্থ্য আৰু শক্তি অটুট থাকে। আৰু এইটোৱে ৰাষ্ট্ৰখনৰ উৎপাদান বৃদ্ধিত সহায় কৰে। যিবোৰ দেশত চৰম জলবায়ু দেখিবলৈ পোৱা যায় সেইবোৰ দেশৰ জলবায়ুৱে ক্ষমতাৰ বিকাশত অন্তৰায় সৃষ্টি কৰে।

অৱস্থিতি ঃ অৱস্থিতিয়েও ৰাষ্ট্ৰ এখনৰ ক্ষমতা বৃদ্ধিত নিৰ্ণায়কৰ ভূমিকা লয়। এইটোৱে ৰাষ্ট্ৰখনৰ আক্ৰমণৰ সম্ভাৱনাকো নিৰ্ণয় কৰে। যেনে— ইংলেণ্ড আৰু জাপানৰ সফলতা নিৰ্ভৰ কৰে। ইয়াৰ অধিকাংশই পানীয়ে আগুৰি আছে। ইংলেণ্ডৰ অৱস্থিতিয়ে ৰাষ্ট্ৰখনক ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ লগতে এক নৌশক্তিত পৰিণত কৰাত সহায় কৰিছে। সাধাৰণতে এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতি ৰাষ্ট্ৰখনৰ অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰে। এখন ৰাষ্ট্ৰৰ কৌশলগত অৱস্থানেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইক্ষেত্ৰত মধ্যপ্ৰাচ্য উদাহৰণ দিব পাৰি। মধ্য প্ৰাচ্যৰ ভূখণ্ডই তিনিখম মহাদেশৰ মাজত সম্পৰ্ক স্থাপন কৰে। এই অঞ্চলৰ ভৌগোলিক আৰু অৱস্থিতি সম্পৰ্কীয় গুৰুত্বৰ বাবে ক্ষমতা প্ৰতিষ্ঠাৰ দৌৰাত্ম্য চলে। তাৰ উপৰিও মধ্য প্ৰাচ্যৰ খাৰুৱা তেলৰ ভাণ্ডাৰে বিশ্বত একধৰণৰ আশংকাৰ সৃষ্টি কৰে। তাৰ উপৰিও ইয়াৰ বিভিন্ন সামুদ্ৰিক পথ, উপকূল আৰু বন্দৰ যেন— মাল্টা, এডেন, পানামা, চুৱেজ খাল, গ্ৰিবেলতাৰ আদিৰ বাবে এই অঞ্চলৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে।

ভূসংস্থান ঃ এখন ৰাষ্ট্ৰৰ ভূসংস্থানেও ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিত সহায় কৰে। যেনে— ভূসংস্থানে ৰাষ্ট্ৰসমূহৰ মাজৰ প্ৰাকৃতিক পৰিসীমা নিৰ্ধাৰণ কৰে আৰু ইয়াৰ বৃদ্ধিও কৰে। যেনে— ইংলিছ চেনেলে সুদীৰ্ঘ সময় জুৰি ইংলেণ্ডৰ চাৰিসীমাক সুৰক্ষা প্ৰদান কৰিছে। ঠিক একেদৰে আটলাণ্টিক আৰু প্ৰসান্ত মহাসাগৰেও আমেৰিকাৰ প্ৰাকৃতিক সুৰক্ষা ৰেখাৰ ভূমিকা পালন কৰিছে। আকৌ চীন আৰু ভাৰতৰ মাজত হিমালয় পৰ্বতমালাই এক প্ৰকাণ্ড বাধাৰ সৃষ্টি কৰিছে। এনেধৰণৰ বাধাসমূহৰ তেতিয়াহে প্ৰভাৱশালী হয় যেতিয়া ইয়াক সঠিক সুৰক্ষা প্ৰদান কৰা হয়। ভূসংস্থানে ইউৰোপৰ বিকাশ আৰু আফ্ৰিকাৰ অনগ্ৰসৰতাৰ মূল কাৰণ। অৱশ্যে পিচলৈ ভূসংস্থানে ইয়াৰ প্ৰাসংগিকতা হেৰুৱাইছে। বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত এই বাধাসমূহক সহজে নেওচিব পৰা যায়। তাৰ উপৰি দীৰ্ঘ দূৰত্বৰ মিছাইল পাৰমাণৰিক নিউক্লিয়াৰ অস্ত্ৰ, মহাজাগতিক উপগ্ৰহসমূহ আদিয়ে এনেধৰণৰ উপাদানসমূহৰ গুৰুত্ব হ্ৰাস কৰিছে। তথাপি আজিৰ তাৰিখত ৰাষ্ট্ৰ এখনৰ সুৰক্ষাৰ ক্ষেত্ৰত ভূসংস্থানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

প্ৰাকৃতিক সম্পদ ঃ ৰাষ্ট্ৰ এখনৰ প্ৰাকৃতিক সম্পদ হ'ল খনিজাত পদাৰ্থ যেনে— কয়লা, লোহা, ইউৰেনিয়াম, বক্সাইড আদি বনজাত সম্পদ, নদী, প্ৰাকৃতিক গেছ, খাৰুৱা তেল ইত্যাদি। তাৰ উপৰিও প্ৰাকৃতিক সম্পদে এখন ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধি কৰিব পাৰে তেতিয়াহে, যেতিয়া প্ৰযুক্তিবিদ্যা, পুঁজি আৰু দক্ষ শ্ৰমিকৰ সহায়ত সেইবিলাক ব্যৱহাৰৰ উপযোগী কৰি তুলিব পাৰি। বৰ্তমানে এখন দেশত থকা তেল, ইউৰেনিয়াম আৰু আণৱিক এটোমিক শক্তিয়ে ৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধিত যথেষ্ট সহায় কৰে। এইবোৰ মজুত থকাৰ বাবে আৰব দেশ সমূহৰ প্ৰাচুৰ্য বহু পৰিমাণে বৃদ্ধি হৈছে।

প্ৰযুক্তিবিদ্যা ঃ বৰ্তমান সময়ত ৰাষ্ট্ৰখনৰ ক্ষমতা বৃদ্ধিত প্ৰযুক্তিবিদ্যাই যথেষ্ট পৰিমাণে সহায় কৰিছে। ৰাষ্ট্ৰীয় ক্ষমতাৰ ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাই সাধাৰণতে উদ্যোগিক প্ৰযুক্তিবিদ্যা, যোগাযোগৰ প্ৰযুক্তিবিদ্যা আৰু সামৰিক প্ৰযুক্তিবিদ্যা সাঙুৰি লৈছে। উদ্যোগিক প্ৰযুক্তিবিদ্যাই ৰাষ্ট্ৰখনত উৎপাদান বৃদ্ধি কৰি অৰ্থনৈতিক লাভ উলিয়াই ৰাষ্ট্ৰখনৰ ক্ষমতা বৃদ্ধিত সহায় কৰে। যেনে— দ্বিতীয় মহাসমৰৰ পিচত উদ্যোগিক ক্ষমতা থকাৰ বাবে জাপান এক মহাশক্তিত পৰিণত হৈছে। ঠিক তেনেধৰণে প্ৰচাৰ মাধ্যম আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশেও মানুহ আৰু ব্যয়বস্তু চলাচল দ্ৰুত কৰি তুলিছে। ইয়ে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰকৃতি পৰিবৰ্তন কৰিছে আৰু কূটনৈতিক আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত প্ৰভাৱ পেলাইছে। শেহতীয়াভাৱে ক'ব পাৰি যে সামৰিক দিশত প্ৰযুক্তিবিদ্যাৰ বিকাশেও ক্ষমতা বৃদ্ধিত সহায় কৰে। সামৰিক আৰু নৌশক্তিৰ বৃদ্ধিয়ে ব্ৰিটেইনত এক মহান সাম্ৰাজ্য স্থাপন কৰাত সহায় কৰিছিল। ঠিক একেদৰে সৰ্বশ্ৰেষ্ঠ সামৰিক প্ৰযুক্তিবিদ্যাৰ সহায়তে আমেৰিকা আৰু পূৰ্বৰ ছোভিয়েট ৰাছিয়া দুই মহাশক্তিত পৰিবৰ্তিত হৈছিল।

জনসংখ্যা ঃ জনসংখ্যাক সংখ্যাগত আৰু গুণগত দুয়োটা মানদণ্ডৰ পৰা চাব পাৰি আৰু ইয়ে ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিত সহায় কৰে। সাধাৰণতে বৃহৎ জনসংখ্যা বৃহৎ শক্তিৰ উৎস। কিন্তু এইটো নিৰ্ভৰ কৰে সেইখন ৰাষ্ট্ৰই মানৱীয় সম্পদৰ ব্যৱহাৰ কেনেদৰে কৰে। যদি ৰাষ্ট্ৰ এখনৰ জনসংখ্যাৰ জীৱন ধাৰণৰ মানদণ্ড ভাল হয় তেন্তে নাগৰিকসকলে নিজৰ প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰে আৰু তেনে জনসংখ্যা এক সম্পদত পৰিণত হয়। কিন্তু ইয়াৰ বিপৰীতে ৰাষ্ট্ৰ এখনে যদি জনসংখ্যাৰ নূন্যতম প্ৰয়োজনো পূৰণ কৰিব নোৱাৰে তেন্তে সেই একে কাৰণত ৰাষ্ট্ৰখন দৰিদ্ৰ ৰাষ্ট্ৰত পৰিণত হয়। এইক্ষেত্ৰত মন কৰিবলগীয়া যে ৰাষ্ট্ৰ এখনৰ ক্ষমতা কেৱল জনসংখ্যাৰ মাত্ৰাৰ ওপৰতে নিৰ্ভৰ নকৰে (সংখ্যাগত জনসংখ্যা), গুণগত জনসংখ্যাৰ ওপৰতহে নিৰ্ভৰ কৰে। যদিহে কোনো ৰাষ্ট্ৰৰ জনসংখ্যা শক্তিশালী জাতীয়বোধ, উচ্চ নৈতিকতা আৰু গণতান্ত্ৰিক আদৰ্শ থাকে, তেন্তে তেনে জনসংখ্যাই ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিত সহায় কৰে।



জানি থোৱা ভাল

হেনচ জে মৰ্গেনথিউৱে ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদানসমূহক দুটা ভাগত ভাগ কৰিছে— স্থায়ী আৰু অস্থায়ী। চাৰ্লছ অ' লাৰ্চে (Charles O. Lerche) আৰু আব্দুল এ ছয়দে (Abdul A Said) তেওঁলোকৰ গ্ৰন্থ 'Concept of International Politics' (১৯৭০)ত ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদানসমূহক স্পৃস্য (tangible) আৰু ইস্পৃস্য (intangible) এই দুই ভাগত ভাগ কৰিছে। পালমাৰ আৰু পাৰ্কিন্সে (Palmer and Perkins) ৰাষ্ট্ৰীয় উপাদানসমূহক সাতটা ভাগত ভাগ কৰিছে। সেয়া হ'ল— ভূমি, সম্পদ, জনসংখ্যা, প্ৰযুক্তিবিদ্যা, আদৰ্শক নৈতিকতা আৰু নেতৃত্ব।



চিন্তা-চর্চা কৰক ৫.১

ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদান চাৰিটা ভাৰতবৰ্ষৰ প্ৰসংগত বিবেচনা কৰক। ভাৰতবৰ্ষৰ ক্ষমতা বৃদ্ধিত কিমান দূৰলৈ অৰিহণা যোগাইছে বুলি ভাবে?

.....

.....

.....

.....

৫.৩.২ ৰাষ্ট্ৰসমূহৰ ক্ষমতা ব্যৱহাৰৰ পদ্ধতিসমূহ

অৰ্গেনস্কিৰ মতে ৰাষ্ট্ৰসমূহে চাৰিটা উপায়েৰে ক্ষমতাৰ ব্যৱহাৰ কৰিব পাৰে। সেয়া হ'ল প্ৰৰোচনা, পুৰস্কাৰ, শাস্তি আৰু শক্তিৰ ব্যৱহাৰ।

প্ৰৰোচনা ঃ প্ৰৰোচনা হ'ল ৰাষ্ট্ৰসমূহে আটাইতকৈ সঘনে ব্যৱহাৰ কৰা পদ্ধতি। সাধাৰণতে সৰু ৰাষ্ট্ৰসমূহে এই পদ্ধতি ব্যৱহাৰ কৰে, কাৰণ তেওঁলোকৰ শক্তি প্ৰয়োগ কৰা ক্ষমতা কম। কিন্তু ডাঙৰ ৰাষ্ট্ৰসমূহেও এনে উপায় অৱলম্বন কৰা দেখিবলৈ পোৱা যায়। সাধাৰণতে কূটনীতিবিদসকলে আৰু আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰা প্ৰতিনিধিসকলে আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনত এনে প্ৰৰোচনাৰ আশ্ৰয় লোৱা দেখিবলৈ পোৱা যায়।

পুৰস্কাৰ ঃ ইয়াৰ পিচৰ উপায়টো হ'ল পুৰস্কাৰ প্ৰদান। কিছুমান ৰাষ্ট্ৰই বিভিন্নধৰণৰ পুৰস্কাৰ যেনে— ভূখণ্ড, সামৰিক সাহায্য, অস্ত্ৰ-শস্ত্ৰ, সামৰিক বাহিনী, সামৰিক প্ৰশিক্ষণৰ ব্যৱস্থা ইত্যাদিৰ সহায়ত আন ৰাষ্ট্ৰৰ আচৰণ প্ৰভাৱিত কৰাৰ চেষ্টা কৰে। এনেধৰণৰ পুৰস্কাৰ আৰ্থিক দিশৰো হ'ব পাৰে, যেনে— যিকোনো প্ৰকাৰৰ ঋণ, উপহাৰ, ব্যৱসায়-বাণিজ্যৰ সুবিধা, কম পৰিমাণৰ কৰ আৱশ্যকীয় বস্তু-বাহানি অনা-নিয়াৰ সুবিধা, প্ৰযুক্তিবিদ্যাৰ বিনিময় ইত্যাদি। আনহাতে ৰাজনৈতিক প্ৰকৃতিৰ পুৰস্কাৰো থকা দেখিবলৈ পোৱা যায়। যেনে— ৰাজনৈতিক স্বাধীনতাৰ সমৰ্থন, আত্মনিয়ন্ত্ৰণৰ সুবিধা, আন্তঃৰাষ্ট্ৰীয় সংগঠনত ভোট প্ৰদানৰ অধিকাৰ, আন ৰাষ্ট্ৰৰ স্থিতিৰ প্ৰতি সমৰ্থন ইত্যাদি।

শাস্তি ঃ এইটো আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সচৰাচৰ ব্যৱহাৰ কৰা এক পদ্ধতি। শাস্তি প্ৰদানৰ উপায়েৰে তৎক্ষণাৎ ফল দেখিবলৈ পোৱা যায়। কাৰণ কেতিয়াবা কেতিয়াবা শাস্তি প্ৰদানৰ ভাবুকিৰে বহুতকে কোনো কাৰ্যৰ পৰা বিৰত থকা দেখিবলৈ পোৱা যায়। শাস্তি প্ৰদানক আন কিছুমান উপায়েৰেও প্ৰয়োগ কৰা দেখা যায় যেনে— প্ৰচাৰকাৰ্য, শত্ৰুপক্ষক ৰাজনীতিৰ সমৰ্থন, প্ৰব্ৰজনৰ ক্ষেত্ৰত অনাহক অসুবিধাৰ সৃষ্টি, ব্যৱসায়, যাতায়াত আৰু আৰ্থিক ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰু সামৰিক অভ্যুত্থান। এইটো মন কৰিবলগীয়া এইবিলাকৰ ব্যৱহাৰ কোনো কাৰ্যত বাধা দিয়াৰ উদ্দেশ্য কৰা হয়।

শক্তি ঃ শেষত ক'ব পাৰি যে ৰাষ্ট্ৰসমূহে শক্তি প্ৰদৰ্শনৰ জৰিয়তে ক্ষমতাৰ ব্যৱহাৰ কৰে। সাধাৰণতে যেতিয়া কোনো ৰাষ্ট্ৰই প্ৰৰোচনা, ভাবুকি ইত্যাদিৰে কোনো লক্ষ্যত উপনীত হ'ব নোৱাৰে তেতিয়া শেষ আশ্ৰয় হিচাপে ৰাষ্ট্ৰ এখনে শক্তিৰ উপায় লয়। সাধাৰণতে ৰাষ্ট্ৰসমূহে শক্তি প্ৰয়োগৰ দ্বাৰা বিৰত থাকে, কাৰণ ইয়াৰ দ্বাৰা যুদ্ধৰ সম্ভাৱনা অধিক প্ৰকট হৈ উঠে।

ওপৰৰ আলোচনাৰ পৰা এইটো জানিব পৰা গ'ল যে ৰাষ্ট্ৰসমূহে সাধাৰণতে কি উপায় অৱলম্বন কৰিব সেইটো নিৰ্ভৰ কৰে কোনো এখন ৰাষ্ট্ৰৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ ওপৰত। তাৰ উপৰিও কোনো এখন ৰাষ্ট্ৰৰ ক্ষমতাৰ ওপৰতো এই কথা নিৰ্ভৰ কৰে। সেয়েহে সৰু সৰু ৰাষ্ট্ৰসমূহে প্ৰায়ে শক্তি প্ৰয়োগৰ পৰা বিৰত থাকে। ঠিক সেইদৰে দুৰ্বল ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক পুৰস্কাৰৰ লোভ দেখুওৱাৰ পৰা বিৰত থাকে। শেষত ক'ব পাৰি যে ক্ষমতাৰ ব্যৱহাৰৰ ক্ষেত্ৰত কি পদ্ধতি অলম্বন কৰিব সেইটো নিৰ্ভৰ কৰে ৰাষ্ট্ৰখনৰ লক্ষ্য বা উদ্দেশ্যৰ ওপৰত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ক্ষমতা হ'ল নিজৰ ইচ্ছা অনুসৰি আনৰ আচৰণ নিয়ন্ত্ৰণ কৰিব পৰা একধৰণৰ দক্ষতা। কোনে এই সংজ্ঞা আগবঢ়াইছিল?

.....

প্ৰশ্ন নং ২ ঃ ক্ষমতাৰ ব্যৱহাৰৰ চাৰিটা পদ্ধতি কি কি লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ ক্ষমতাৰ উপাদান হিচাপে অৱস্থিতিৰ ভূমিকা কি সেই বিষয়ে ব্যাখ্যা কৰক। (৫০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

.....

.....

৫.৪ ৰাষ্ট্ৰীয় ক্ষমতাৰ সীমাবদ্ধতাসমূহ

যেনেধৰণে কিছুমান উপাদানে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি কৰে ঠিক তেনেধৰণে আন কিছুমান উপাদানে ৰাষ্ট্ৰীয় ক্ষমতা সীমাবদ্ধ কৰে।

ক্ষমতাৰ ভাৰসাম্যতা ঃ ক্ষমতাৰ ভাৰসাম্য নীতিয়ে ৰাষ্ট্ৰখনৰ ক্ষমতা বৃদ্ধিত বাধা প্ৰদান কৰে, যেনেধৰণে ঘৰুৱা ৰাজনীতিত অৱৰোধ আৰু সন্তোলন নীতিয়ে একধৰণৰ ভাৰসাম্যতা ৰক্ষা কৰে, ঠিক তেনেধৰণে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিতো এখন বা একাধিক ৰাষ্ট্ৰক আন ৰাষ্ট্ৰৰ ওপৰত হেঁচা প্ৰদান কৰাত বাধা দিয়ে। ক্ষমতাৰ ভাৰসাম্য নীতিয়ে বিৰোধিতা আৰু প্ৰতিযোগিতাৰ পদ্ধতি ব্যৱহাৰ কৰে। সাধাৰণতে স্থিতাৱস্থাৰ নীতি ৰক্ষা কৰিবৰ বাবে ইখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰৰ ক্ষমতা বৃদ্ধিৰ কাৰ্যক বিৰোধিতা কৰে। আনহাতে প্ৰতিযোগিতাৰ জৰিয়তে দুখন ৰাষ্ট্ৰই আন এখন তৃতীয় ৰাষ্ট্ৰৰ ওপৰত নিয়ন্ত্ৰণ চলোৱাৰ প্ৰচেষ্টা কৰে। ক্ষমতাৰ ভাৰসাম্য নীতিয়ে কিছুমান পদ্ধতি বা কৌশল ব্যৱহাৰ কৰে। সেয়া হ'ল বিভাজন আৰু শাসন, ক্ষতিপূৰণ আৰু অধিগ্ৰহণ, শসস্ত্ৰিকৰণ, আক্ৰমণ, মিত্ৰপক্ষ আৰু বিৰোধী মিত্ৰপক্ষ গঠন আৰু অন্তঃস্থ-ৰাষ্ট্ৰ গঠন ইত্যাদি।

আন্তঃৰাষ্ট্ৰীয় নৈতিকতা ঃ যেনেধৰণে সামাজিক জীৱনত ব্যক্তিৰ আচৰণ কিছুমান নৈতিক নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়, ঠিক তেনেদৰে আন্তঃৰাষ্ট্ৰীয় পৰিৱেশতো ৰাষ্ট্ৰসমূহৰ আচৰণ আন্তঃৰাষ্ট্ৰীয় নৈতিক নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়। ৰাষ্ট্ৰসমূহে কিছুমান মূল্যবোধ সমৰ্থন কৰে, যেনে— শান্তি, নিয়ম-শৃংখলা, ক্ষমতা, সু-সম্পৰ্ক, পৰস্পৰ সাহায্য, সকলোৰে জীৱন আৰু স্বাধীনতাৰ প্ৰতি সন্মান, মানৱ অধিকাৰৰ প্ৰতি সন্মান ইত্যাদি, যিবোৰ সকলো ৰাষ্ট্ৰই অনুসৰণ কৰে। সাধাৰণতে যদিহে কোনো ৰাষ্ট্ৰই কোনো মূল্যবোধ আৰু নিয়ম-নীতিৰ দ্বাৰা পৰিচালিত নহয় তেন্তে ক্ষমতাৰ সংঘৰ্ষৰ ফলত জোৰ যাৰ মূলক তাৰ নীতিৰ দ্বাৰা পৰিচালিত হয়। কিন্তু বৰ্তমানৰ সভ্য পৃথিৱীত ক্ষমতাৰ সংঘৰ্ষক কোনেও বাধা প্ৰদান নকৰাকৈ নাথাকে। এইটো নিয়ন্ত্ৰণ কৰিব লাগে, অন্যথাই সমগ্ৰ মানৱ জাতিৰে ধ্বংস কঢ়িয়াই লৈ আনিব। সেয়েহে এখন সমাজ প্ৰতিষ্ঠাৰ বাবে কিছুমান নৈতিক লক্ষ্য বা উদ্দেশ্য আগত ৰাখি ৰাষ্ট্ৰনেতা আৰু কূটনীতিবিদসকলে ৰাষ্ট্ৰসমূহৰ মাজৰ সম্পৰ্ক স্থাপন কৰিব বিচাৰে যিটো শান্তি, পৰস্পৰ সহযোগিতা, নিৰপেক্ষ আদান-প্ৰদান, আন্তঃৰাষ্ট্ৰীয় সন্মান, মানৱ অধিকাৰক সন্মান প্ৰদান আদিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব। এইবোৰে ৰাষ্ট্ৰনেতা আৰু কিছুমান কূটনীতিবিদৰ কার্য সীমিত কৰে। সাধাৰণতে যিবোৰ নৈতিক নিয়ম সার্বজনীনভাৱে সকলো ৰাষ্ট্ৰই গ্ৰহণ কৰে তাকেই আন্তঃৰাষ্ট্ৰীয় নৈতিকতা বোলে।

বিশ্ব জনমত ঃ বিশ্ব জনমত হৈছে এক অস্পষ্ট ধাৰণা, তথাপি এইটোৱে ৰাষ্ট্ৰসমূহৰ ক্ষমতা সীমাবদ্ধ কৰে। কোনো ৰাষ্ট্ৰই বিশ্ব জনমতক আওকাণ কৰি ক্ষমতাৰ বলত বলিয়ান হৈ অকলে নিজৰ স্বার্থ পূৰণ কৰিব নিবিচাৰে। বিশ্ব জনমতে মানৱ জাতিৰ স্বার্থক কোনো এখন ৰাষ্ট্ৰ বা চৰকাৰৰ স্বার্থপৰ বৈদেশিক নীতিৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে।

জনমতৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিলে দেখিবলৈ পাওঁ যে আধুনিক ইতিহাসে দেখুৱায় যে বিশ্ব জনমতে কেতিয়াও কোনো নীতিৰ বিৰোধিতা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পৰা নাই। যেনে— ১৯৩৬ চনত ইথিওপিয়াৰ ওপৰত ইটালীৰ আক্ৰমণ, ১৯৫৬ চনৰ হাংগেৰীয়ান বিপ্লৱক ৰাছিয়াৰ অৱদমন আদিক ৰোধ কৰাত বিশ্বজনমত বহু পৰিমাণে বিফল হৈছে। আনহাতে বিশ্বজনমতৰ ওপৰত নির্ভৰ কৰিয়ে জাতিসংঘৰ গঠন হৈছিল। একেদৰে প্ৰথম বিশ্বযুদ্ধৰ পিচত শান্তিৰ আলোচনাৰ বাবে উদ্ৰো উইলচনে চৈধ্যদফীয়া নীতি গ্ৰহণ কৰিছিল, যিবিলাক নীতি ডাঙৰ-সৰু সকলো ৰাষ্ট্ৰই মানি লৈছিল। ইয়াতেই জনমতৰ ভূমিকাৰ বিষয়ে জানিব পৰা যায়।

আন্তঃৰাষ্ট্ৰীয় আইন ঃ আন্তঃৰাষ্ট্ৰীয় আইনে ৰাষ্ট্ৰীয় ক্ষমতা সীমিত কৰাত সহায় কৰে। যেনেধৰণে কোনো এখন সমাজ ব্যৱস্থা কোনো নির্দিষ্ট নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়, তেনেদৰে বিশ্বৰ ৰাষ্ট্ৰসমূহেও কিছুমান নৈতিক আৰু বৈধ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হয়। ইয়াকেই আমি আন্তঃৰাষ্ট্ৰীয় আইন বুলি কওঁ। আন্তঃৰাষ্ট্ৰীয় সম্পর্ক স্থাপন আৰু ৰাষ্ট্ৰীয় নীতি-নিয়মসমূহৰ কার্যকৰীকৰণ আৰু ৰাষ্ট্ৰীয় স্বার্থ পূৰণ কৰাৰ বাবে শক্তিৰ ব্যৱহাৰৰ প্ৰয়োজন হয়। সাধাৰণতে শক্তিৰ ব্যৱহাৰে যুদ্ধ বা যুদ্ধৰ ভাবুকিক বুজায়। যদি প্ৰত্যেক ৰাষ্ট্ৰই নিজৰ ক্ষমতা অন্যান্য চুবুৰীয়া ৰাষ্ট্ৰৰ ওপৰত বাধাহীনভাৱে প্ৰয়োগ কৰে তেন্তে বিশ্বসমাজ যুদ্ধথলীত পৰিণত হ'ব। তাত কোনো শান্তি বা স্থিৰতা নাথাকিব। তাত এক চিৰন্তন যুদ্ধৰ পৰিস্থিতিয়ে দেখা দিব। সেয়েহে আন্তঃৰাষ্ট্ৰীয় আইনৰ জৰিয়তে ৰাষ্ট্ৰীয় ক্ষমতাৰ ওপৰত বাধা প্ৰয়োগ কৰাটো অনিবার্য হৈ পৰে। আন্তঃৰাষ্ট্ৰীয় আইন প্ৰকৃততে আইন নহয় কাৰণ এনে আইন প্ৰণয়ন, প্ৰয়োগ আৰু প্ৰৱর্তনৰ বাবে কোনো নির্দিষ্ট সংস্থা নাই। ইয়াৰ কার্যকাৰিতা বহু পৰিমাণে ৰাষ্ট্ৰৰ ইচ্ছাৰ ওপৰত নির্ভৰ কৰে।

তথাপি আন্তঃৰাষ্ট্ৰীয় আইনে সামূহিক নিৰাপত্তা স্থাপনৰ বাবে ৰাষ্ট্ৰসমূহক ব্যৱস্থা গ্ৰহণৰ বাবে সন্মতি প্ৰদান কৰে। এনে ৰাষ্ট্ৰসমূহে সমূহীয়াকৈ তেওঁলোকৰ স্বাধীনতাৰ ওপৰত অহা ভাবুকিসমূহক ৰোধ কৰিব পাৰে।

নিৰস্ত্ৰীকৰণ ঃ জাতিসংঘ আৰু ৰাষ্ট্ৰসংঘই ৰাষ্ট্ৰীয় ক্ষমতা সীমিত কৰাৰ বাবে নিৰস্ত্ৰীকৰণৰ জৰিয়তে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। বর্তমানে ইয়াৰ প্ৰয়োজনীয়তা বাঢ়িকৈয়ে আহি পৰিছে। সময়ে সময়ে অনুষ্ঠিত হোৱা বিভিন্ন সন্মিলনত পাৰমাণৱিক অস্ত্ৰৰ ব্যৱহাৰক নিয়ন্ত্ৰণ কৰি গোটেই বিশ্বকে ধ্বংসৰ মুখলৈ আগবঢ়াৰ পৰা ৰক্ষা কৰিব পাৰি। সেয়েহে ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় ক্ষমতাৰ বিকাশত বাধা প্ৰদান কৰিব পৰা যায়।

আন্তঃৰাষ্ট্ৰীয় সংগঠন ঃ ৰাষ্ট্ৰসংঘ আৰু জাতিসংঘৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহৰ জৰিয়তেও ৰাষ্ট্ৰীয় ক্ষমতাৰ বৃদ্ধিত বাধা প্ৰদান কৰা হয়। ৰাষ্ট্ৰসংঘৰ মূল উদ্দেশ্যসমূহ হ'ল অন্তৱর্তী শান্তি স্থাপনৰ বাবে সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তে শান্তিৰ প্ৰতি উঠা ভাবুকিসমূহ নাইকিয়া কৰা, সকলোধৰণৰ শোষণ, আগ্ৰাহন, আক্ৰমণ আদি যিয়ে শান্তি ভংগ কৰিব পাৰে সেয়া নাইকিয়া কৰা, শান্তিপূর্ণ উপায়েৰে বিবাদসমূহ নিষ্পতি কৰা, আন্তঃৰাষ্ট্ৰীয় আইন আৰু ন্যায় প্ৰতিষ্ঠা কৰা। ৰাষ্ট্ৰসমূহেও ৰাষ্ট্ৰসংঘৰ চনদৰ এনে আদর্শসমূহ মানি চলিব বুলি আশা কৰা হয়। যদিও ৰাষ্ট্ৰসংঘই কোনো ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিব নোৱাৰে তেতিয়াও শান্তিৰ প্ৰতি ভাবুকি সৃষ্টি কৰা কার্য্যৰ বিৰোধিতা কৰিব পাৰে। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰৰ অবৈধ আৰু অবাধ ক্ষমতাৰ প্ৰয়োজনক বাধা প্ৰদান কৰা হয়।

ৰাষ্ট্ৰসংঘৰ দৰে সংগঠনে বিশ্বশান্তি বাহাল ৰখাত এক বিশেষ ভূমিকা পালন কৰি আহিছে। ই এক জনমত গঠনৰ মঞ্চ হিচাপেও কাম কৰে। ১৯৪৫ চনত ইয়াৰ জন্ম হোৱা পিচৰ পৰা বিভিন্ন বৃহৎ শক্তিসমূহক বাধা প্ৰদান কৰি মুক্ত বিবাদৰ পৰা গোটেই পৃথিৱীত ৰক্ষা কৰিবলৈ সক্ষম হৈছে। ভৱিষ্যতেও ৰাষ্ট্ৰসংঘই শান্তি ৰক্ষাৰ ক্ষেত্ৰত আৱশ্যকীয় ভূমিকা পালন কৰি বিভিন্নধৰণৰ উন্নয়মূলক পৰিকল্পনা গ্ৰহণ কৰিব বুলি আশা কৰা হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰাষ্ট্ৰীয় ক্ষমতাৰ যিকোনো দুটা সীমাবদ্ধতা উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৫ ঃৰাষ্ট্ৰীয় ক্ষমতা ৰোধ কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় নৈতিকতাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

.....

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ক্ষমতাৰ ধাৰণাটো অতিকৈ জটিল। বহল অর্থত ক'বলৈ হ'লে ক্ষমতা হ'ল কোনো এজনে আন এজনক নিজৰ ইচ্ছা অনুসৰি কাম কৰোৱাৰ দক্ষতা, অর্থাৎ যিসকল লোকৰ আন ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ কার্যকলাপ নিয়ন্ত্ৰণৰ ক্ষমতা আছে তেনে লোককে ক্ষমতাশালী বুলি কোৱা হয়। আনকথাত ক'বলৈ হ'লে ই হ'ল নিজৰ ইচ্ছা অনুসৰি আনৰ আচৰণ নিয়ন্ত্ৰণ কৰাৰ দক্ষতা। আন্তর্জাতিক ক্ষেত্ৰত প্ৰত্যেক ৰাষ্ট্ৰই আন ৰাষ্ট্ৰৰ তুলনাত নিজৰ ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি কৰিব বিচাৰে।
- ৰাষ্ট্ৰীয় ক্ষমতাৰ বিভিন্নধৰণৰ উপাদান থকা দেখিবলৈ পোৱা যায়। এই উপাদানসমূহক ৰাষ্ট্ৰীয় ক্ষমতাৰ নির্ণায়ক বুলিও ক'ব পাৰি। কিন্তু এই উপাদানসমূহৰ উপস্থিতিয়েই ৰাষ্ট্ৰীয় ক্ষমতা থকাটো নুবুজায়। ইয়াৰ পৰিবর্তে এই উপাদানসমূহৰ যথাযৎ ব্যৱহাৰেৰে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি হোৱাত সহায় কৰে।
- ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদানসমূহক ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি— প্ৰাকৃতিক, সামাজিক আৰু আদর্শগত। প্ৰাকৃতিক উপাদানে ভৌগলিক ভূ-খণ্ড, প্ৰাকৃতিক সম্পদ আৰু জনসংখ্যাক সামৰি লয়। সামাজিক উপাদানে আর্থিক বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি, সামৰিক শক্তি, ৰাষ্ট্ৰীয় ৰাজনৈতিক গাঁথনি ইত্যাদিক সুচায়। আদর্শগত উপাদানে নেতৃত্বৰ আদর্শ, জ্ঞান আৰু নৈতিকতাক সামৰি লয়।

- অর্গেনস্কিৰ মতে ৰাষ্ট্রসমূহে চাৰিটা উপায়েৰে ক্ষমতাৰ ব্যৱহাৰ কৰিব পাৰে। সেয়া হ'ল — প্ৰৰোচনা, পুৰস্কাৰ, শাস্তি আৰু শক্তিৰ ব্যৱহাৰ।
- যেনেদৰে কিছুমান উপাদানে ৰাষ্ট্ৰীয় ক্ষমতা বৃদ্ধি কৰে, ঠিক তেনেধৰণে আন কিছুমান উপাদানে ৰাষ্ট্ৰীয় ক্ষমতাৰ বৃদ্ধিত সীমাবদ্ধতা আৰোপ কৰে। সেইবোৰ হ'ল — ক্ষমতাৰ ভাৰসাম্যতা, আন্তঃৰাষ্ট্ৰীয় নৈতিকতা, বিশ্ব জনমত, আন্তঃৰাষ্ট্ৰীয় আইন, নিৰস্ত্ৰীকৰণ আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠন।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ, নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অর্গেনস্কি

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰৰোচনা, পুৰস্কাৰ, শাস্তি আৰু শক্তি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অৱস্থিতিয়েও ৰাষ্ট্ৰ এখনৰ ক্ষমতা বৃদ্ধিত নিৰ্ণায়কৰ ভূমিকা লয়। এইটোৰে ৰাষ্ট্ৰখনৰ আক্ৰমণৰ সম্ভাৱনাকো নিৰ্ণয় কৰে। যেনে— ইংলেণ্ড আৰু জাপানৰ সফলতা নিৰ্ভৰ কৰে। ইয়াৰ অধিকাংশই পানীয়ে আগুৰি আছে। ইংলেণ্ডৰ অৱস্থিতিয়ে ৰাষ্ট্ৰখনক ব্যৱসায়-বাণিজ্য বৃদ্ধিৰ লগতে এক নৌশক্তিত পৰিণত কৰাত সহায় কৰিছে। সাধাৰণতে এখন ৰাষ্ট্ৰৰ বৈদেশিক নীতি ৰাষ্ট্ৰখনৰ অৱস্থানৰ

ওপৰত নির্ভৰ কৰে। এখন ৰাষ্ট্ৰৰ কৌশলগত অৱস্থানেও এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এইক্ষেত্ৰত মধ্যপ্ৰাচ্যৰ উদাহৰণ দিব পাৰি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষমতাৰ ভাৰসাম্যতা আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠন।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণতে এখন সমাজত মানৱীয় আচৰণ নির্ধাৰিত হয় কিছুমান নৈতিক নীতি-নিয়মৰ জৰিয়তে। ঠিক সেইদৰে আন্তঃৰাষ্ট্ৰীয় পৰিৱেশতো ৰাষ্ট্ৰসমূহৰ আচৰণ নির্ধাৰিত হয় কিছুমান আন্তঃৰাষ্ট্ৰীয় নীতি-নিয়মৰ দ্বাৰা। আন্তঃৰাষ্ট্ৰীয় নীতি-নিয়মসমূহে কিছুমান মূল্যবোধৰ ওপৰত গুৰুত্ব দিয়ে, সেইবোৰ হৈছে— শান্তি, শৃংখলাবদ্ধতা, ক্ষমতা, পৰস্পৰ নির্ভৰশীলতা, আনৰ জীৱন আৰু স্বাধীনতাৰ প্ৰতি থকা সন্মান, মানৱ অধিকাৰৰ প্ৰতি থকা সন্মান ইত্যাদি, যিবোৰ প্ৰায়বোৰ ৰাষ্ট্ৰই অনুকৰণ কৰে। সাধাৰণতে প্ৰায়বোৰ ৰাষ্ট্ৰই অনুসৰণ কৰা সার্বজনীন নৈতিক নীতি-নিয়মসমূহকে আন্তঃৰাষ্ট্ৰীয় নৈতিকতা বুলি ক'ব পাৰি।



৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ যিকোনো দুজন ভূ-ৰাজনীতি বিজ্ঞানীৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ঃ ক্ষমতাৰ ব্যৱহাৰ কৰিবলৈ ৰাষ্ট্ৰসমূহে অৱলম্বন কৰা যিকোনো দুটা উপায় উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ কোন পণ্ডিতে মত প্ৰকাশ কৰিছিল যে ৰাষ্ট্ৰসমূহে প্ৰৰোচনা, পুৰস্কাৰ, শাস্তি আৰু শক্তিৰ জৰিয়তে ক্ষমতাৰ ব্যৱহাৰ কৰে?

প্ৰশ্ন ৪ঃ ৰাষ্ট্ৰীয় ক্ষমতাৰ যিকোনো দুটা সীমাবদ্ধতা উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ক্ষমতাৰ ব্যৱহাৰ কৰিবলৈ ৰাষ্ট্ৰসমূহে অৱলম্বন কৰা প্ৰৰোচনা আৰু পুৰস্কাৰ উপায় দুটা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় ক্ষমতাৰ উপাদান হিচাপে ভৌগলিক ভূ-খণ্ড আৰু প্ৰযুক্তিবিদ্যাৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ অর্থ ব্যাখ্যা কৰক। ৰাষ্ট্ৰীয় ক্ষমতাৰ যিকোনো পাচটা উপাদান আলোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় ক্ষমতাৰ সীমাবদ্ধতাসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ৬ ঃ ক্ষমতাৰ ভাৰসাম্য নীতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ক্ষমতাৰ ভাৰসাম্য নীতি

- ৬.৩.১ ক্ষমতাৰ ভাৰসাম্য নীতিৰ অর্থ
- ৬.৩.২ ক্ষমতাৰ ভাৰসাম্য নীতিৰ ক্রমবিকাশ
- ৬.৩.৩ ক্ষমতাৰ ভাৰসাম্য নীতিৰ ধাৰণাসমূহ

৬.৪ ক্ষমতাৰ ভাৰসাম্যতাৰ শ্রেণীবিভাজনসমূহ

- ৬.৪.১ ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বিভিন্ন কৌশল
- ৬.৪.২ ক্ষমতাৰ ভাৰসাম্য নীতিৰ প্রাসংগিকতা

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ক্ষমতাৰ ভাৰসাম্য নীতিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ক্ষমতাৰ ভাৰসাম্য নীতিৰ ক্রমবিকাশ আলোচনা কৰিব পাৰিব
- ক্ষমতাৰ ভাৰসাম্য নীতিৰ ধাৰণাৰ ব্যাখ্যা কৰিব পাৰিব
- ক্ষমতাৰ ভাৰসাম্যতাৰ শ্রেণীবিভাগসমূহ আলোচনা কৰিব পাৰিব
- ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বিভিন্ন কৌশল আৰু ইয়াৰ প্রাসংগিকতাৰ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

আগৰ অধ্যায়ত আমি ক্ষমতাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰোতে জানিবলৈ সক্ষম হৈছিলো যে আন্তর্জাতিক ৰাজনীতিৰ ক্ষেত্রত ক্ষমতাৰ বিভিন্ন সীমাবদ্ধতা আছে। এই সীমাবদ্ধতাসমূহৰ মাজৰ এটা হৈছে ক্ষমতাৰ ভাৰসাম্যতা। সাধাৰণ অর্থত ক'বলৈ গ'লে ক্ষমতাৰ ভাৰসাম্যতাৰ ধাৰণাটো হৈছে এনে এটা উপায় যাৰ জৰিয়তে কোনো এখন দেশৰ ইচ্ছা আন দেশৰ ওপৰত আৰোপ কৰাটো প্রতিৰোধ কৰিব পাৰি। ক্ষমতাৰ ভাৰসাম্যতা হৈছে এক প্রকাৰৰ অৱৰোধ আৰু সন্তুলন। এই অধ্যায়ত আমি ক্ষমতাৰ ভাৰসাম্যতাৰ ধাৰণাৰ সৈতে জড়িত বিভিন্ন দিশসমূহ আলোচনা কৰিম।

৬.৩ ক্ষমতাৰ ভাৰসাম্য নীতি

৬.৩.১ ক্ষমতাৰ ভাৰসাম্য নীতিৰ অর্থ

ক্ষমতাৰ ভাৰসাম্য নীতি আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ এটা প্ৰাচীন ধাৰণা। ক্ষমতাৰ ভাৰসাম্য নীতিৰ জৰিয়তে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰসমূহৰ মাজত একধৰণৰ সম্পৰ্ক স্থাপন কৰাৰ চেষ্টা কৰা হয়। বিভিন্ন ৰাষ্ট্ৰৰ ক্ষমতাৰ পৰিধি বেলেগ বেলেগ ধৰণৰ হয়। সকলো ৰাষ্ট্ৰই নিজৰ ক্ষমতাৰ পৰিসৰ বৃদ্ধি কৰাৰ চেষ্টা কৰে আৰু এই লক্ষ্য সাধনৰ বাবে ৰাষ্ট্ৰসমূহে কিছুমান গোট গঠন কৰে, যাতে আন শক্তিশালী ৰাষ্ট্ৰই তেওঁলোকক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এনেধৰণে কোনো এটা শক্তিশালী গোটৰ লগত সামঞ্জস্য ৰক্ষা কৰাৰ বাবে আন আন গোট গঠন কৰা হয়। শান্তি বাহাল ৰখাই ক্ষমতাৰ ভাৰসাম্য নীতিৰ একমাত্ৰ উদ্দেশ্য।

৬.৩.২ ক্ষমতাৰ ভাৰসাম্য নীতিৰ ক্ৰমবিকাশ

আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ ক্ৰমবিকাশৰ লগতে ক্ষমতাৰ ভাৰসাম্য নীতিৰ উৎপত্তি জড়িত হৈ আছে। ১৬ৰ পৰা ১৯ শতিকাৰ ভিতৰত ইয়াৰ প্ৰভাৱ ইউৰোপৰ ৰাজনীতিত দেখিবলৈ পোৱা গৈছিল। বিশেষকৈ ইটালীৰ ৰাজনীতি প্ৰতিহত কৰিবলৈ স্পেইন, ফ্ৰান্স আৰু প্ৰুছিয়াৰ ৰাজশক্তিবিলাক মিলিত হৈ ক্ষমতাৰ ভাৰসাম্য অনাৰ চেষ্টা কৰিছিল। বার্নাডো ৰুছেলেই (Bernardo Rucellai) পোন প্ৰথমবাৰৰ বাবে ক্ষমতাৰ ভাৰসাম্য ধাৰণাৰ ব্যাখ্যা আগবঢ়াইছিল। পিচলৈ ইটালীৰ ৰাজনৈতিক দার্শনিক মেকিয়াভেলীয়ে ইয়াৰ ব্যাখ্যা আগবঢ়াইছিল। মেকিয়াভেলীয়ে নিজৰ 'The Prince' নামৰ গ্ৰন্থত এইটোৰ বিষয়ে উল্লেখ কৰিছিল যে আন কোনো শক্তিৰ বৃদ্ধিয়ে নিজৰ ক্ষমতা ধ্বংস কৰিব পাৰে।

১৬ শতিকাত ইটালীৰ নগৰৰাষ্ট্ৰসমূহত এই ধাৰণা জনপ্ৰিয় হৈছিল। মৰ্গেনথিউৰ মতে আধুনিক সমাজত এই নীতি ফ্ৰান্সৰ ৰজা ফেন্সীস্ প্ৰথমে ইংলেণ্ডৰ ৰজা হেন্ৰি অষ্টম আৰু টুৰ্কীয়সকলৰ লগত কৰা মিত্ৰতাৰ ৰূপত দেখিবলৈ পোৱা যায়। এই মিত্ৰতাই **হেপ্সবাৰ্গ**ৰ চার্লছ পঞ্চমৰ সাম্ৰাজ্যবাদী নীতিক বাধা দিব বিচাৰিছিল। ১৬ শতিকাত ফ্ৰান্স আৰু **পৱিত্ৰ ৰোমান সাম্ৰাজ্য**ৰ মাজৰ ভাৰসাম্য ৰক্ষাত ইংলেণ্ডে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

১৬৪৮ চনত ৱেষ্ট ফেলিয়াৰ সন্ধিয়ে জাতীয় ৰাষ্ট্ৰ ব্যৱস্থা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ এক প্ৰতিচ্ছবি দাঙি ধৰে। ফলত ক্ষমতাৰ ৰাজনীতিত ক্ষমতাৰ ভাৰসাম্য নীতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালনৰ সুবিধা পায়। যেতিয়াই ক্ষমতাৰ ভাৰসাম্য ব্যৱস্থাৰ প্ৰতি ফ্ৰান্সৰ ৰজা চতুৰ্দশ লুইচৰ উচ্চাকাংক্ষাই ভাবুকিৰ সৃষ্টি কৰে তেতিয়াই এওঁৰ প্ৰচেষ্টাক ইংলেণ্ড আৰু নেদাৰলেণ্ডে মিলি প্ৰতিহত কৰাৰ চেষ্টা কৰে।

১৮ শতিকাত ভাৰসাম্য ৰক্ষাত **উৎট্ৰেক** (Utrecht) সন্ধিয়ে ভাৰসাম্য ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই সন্ধিৰ জৰিয়তে স্পেনিচ বংশানুক্ৰমিক যুদ্ধৰ অৱসান ঘটে

হেপ্সবাৰ্গ (Hapsburg) ঃ ইউৰোপৰ এক আটাইতকৈ শক্তিশালী ৰাজকীয় বংশ।

পৱিত্ৰ ৰোমান সাম্ৰাজ্য ঃ ইউৰোপৰ এক বৃহৎ ৰাষ্ট্ৰ আছিল, কিয়নো ইয়াৰ অস্তিত্ব মধ্য আৰু আধুনিক যুগৰ পাশ্চাত্য আৰু মধ্যৱর্তী ইউৰোপলৈ বিস্তৃত হৈ আছিল। ই পোপ আৰু সম্ৰাটৰ মাজত সম্পৰ্ক স্থাপন কৰে।

উট্ৰেকত (Utrecht) ঃ ১৭০০ চনৰ উট্ৰেক নামৰ ডাটচ নগৰ এখনত ইউৰোপীয় ৰাষ্ট্ৰসমূহে এক শান্তিপূৰ্ণ সন্ধি বা চুক্তিত মিলিত হয়।

আৰু স্পেনিচৰ অংশ ফ্ৰান্স আৰু অষ্ট্ৰিয়াৰ মাজত এনেদৰে ভাগ কৰি লোৱা হয় যাতে ইউৰোপত ভাৰসাম্য প্ৰতিষ্ঠা কৰিব পৰা যায়।

১৯ শতিকাত **নেপলিয়ান বেনাপার্টৰ** ক্ষমতাৰ উত্থানৰ লগে লগে ক্ষমতাৰ ভাৰসাম্যতাত বাধা আহি পৰে। ফলত **ভিয়েনাৰ কংগ্ৰেছে** ইউৰোপত ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ বাবে বৈধতা আৰু স্থিতাৱস্থাৰ মতবাদ গঢ়ি তোলে। ১৮২৩ চনৰ মন্ত্ৰচুক্তিত ক্ষমতাৰ ভাৰসাম্য ব্যৱস্থাৰ বিশ্বজুৰি ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰা হয়। ক্ষমতাৰ ভাৰসাম্য ব্যৱস্থা ১৮৫৪ চনত ইউৰোপৰ সমগ্ৰ ভূমি যেনে ফ্ৰান্স, ব্ৰিটেইন আৰু অষ্ট্ৰিয়াৰ মাজত ৰাছিয়াৰ বিৰুদ্ধাচৰণ কৰাৰ বাবে গঢ় লৈ উঠিছিল।

বিংশ শতিকাত ইউৰোপ ঘাইকৈ দুটা ভাগত বিভক্ত হৈছিল ত্ৰি-পক্ষীয় মৈত্ৰীৰ পক্ষ (Triple Entente) (গঠন হৈছিল ইংলেণ্ড, ফ্ৰান্স আৰু ৰাছিয়াক লৈ) বনাম ত্ৰি-পক্ষীয় সন্ধি গোষ্ঠী (Triple Alliance) (জার্মানী, অষ্ট্ৰিয়া, হাংগেৰী আৰু ইটালীক লৈ গঢ় লৈ উঠিছিল)। দুয়ো পক্ষৰ মাজত ভাৰসাম্য গঢ়ি তোলাৰ চেষ্টা কৰা হৈছিল। কিন্তু এই ভাৰসাম্যতা ৰালকান অঞ্চলত ভংগ হয় আৰু তাৰ ফলস্বৰূপে প্ৰথম মহাসমৰে দেখা দিয়ে। ১৯১৯ আৰু ১৯৩৯ চনৰ দুই মহাসমৰৰ মাজৰ সময়ছোৱাত এই তত্ত্বটোৱে সামূহিক নিৰাপত্তাৰ লগত এক অযোগ্য তত্ত্ব হিচাপে দেখা দিছিল। জাতিসংঘৰ পতনৰ লগে লগে যেনেধৰণে সামূহিক নিৰাপত্তা ব্যৱস্থাৰ ওপৰত মানুহে আস্থা হেৰুৱাইছিল ঠিক তেনেদৰে অৱশ্যে ক্ষমতাৰ ভাৰসাম্যতাৰ ওপৰত কিছুমান মানুহে আস্থা হেৰুওৱা নাছিল। কিন্তু ভাৰসাম্যতা ৰক্ষাৰ বাবে বিভিন্ন ৰাষ্ট্ৰৰ মাজত যেনেধৰণৰ সন্ধি আৰু বিপৰীত সন্ধিৰ সৃষ্টি হৈছিল সেইটোৱে দ্বিতীয় মহাসমৰৰ জন্ম দিছিল। যুদ্ধৰ পৰৱর্তী সময়ছোৱাত পুৰণি ক্ষমতাৰ ভাৰসাম্য নীতিৰ অব্যৱহাৰ যোগ্যতা প্ৰমাণিত হয় আৰু দ্বিমেৰু (bipolar) ব্যৱস্থা আৰু বহু মেৰু (multi-polar) ব্যৱস্থাৰ জন্ম হয়। এইবিলাকেও অৱশ্যে ক্ষমতাৰ ভাৰসাম্য নীতিকে দেখুৱায়। বর্তমান বিশ্ব ৰাজনীতিত এক নির্দিষ্ট ভাৰসাম্যতা ৰক্ষা কৰোতাৰ অনুপস্থিতি দেখিবলৈ পোৱা যায়।

নেপলিয়ন বোনাপার্ট ঃ তেওঁ ফ্ৰান্সৰ এজন শক্তিশালী ৰাজনৈতিক আৰু সামৰিক নেতা আছিল, যিয়ে ১৯ শতিকাৰ ইউৰোপীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল।

ভিয়েনা কংগ্ৰেছ ঃ অষ্ট্ৰিয়াৰ ভিয়েনা নামৰ ঠাইত ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰদূতসকলে এক সন্মিলনত মিলিত হয় যিয়ে ১৮১৪ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা ১৮১৫ চনৰ জুন মাহলৈ সকলো বিবাদ নিষ্পত্তি কৰাৰ বাবে আৰু ইউৰোপৰ ৰাজনীতিক বিকাশৰ বাবে সন্মিলিত হৈছিল।

৬.৩.৩ ক্ষমতাৰ ভাৰসাম্য নীতিৰ ধাৰণাসমূহ

ক্ষমতাৰ ভাৰসাম্য নীতিৰ ধাৰণাসমূহ হ'ল—

১) প্ৰতিখন ৰাষ্ট্ৰই নিজৰ আৱশ্যকীয় স্বার্থসমূহ পূৰণ কৰাৰ বাবে আৰু অধিকাৰ আৰু বিশেষ অধিকাৰ ৰক্ষা কৰাৰ বাবে যিকোনো শান্তিপূর্ণ অথবা হিংসাৰ উপায় অৱলম্বন কৰা দেখা যায়। ৰাষ্ট্ৰসমূহৰ কিছুমান অত্যাৱশ্যকীয় স্বার্থ হ'ল ভৌগোলিক অখণ্ডতা, স্বাধীনতা, সুৰক্ষা, আভ্যন্তৰীণ আর্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থা সুৰক্ষিত কৰা ইত্যাদি।

২) প্ৰতিখন ৰাষ্ট্ৰই ক্ষমতা আহৰণ কৰিব বিচাৰে তেওঁলোকৰ অত্যাৱশ্যকীয় স্বার্থসমূহ পূৰণ কৰাৰ বাবে।

৩) ক্ষমতাৰ ভাৰসাম্যতাই কোনো এখন ৰাষ্ট্ৰক আক্ৰমণ কৰাৰ পৰা বিৰত ৰাখে আৰু কোনো এক ৰাষ্ট্ৰক নিজৰ ওপৰত আক্ৰমণ হোৱাৰ পৰা বচাই ৰাখে।

ৰাষ্ট্ৰসমূহে সাধাৰণতে ক্ষমতাৰ উৎকৃষ্টতা প্ৰদৰ্শন কৰিবৰ বাবে আক্ৰমণ কৰে। তেওঁলোকে ক্ষমতাক ভাগ কৰি নিজৰ ফলীয়া কৰাৰ বাবে যুদ্ধৰ সহায় লোৱা দেখা যায়।

৪) ৰাষ্ট্ৰসমূহৰ ক্ষমতা নিৰ্ধাৰিত হয় ৰাষ্ট্ৰখনৰ সম্পদসমূহ আৰু সামৰিক বাহিনীৰ অৱস্থিতিৰ ওপৰত।

৫) ৰাষ্ট্ৰখনৰ বৈদেশিক নীতিৰ নিৰ্ধাৰণ কৰা হয় সেই ৰাষ্ট্ৰৰ ক্ষমতাৰ ওপৰত যিয়ে ক্ষমতাৰ ভাৰসাম্যতাৰ ওপৰতো প্ৰভাৱ পেলায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে সৰ্বপ্ৰথমে ক্ষমতাৰ ভাৰসাম্য নীতিৰ অৱতাৰণা কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃক্ষমতাৰ ভাৰসাম্যতাৰ যিকোনো দুটা ধাৰণা উল্লেখ কৰক।

.....

.....

৬. ৪ ক্ষমতাৰ ভাৰসাম্যতাৰ শ্ৰেণীবিভাজনসমূহ

ক্ষমতাৰ ভাৰসাম্যতা তিনি প্ৰকাৰৰ—

১) **সাধাৰণ আৰু জটিল ক্ষমতাৰ ভাৰসাম্যতা ঃ** যেতিয়া পৃথিৱীৰ বিভিন্ন জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ভাৰসাম্যতা বজাই ৰাখিব বিচৰা হয়, তেনে ব্যৱস্থাক সাধাৰণ ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়। আনহাতে যদি ভাৰসাম্যতাই দুখন শক্তিশালী ৰাষ্ট্ৰক যুদ্ধৰ পৰা বিৰত ৰখাৰ যত্ন কৰে, তেনে ব্যৱস্থাক জটিল ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়।

২) **স্থানীয়, আঞ্চলিক আৰু বিশ্বজুৰি ক্ষমতাৰ ভাৰসাম্যতা ঃ** ক্ষমতাৰ ভাৰসাম্যতাৰ প্ৰকৃতি নিৰ্ভৰ কৰে ইয়াৰ ওপৰত যে কোন অঞ্চলত এনে ভাৰসাম্যতা ৰক্ষা কৰা হৈছে। যদিহে ক্ষমতাৰ ভাৰসাম্যতাই কোনো এখন ৰাষ্ট্ৰক অন্যান্য ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰৰ স্বাধীনতাক ভাবুকি প্ৰদান কৰাৰ পৰা বিৰত ৰাখে, তেন্তে ইয়াক স্থানীয় বুলি কোৱা হয়। আনহাতে কোনো এক ভৌগোলিক অঞ্চলৰ বা ৰাজনৈতিক অঞ্চলৰ ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ চেষ্টা কৰিলে তাক আঞ্চলিক ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়। তাৰ উপৰি গোটেই বিশ্বজুৰিও ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ চেষ্টা কৰা হয়, য'ত বিশ্বৰ বহু অঞ্চল সামৰি লোৱা হয়।

৩) **নমনীয় আৰু অনমনীয় ক্ষমতাৰ ভাৰসাম্যতা ঃ** যেতিয়া কোনো দুটা শক্তিগোষ্ঠী বা ৰাষ্ট্ৰই নিজৰ স্থিতি সলনি কৰিব নিবিচাৰে তেতিয়া তাক অনমনীয় ক্ষমতাৰ ভাৰসাম্যতা

বোলা হয়। শীতল যুদ্ধৰ সময়ত আমেৰিকা আৰু ছোভিয়েট ৰাছিয়াৰ নেতাসকলক এইশ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াৰ বিপৰীতে যেতিয়া কোনো ৰাষ্ট্ৰই নিজৰ স্থিতি সলনি কৰি নতুন সন্ধি বা চুক্তিত মিলিত হ'বলৈ ইচ্ছুক হয়, তেতিয়া তাক নমনীয় ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়।

৬.৪.১ ক্ষমতাৰ ভাৰসাম্য ৰক্ষাৰ বিভিন্ন কৌশল

ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ বিভিন্ন কৌশলসমূহ দেখা পোৱা যায়—

- **মৈত্ৰী আৰু বিপৰীত মৈত্ৰী ঃ** ভাৰসাম্যতা ৰক্ষাৰ এটা কৌশল হ'ল মিত্ৰপক্ষ আৰু বিৰোধী মিত্ৰপক্ষ গঠন। মিত্ৰপক্ষ সুৰক্ষামূলক আৰু আক্ৰমণাত্মক দুইধৰণৰ হ'ব পাৰে।
- **ক্ষতিপূৰণ ঃ** এনেধৰণৰ আহিলাৰ জৰিয়তে সাধাৰণতে কোনো এটা অঞ্চল বিভাজিত কৰা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে, স্পেইনৰ অংশসমূহ বাৰবান্স (ফ্ৰান্স)ৰ আৰু হেপ্সবাৰ্গ (স্পেইন)ৰ মাজত ক্ষমতাৰ ভাৰসাম্যতাৰ বাবে ভাগ কৰি লোৱা হয়।
- **শসস্ত্ৰিকৰণ আৰু নিৰস্ত্ৰিকৰণ ঃ** ৰাষ্ট্ৰসমূহৰ এইটো সহজাত প্ৰবৃত্তি যে অস্ত্ৰ-শস্ত্ৰ বৃদ্ধিৰ জৰিয়তে ক্ষমতাৰ আহৰণৰ চেষ্টা কৰে যাতে ক্ষমতাৰ ভাৰসাম্যতা তেওঁলোকৰ সপক্ষে হয়। তেনেধৰণে নিৰস্ত্ৰিকৰণ আৰু আনুপাতিকভাৰে অস্ত্ৰ-শস্ত্ৰক হ্ৰাস কৰাৰ জৰিয়তেও ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ চেষ্টা কৰা দেখা যায়।
- **হস্তক্ষেপ আৰু যুদ্ধ ঃ** হস্তক্ষেপ আৰু অহস্তক্ষেপ নীতিক কোনো ৰাষ্ট্ৰই ভাৰসাম্যতা ৰক্ষাৰ উপায় বা আহিলা হিচাপে প্ৰয়োগ কৰে। হস্তক্ষেপ সাধাৰণতে পুৰণি মিত্ৰতা গঠন অথবা নতুনকৈ মিত্ৰতা কৰাৰ বাবে ব্যৱহাৰ কৰা হয় যাতে ক্ষমতাৰ ভাৰসাম্যতাৰ ওপৰত ভাবুকি আহি নপৰে। যেনে— ১৯৫৬ চনত ছোভিয়েট ৰাছিয়াই পোলেণ্ড আৰু হাংগেৰীৰ ওপৰত হস্তক্ষেপ, ১৯৬৮ চনত জেকশ্লাভিয়াৰ ওপৰত হস্তক্ষেপ আৰু ১৯৭৯ চনত আফগানিস্থানৰ ওপৰত হস্তক্ষেপ ইত্যাদি।
- **অন্তঃস্থ ৰাজ্য** (Buffer State) ঃ কোনো মধ্যৱৰ্তী ৰাষ্ট্ৰৰ গঠনৰ জৰিয়তেও ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ চেষ্টা কৰা হয়।এনে মধ্যৱৰ্তী ৰাষ্ট্ৰই দুখন শক্তিশালী ৰাষ্ট্ৰৰ মাজত এক কোমলতাৰ সৃষ্টি কৰে। যেনে— ৰাছিয়া আৰু জাৰ্মানীৰ মাজত পোলেণ্ডক মধ্যৱৰ্তী ৰাষ্ট্ৰ হিচাপে দেখা যায়।
- **বিভাজন আৰু শাসন ঃ** বহু সময়ত বিভিন্ন ৰাষ্ট্ৰই নিজৰ শত্ৰুপক্ষক দুৰ্বল কৰিবলৈ এনে পদ্ধতি অৱলম্বন কৰা দেখা যায়। এইটোৰ জৰিয়তে ৰোমানসকলে নিজৰ সাম্ৰাজ্যৰ ভিতৰত বিভিন্ন অঞ্চল নিয়ন্ত্ৰণাধীন কৰি ৰাখিবলৈ সক্ষম হৈছিল। গ্ৰেট ব্ৰিটেইনেও নিজৰ সাম্ৰাজ্য গঢ়ি তোলাত বহু পৰিমাণে সহায় কৰিছিল। ১৭ শতিকাৰ পৰা বিংশ শতিকাৰ আৰম্ভণিলৈ ফ্ৰান্সে জাৰ্মানীক নিয়ন্ত্ৰণ কৰিবলৈ এনে নীতি গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছিল।

৬.৪.২ ক্ষমতাৰ ভাৰসাম্য নীতিৰ প্ৰাসংগিকতা

বৰ্তমান পৰিস্থিতি চাবলৈ হ'লে ক্ষমতা ভাৰসাম্যতা নীতিয়ে শান্তি প্ৰতিষ্ঠাত যথেষ্ট পৰিমাণে সহায় কৰিছে। এই নীতিৰ মুখ্য উদ্দেশ্য হ'ল ক্ষমতাৰ সাম্যাৱস্থা স্থাপন কৰি আক্ৰমণ প্ৰতিহত কৰাৰ চেষ্টা কৰা। কাৰণ এনে পৰিস্থিতিত কোনো ৰাষ্ট্ৰই আক্ৰমণ কৰিলে বিজয়ী হোৱাৰ সম্ভাৱনা নাথাকে। ফলত যুদ্ধৰ পৰা দূৰত থাকে। কাৰৰ মতে ইউৰোপত ১৯ শতিকাত এই ব্যৱস্থা থকাৰ বাবে শান্তি ব্যৱস্থা বাহাল হৈছিল। কিন্তু দ্বিতীয় মহাসমৰৰ পিচত বহুতো পণ্ডিতে মন্তব্য কৰে যে অতি সোনকালে ক্ষমতাৰ ভাৰসাম্যতাই নিজৰ স্থিতি হেৰুৱাব। কাৰণ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত নতুন প্ৰক্ৰিয়া বিকাশ সাধন হৈছে। যিবিলাক নতুন শক্তিয়ে ক্ষমতাৰ বিভাজনৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰিছে সেইবিলাক হ'ল ৰাষ্ট্ৰীয় স্থিতিৰ প্ৰতি সজাগতা, উদ্যোগিক বিকাশ, গণতন্ত্ৰৰ জনপ্ৰিয়তা, সাৰ্বজনীন শিক্ষা, আন্তঃৰাষ্ট্ৰীয় আইনৰ বিকাশ, আন্তৰ্জাতিক সংগঠন, ৰাষ্ট্ৰসমূহৰ আৰ্থিক নিৰ্ভৰশীলতা, বিশ্বায়ন, সাম্ৰাজ্যবাদৰ অৱসান আৰু যুদ্ধৰ ব্যৱস্থাৰ পৰিৱৰ্তন। ধ্বংসাত্মক অস্ত্ৰ-শস্ত্ৰৰ প্ৰতি আৰু সৰ্বাত্মক যুদ্ধৰ প্ৰতি থকা ভয়ৰ বাবে যুদ্ধৰ সম্ভাৱনীয়তা বহু পৰিমাণে কম হৈছে। এনেধৰণৰ পৰিৱেশৰ মাজতে বহুতে প্ৰভাৱৰ ভাৰসাম্যতাক ক্ষমতাৰ ভাৰসাম্যতকৈ অধিক গুৰুত্ব দিয়া দেখা গৈছে। বৰ্তমানে শান্তি প্ৰতিষ্ঠা আৰু মানৱ জাতি বৰ্তি থকাৰ বাবে ক্ষমতাৰ ভাৰসাম্যতা বা ভাৰস্যমাহীনতাৰ ওপৰতে নিৰ্ভৰ নকৰি এক বৈকল্পিক পথৰ সন্ধান কৰাই বৰ্তমান যুগৰ এক নতুন চিন্তা হোৱা উচিত। তথাপি তত্ত্বগতভাৱে এই ধাৰণাৰ মূল্য অস্ত্ৰ-শস্ত্ৰ নিয়ন্ত্ৰণ, পাৰস্পৰিক জোঁট গঠন আৰু ৰংগাগনীয় স্থিৰতাৰ বাবে হ্ৰাস কৰিব পৰা যোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সাধাৰণ ক্ষমতাৰ ভাৰসাম্যতা আৰু জটিল ক্ষমতাৰ ভাৰসাম্যতাৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে ব্যৱহাৰ কৰা যিকোনো দুটা কৌশল উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ প্ৰাসংগিকতাৰ বিষয়ে লিখক।

.....

.....

.....



চিন্তা-চর্চা কৰক ৬.১

আপুনি ভাবেনে যে বর্তমান সময়তো ক্ষমতাৰ ভাৰসাম্যতাই নিজৰ প্রাসংগিকতা অব্যাহত ৰাখিব পাৰিছে?

.....

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ক্ষমতা ভাৰসাম্য হ'ল আন্তর্জাতিক ৰাজনীতিৰ সবাতোকৈ পুৰণি ধাৰণাবোৰৰ এটা। সাধাৰণ অর্থত 'ক্ষমতাৰ ভাৰসাম্য' বোলা অভিধাটোৱে বিভিন্ন দেশৰ মাজত থকা ক্ষমতাৰ অতি কমেও এটা মোটামুটি ভাৰসাম্যতাৰ কথা বুজায়।
- এটা দল /গোটৰ ক্ষমতাক অন্য এটা বিৰোধী দল / গোটে সমতাপূর্ণ কৰি ৰাখে। এনে ক্ষমতাৰ ভাৰসাম্যৰ অস্তিত্বৰ ওপৰতে শান্তি বর্তি থকা- নথকাটো নির্ভৰ কৰে।
- ক্ষমতাৰ ভাৰসাম্যৰ ধাৰণাটোৰ উৎস বর্তমানৰ ৰাষ্ট্র ব্যৱস্থাৰ বিকাশৰ ইতিহাসত নিহিত হৈ আছে। ষষ্ঠদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে ইউৰোপত এই ধাৰণাটো সক্রিয় হৈ আছিল। ক্ষমতাৰ ভাৰসাম্য ব্যৱস্থাটো উত্তৰ ইটালীৰ ৰাজকুমাৰসকলৰ সৈতে চলা স্পেইন, ফ্রান্স আৰু প্রুচিয়াৰ শাসকসকলৰ বৈৰীতাত সুস্পষ্টভাৱে প্রতিফলিত হৈছিল। তেওঁলোকে সকলো ধৰণে ইটালীৰ ৰাজনীতিত হস্তক্ষেপ কৰাৰ চেষ্টা চলাইছিল।
- ইটালীৰ বার্ণাড ৰুছেলিয়ানক ক্ষমতাৰ ভাৰসাম্য বোলা ধাৰণাটোৰ ব্যাখ্যা আগবঢ়োৱা প্রথমগৰাকী ব্যক্তি বুলি গণ্য কৰা হয়। তাৰ পাচত ধাৰণাটোৰ আৰু অধিক প্রাঞ্জল ব্যাখ্যা আগবঢ়াইছিল ইটালীৰ ৰাজনৈতিক চিন্তাবিদ মেকিয়াভেলীয়ে। The Prince নামৰ গ্রন্থখনত মেকিয়াভেলীয়ে লিখিছিল যে যিগৰাকী ব্যক্তিয়ে অন্যৰ ক্ষমতা বৃদ্ধিত অৰিহণা যোগায় তেওঁ নিজ ক্ষমতা নাশ কৰে।
- ষষ্টদশ শতিকাত ধাৰণাটোৱে ইটালীৰ নগৰ ৰাষ্ট্রবোৰৰ পৰিধি পাৰ হৈ বিস্তৃত এলেকাত প্রযোজ্য হৈ পৰিছিল। সপ্তদশ শতিকাৰ ১৬৪৮ চনত স্বাক্ষৰিত হোৱা ৱেষ্টফালিয়াৰ সন্ধিত একজাতি ৰাষ্ট্র ব্যৱস্থাটো দৃঢ়তাৰে প্রতিষ্ঠা কৰা হৈছিল আৰু আন্তর্জাতিক সম্পর্কৰ সাধাৰণ ছবি এখন উপস্থাপন কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে ক্ষমতাৰ ভাৰসাম্যৰ ধাৰণাটোৱে আগতকৈ অধিক শক্তিশালী ভূমিকা পালন কৰিবলৈ লৈছিল।
- অষ্টাদশ শতিকাত উট্রেক্ট্ সন্ধি স্থাপনৰ জৰিয়তে ক্ষমতাৰ ভাৰসাম্য বর্তাই ৰখা হৈছিল। এই সন্ধিৰ ফলত স্পেনিচ বংশানুক্রমিক যুদ্ধৰ অৱসান ঘটে। ইউৰোপত ক্ষমতাৰ ভাৰসাম্য

ৰক্ষা কৰিবলৈ এই সন্ধিৰ জৰিয়তে স্পেইনৰ উত্তৰাধিকাৰ ফ্ৰান্স আৰু অষ্ট্ৰিয়াৰ মাজত ভগাই দিয়া উচিত বুলি কোৱা হৈছিল।

- ঊনবিংশ শতিকাত নেপ'লিয়ন বোনাপার্টৰ উত্থানৰ লগে লগে প্ৰচলিত ক্ষমতা ব্যৱস্থাৰ ভাৰসাম্যতাত বাধা আহি পৰে। ভিয়েনা কংগ্ৰেছে সেয়েহে 'বৈধতা' আৰু 'স্থিতাৱস্থা'ৰ মতবাদৰ আধাৰত ইউৰোপত এক নতুন ক্ষমতাৰ ভাৰসাম্য প্ৰতিষ্ঠা কৰিব খুজিছিল।
- বিংশ শতিকাত ইউৰোপ দুটা প্ৰধান ভাগত বিভক্ত হৈছিল। ইংলেণ্ড, ফ্ৰান্স আৰু ৰাছিয়াই মিলি ত্ৰি-পক্ষীয় মৈত্ৰীপূৰ্ণ জোট গঢ়ি তুলি জার্মানী, অষ্ট্ৰিয়া, হাংগেৰী আৰু ইটালীৰ ত্ৰি-পাক্ষিক মিত্ৰগোষ্ঠীৰে বিৰুদ্ধে থিয় দিছিল। বাল্কান অঞ্চলত ক্ষমতাৰ ভাৰসাম্য বাধাপ্ৰাপ্ত হোৱাৰ ফলতেই প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হৈছিল।
- যুদ্ধ মধ্যৱর্তী কালছোৱাত (১৯১৯-১৯৩৯) এই ধাৰণাটোৱে কেৱল তাত্ত্বিক ৰূপতহে কাম কৰিছিল। কাৰণ সমূহীয়া সুৰক্ষাৰ ধাৰণাটোৰ সৈতে ই ফেৰ মাৰিব পৰা নাছিল। কিন্তু জাতিসংঘ ৰূপে প্ৰযোজ্য কৰিব খোজা সমূহীয়া সুৰক্ষাৰ ধাৰণাটো ফলপ্ৰসূ নহ'ল। ই পুনৰ এই আশাৰ সঞ্চাৰ কৰিলে যে ক্ষমতা ব্যৱস্থাৰ ভাৰসাম্যই এক শক্তিশালী ভূমিকা পালন কৰিব পাৰে। কিন্তু ভাৰসাম্য বৰ্তাই ৰখাৰ নামত বিভিন্ন দেশৰ মাজত স্থাপন হোৱা মিত্ৰজোঁট আৰু মিত্ৰজোঁট বিৰোধী গোটবোৰৰ বাৰেই এসময়ত দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণি হ'ল।
- যুদ্ধৰ পাচৰ সময়ছোৱা ক্ষমতাৰ ভাৰসাম্যৰ পুৰণি ব্যৱস্থাটো বর্তি থকাৰ অনুকূল নাছিল। এই সময়ছোৱাত 'দ্বিমেৰু' আৰু 'বহুমেৰু' ব্যৱস্থাৰ দৰে নতুন ধাৰণা বিছুমানৰ উত্থান ঘটিছিল। এই ধাৰণাবোৰে ক্ষমতাৰ ভাৰসাম্যৰ ধাৰণাটোৰ নির্ণায়কৰ ভূমিকা লৈছিল। বর্তমান বিশ্ব ৰাজনীতিত এক নির্দিষ্ট ভাৰসাম্যতা ৰক্ষা কৰোঁতাৰ অনুপস্থিতি দেখিবলৈ পোৱা যায়।
- ক্ষমতাৰ ভাৰসাম্যই কোনো এখন ৰাষ্ট্ৰক অন্য ৰাষ্ট্ৰক আক্ৰমণৰ ভাবুকি প্ৰদান কৰাৰ পৰা বিৰত ৰাখে নাইবা যদি আক্ৰমণ সংঘটিত হয় তেন্তে আক্ৰমণৰ বলি ৰাষ্ট্ৰখনক পৰাজয়ৰ পৰা হাত সৰাত সহায় কৰে। ৰাষ্ট্ৰবোৰে ক্ষমতাৰ ক্ষেত্ৰত সর্বাধিক শক্তিশালী নহ'লে সাধাৰণতে অন্য ৰাষ্ট্ৰক আক্ৰমণ নকৰে। এনে ৰাষ্ট্ৰই যুদ্ধত লিপ্ত হোৱাৰ একমাত্ৰ কাৰণটো হ'ল ক্ষমতাৰ বিতৰণ তেওঁলোকৰ অনুকূলে হ'ব বুলি থকা তেওঁলোকৰ আশা।
- ৰাষ্ট্ৰবোৰে নিজৰ আপেক্ষিক ক্ষমতা স্থিতি হিচাপ কৰি সেইমর্মে সামৰিক প্ৰস্তুতিৰ বাবে আবণ্টন কৰিবলগীয়া সম্পদৰ অনুপাত নির্ধাৰণ কৰে। ৰাজনীতিবিদসকলে বৈদেশিক নীতি বিষয়ক সিদ্ধান্ত গ্ৰহণৰ সময়ত ক্ষমতা বিবেচনাবোৰক আধাৰ হিচাপে লয়। এনে বিবেচনাবোৰে ক্ষমতাৰ ভাৰসাম্যৰ গতি- প্ৰকৃতি নির্ণয় কৰে।
- ক্ষমতাৰ ভাৰসাম্যতা তিনি প্ৰকাৰৰ ঃ সাধাৰণ আৰু জটিল ক্ষমতাৰ ভাৰসাম্যতা; স্থানীয়, আঞ্চলিক আৰু বিশ্বব্যাপী থকা ক্ষমতাৰ ভাৰসাম্যতা; অনমনীয় আৰু নমনীয় ক্ষমতাৰ ভাৰসাম্যতা।

- ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ কিছুমান কৌশল তথা পন্থা আছে। সেইবোৰ হ'ল- মিত্ৰ আৰু মিত্ৰ বিৰোধী জোঁট; ক্ষতিপূৰণ; সশস্ত্ৰকৰণ আৰু নিৰস্ত্ৰীকৰণ; হস্তক্ষেপ আৰু যুদ্ধ; অন্তঃস্থ ৰাজ্য; বিভাজন আৰু শাসন।
- ক্ষমতাৰ ভাৰসাম্যই শান্তি বৰ্তাই ৰখাৰ দিশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল আগ্ৰাসনৰ ওপৰত দৃষ্টি ৰাখি শান্তি সুনিশ্চিত কৰা। ক্ষমতা ভাৰসাম্যতাৰ ক্ষেত্ৰত কোনো ৰাষ্ট্ৰই নিজৰ বিজয় সম্পৰ্কে নিশ্চিত নহয় বাবে যুদ্ধ আৰম্ভ কৰাৰ সাহস দেখুওৱা অনুচিত।
- ক্ষমতাৰ ভাৰসাম্যতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব পৰা নতুন শক্তি কিছুমানৰ উত্থান ঘটিছে। এনে শক্তিবোৰ হ'ল ৰাষ্ট্ৰীয় পৰিচয়ৰ সজাগতা, বৰ্দ্ধিত ঔদ্যোগিকীবাদ, জনপ্ৰিয় গণতন্ত্ৰ, গণশিক্ষা, আন্তৰ্জাতিক আইন আৰু আন্তৰ্জাতিক অনুষ্ঠান প্ৰতিষ্ঠানৰ বিকাশ, ৰাষ্ট্ৰবোৰৰ অৰ্থনৈতিক আন্তঃনিৰ্ভৰশীলতা, বিশ্বায়ন, ঔপনিৱেশিক সীমান্তবোৰৰ বিলুপ্তি আৰু যুদ্ধৰ নতুন পদ্ধতিৰ উত্থান।
- বৰ্তমান সময়ৰ অনুভৱ হ'ল আমি ক্ষমতাৰ 'ভাৰসাম্যতা' নাইবা 'ভাৰসাম্যহীনতা'ৰ ওপৰত অধিক নিৰ্ভৰ কৰাৰ সলনি শান্তি বৰ্তাই ৰখা তথা মানৱ অস্তিত্ব ৰক্ষাৰ বাবে উন্নত বিকল্পৰ সন্ধান কৰিব লাগিব। তাত্ত্বিক দিশেৰে ক্ষমতাৰ ভাৰসাম্যতা এতিয়াও এক গুৰুত্বপূৰ্ণ ধাৰণা হৈ আছে আৰু আধুনিক যুগত ইয়াৰ গুৰুত্ব যথেষ্ট বাঢ়িছে। অস্ত্ৰ-শস্ত্ৰ নিয়ন্ত্ৰণ, কৌশলগত সুস্থিৰতা তথা পাৰস্পৰিক বাধাদানৰ ৰূপত ক্ষমতাৰ ভাৰসাম্যতা প্ৰতিফলিত হয়।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি।* গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005) *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra , Vinay Kumar (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.

৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বার্নাডো ৰুছেলেই।

২ নং প্রশ্নৰ উত্তৰ ঃ

১) প্রতিখন ৰাষ্ট্রই নিজৰ আৱশ্যকীয় স্বার্থসমূহ পূৰণ কৰাৰ বাবে আৰু অধিকাৰ আৰু বিশেষ অধিকাৰ ৰক্ষা কৰাৰ বাবে যিকোনো শান্তিপূর্ণ অথবা হিংসাৰ উপায় অৱলম্বন কৰা দেখা যায়। ৰাষ্ট্রসমূহৰ কিছুমান অত্যাৱশ্যকীয় স্বার্থ হ'ল ভৌগোলিক অখণ্ডতা, স্বাধীনতা, সুৰক্ষা, আভ্যন্তৰীণ আর্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থা সুৰক্ষিত কৰা ইত্যাদি।

২) প্রতিখন ৰাষ্ট্রই ক্ষমতা আহৰণ কৰিব বিচাৰে তেওঁলোকৰ অত্যাৱশ্যকীয় স্বার্থসমূহ পূৰণ কৰাৰ বাবে।

৩ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া পৃথিৱীৰ বিভিন্ন জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ভাৰসাম্যতা বজাই ৰাখিব বিচৰা হয়, তেনে ব্যৱস্থাক সাধাৰণ ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়। আনহাতে যদি ভাৰসাম্যতাই দুখন শক্তিশালী ৰাষ্ট্রক যুদ্ধৰ পৰা বিৰত ৰখাৰ যত্ন কৰে, তেনে ব্যৱস্থাক জটিল ক্ষমতাৰ ভাৰসাম্যতা বুলি কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক্ষতিপূৰণ আৰু অন্তঃস্থ ৰাজ্য

৫ নং প্রশ্নৰ উত্তৰ ঃ বর্তমান পৰিস্থিতি চাবলৈ হ'লে ক্ষমতাৰ ভাৰসাম্যতা নীতিয়ে শান্তি প্রতিষ্ঠাত যথেষ্ট পৰিমাণে সহায় কৰিছে। এই নীতিৰ মুখ্য উদ্দেশ্য হ'ল ক্ষমতাৰ সাম্যাৱস্থা স্থাপন কৰি আক্রমণ প্রতিহত কৰাৰ চেষ্টা কৰা। কাৰণ এনে পৰিস্থিতিত কোনো ৰাষ্ট্রই আক্রমণ কৰিলে বিজয়ী হোৱাৰ সম্ভাৱনা নাথাকে। ফলত যুদ্ধৰ পৰা দূৰত থাকে। কাৰৰ মতে ইউৰোপত ১৯ শতিকাত এই ব্যৱস্থা থকাৰ বাবে শান্তি ব্যৱস্থা বাহাল হৈছিল। কিন্তু দ্বিতীয় মহাসমৰৰ পিচত বহুতো পণ্ডিতে মন্তব্য কৰে যে অতি সোনকালে ক্ষমতাৰ ভাৰসাম্যতাই নিজৰ স্থিতি হেৰুৱাব। কাৰণ আন্তঃৰাষ্ট্রীয় ক্ষেত্রত নতুন প্রক্রিয়া বিকাশ সাধন হৈছে। এনেধৰণৰ পৰিৱেশৰ মাজতে বহুতে প্রভাৱৰ ভাৰসাম্যতাক ক্ষমতাৰ ভাৰসাম্যতকৈ অধিক গুৰুত্ব দিয়া দেখা গৈছে। বর্তমান শান্তি প্রতিষ্ঠা আৰু মানৱ জাতি বর্তি থকাৰ বাবে ক্ষমতাৰ ভাৰসাম্যতা বা ভাৰস্যমাহীনতাৰ ওপৰতে নির্ভৰ নকৰি এক বৈকল্পিক পথৰ সন্ধান কৰাই বর্তমান যুগৰ এক নতুন চিন্তা হোৱা উচিত। তথাপি তত্ত্বগতভাৱে এই ধাৰণাৰ মূল্য অস্ত্র-শস্ত্র নিয়ন্ত্রণ, পাৰস্পৰিক জোঁট গঠন আৰু ৰংগাগনীয় স্থিৰতাৰ বাবে হ্রাস কৰিব পৰা যোৱা নাই।



৬.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ মৰ্গেনথিউৰে চিহ্নিত কৰা প্ৰথমটো আধুনিক ক্ষমতাৰ ভাৰসাম্যতাৰ উদাহৰণ উল্লেখ কৰক।

প্ৰশ্ন ২ঃ কাৰ্য্যক্ষেত্ৰৰ ওপৰত ভিত্তি কৰি ক্ষমতাৰ ভাৰসাম্যতাক কেইটা ভাগত ভগাব পাৰি?

প্ৰশ্ন ৩ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ যিকোনো দুটা ধাৰণা উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ দুখন ৰাষ্ট্ৰৰ মাজত যুদ্ধ সংঘটিত হোৱাৰ প্ৰাক্‌ক্ষণত কি ধৰণৰ ক্ষমতাৰ ভাৰসাম্যতাই শান্তি স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰে?

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ ক্ৰমবিকাশৰ বিষয়ে সংক্ষেপে লিখক।

প্ৰশ্ন ২ঃ ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে ব্যৱহাৰ কৰা কৌশলসমূহ বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ ক্ৰমবিকাশ আলোচনা কৰক। ক্ষমতাৰ ভাৰসাম্যতাৰ প্ৰধান ধাৰণাসমূহ আৰু প্ৰকাৰসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ক্ষমতাৰ ভাৰসাম্যতাৰ অৰ্থ ব্যাখ্যা কৰক। ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে ব্যৱহাৰ কৰা কৌশলসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ৭ ঃ ৰাষ্ট্ৰীয় স্বাৰ্থ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ৰাষ্ট্ৰীয় স্বাৰ্থ

৭.৩.১ ৰাষ্ট্ৰীয় স্বাৰ্থৰ অৰ্থ

৭.৩.২ ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ বিভিন্ন আৱশ্যকীয় আৰু অনাৱশ্যকীয় উপাদানসমূহ

৭.৩.৩ ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰকাৰ

৭.৪ ৰাষ্ট্ৰীয় স্বাৰ্থ ৰূপায়ণৰ বিভিন্ন কৌশলসমূহ

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্ৰগতিৰ খতিয়ান

৭.৮ আহিঁ প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰীয় স্বাৰ্থৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ আৱশ্যকীয় আৰু অনাৱশ্যকীয় উপাদনসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰকাৰসমূহ আলোচনা কৰিব পাৰিব
- ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ বিভিন্ন পদ্ধতিসমূহ বৰ্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ৰাষ্ট্ৰীয় স্বাৰ্থই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। সকলো ৰাষ্ট্ৰয়ে যিকোনো প্ৰকাৰে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰিব বিচাৰে। ৰাষ্ট্ৰসমূহৰ বৈদেশিক নীতিও এনেধৰণে নিৰ্ধাৰণ কৰা হয় যাতে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণ কৰিব পাৰি। এইটো সাৰ্বজনীনভাৱে সত্য যে সকলো ৰাষ্ট্ৰয়ে নিজৰ নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰে। ৰাষ্ট্ৰসমূহৰ ৰাজনৈতিক আচৰণ আৰু তেওঁলোকৰ চৰকাৰী ব্যৱস্থা সদায়ে ৰাষ্ট্ৰীয় স্বাৰ্থৰ দ্বাৰা প্ৰভাৱিত।

৭.৩ ৰাষ্ট্ৰীয় স্বাৰ্থ

৭.৩.১ ৰাষ্ট্ৰীয় স্বাৰ্থৰ অৰ্থ

ৰাষ্ট্ৰীয় স্বাৰ্থৰ এক সংক্ষিপ্ত বা এক নিৰ্দিষ্ট সংজ্ঞা আগবঢ়োৱা অতিকৈ কঠিন, কাৰণ এই ধাৰণাটো এক অস্পষ্ট ধাৰণা। এই ধাৰণাটোৰ লগত এক অস্পষ্ট অৰ্থ জড়িত হৈ আছে। আমেৰিকাৰ ৰাজনীতিবিদ যোচেফ ফ্ৰেংকেলে ৰাষ্ট্ৰীয় স্বাৰ্থ অধ্যয়নৰ দুটা দৃষ্টিভংগী আগবঢ়াইছে— বস্তুনিষ্ঠ (objective) দৃষ্টিভংগী অনুসৰি ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটো এক নিৰ্দিষ্ট দিশেৰে আলোচনা কৰি চাব পাৰি, আনহাতে আকৌ ব্যক্তিনিষ্ঠ (subjective) দৃষ্টিভংগী অনুসৰি ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটো এনেকুৱা এক ধাৰণা যি সদায় পৰিৱৰ্তনশীল। সেয়েহে বস্তুনিষ্ঠ দৃষ্টিভংগী অনুসৰি ৰাষ্ট্ৰীয় স্বাৰ্থক এক ঠেক দৃষ্টিভংগীৰে চোৱা যায়। এই দৃষ্টিভংগীৰ মতে ৰাষ্ট্ৰীয় স্বাৰ্থ হ'ল একধৰণৰ মূৰ্ত স্বাৰ্থ। আনহাতে, ব্যক্তিনিষ্ঠ দৃষ্টিভংগীৰে বহল অৰ্থত চাবলৈ গ'লে ৰাষ্ট্ৰীয় স্বাৰ্থ হ'ল এনে এক বস্তু, যিয়ে ৰাষ্ট্ৰসমূহৰ পৰিৱৰ্তনশীল লক্ষ্যত উপনীত হোৱাটো বিচাৰে। ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটো নিৰ্ভৰ কৰে ব্যক্তিজনে কোনটো দৃষ্টিভংগীৰে ইয়াৰ বিশ্লেষণ আগবঢ়াইছে। যেনে আদৰ্শ বনাম স্বাৰ্থপৰতা, আদৰ্শবাদ বনাম বাস্তৱবাদ, স্বল্পসূত্ৰী বনাম দীৰ্ঘসূত্ৰী আৰু পৰস্পৰবাদ আৰু ব্যক্তিগত ধাৰণা। সেয়েহে ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কে **'ব্ৰুকিংছ্ ইনষ্টিটিউট'**ই এনেধৰণে মন্তব্য আগবঢ়াইছে যে সাধাৰণতে ৰাষ্ট্ৰীয় শাসনে যিবোৰ লক্ষ্যত উপনীত হ'বলৈ বিচাৰে, তাকে ৰাষ্ট্ৰীয় স্বাৰ্থ বোলে। অৱশ্যে ৰাষ্ট্ৰীয় স্বাৰ্থৰ অৰ্থ ভালদৰে বুজিবলৈ হ'লে এই পাঠটিৰ পৰৱৰ্তী অংশ, য'ত ইয়াৰ উপাদান আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰকাৰসমূহ উল্লেখ আছে সেইবোৰ অধ্যয়ন কৰিব লাগিব।

ব্ৰুকিংছ্ ইনষ্টিটিউট ঃ আমেৰিকাৰ ৰাশ্বিংটন ডিচিত থকা ৰাজহুৱা নীতি সম্পৰ্কে অধ্যয়ন কৰা এক মুখ্য গৱেষণা কেন্দ্ৰ।

৭.৩.২ ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ আৱশ্যকীয় আৰু অনাৱশ্যকীয় উপাদানসমূহ

ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ উপাদানসমূহক প্ৰধান দুটা ভাগত, যেনে— (ক) প্ৰয়োজনীয় আৰু অতি-আৱশ্যকীয় উপাদান আৰু (খ) অনাৱশ্যকীয় উপাদানসমূহত ভাগ কৰা হৈছে।

(ক) প্ৰয়োজনীয় বা অতিআৱশ্যকীয় উপাদানসমূহ ঃ

মৰ্গেনথিউৰ মতে ৰাষ্ট্ৰীয় স্বাৰ্থৰ এক অতি আৱশ্যকীয় উপাদান হ'ল— ৰাষ্ট্ৰ এখনে নিজৰ অস্তিত্ব বা পৰিচয় ৰক্ষা কৰা। এনে অস্তিত্ব বা পৰিচয় আকৌ কেইটামান ভাগত ভাগ কৰিব পাৰি। যেনে— প্ৰাকৃতিক পৰিচয়, ৰাজনৈতিক পৰিচয় আৰু সাংস্কৃতিক পৰিচয়। প্ৰাকৃতিক পৰিচয়ৰ জৰিয়তে এখন ৰাষ্ট্ৰৰ ভৌগোলিক পৰিচয় দাঙি ধৰা হয়; ৰাজনৈতিক পৰিচয়ৰ জৰিয়তে ৰাষ্ট্ৰখনৰ আৰ্থিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ পৰিচয় দিয়া হয়। আনহাতে, সাংস্কৃতিক পৰিচয়ৰ

জৰিয়তে এখন ৰাষ্ট্ৰৰ ঐতিহাসিক মূল্যবোধ আৰু সাংস্কৃতিক মূল্যবোধৰ পৰিচয় দাঙি ধৰা হয়।

এই তিনিটা উপাদানকে ৰাষ্ট্ৰ এখনৰ অৱস্থিতি নিৰ্ণয়ৰ বাবে অত্যাৱশ্যকীয় উপাদান বুলি ঘোষণা কৰা হয়। এখন ৰাষ্ট্ৰই হয়তো কেতিয়াবা নিজৰ অত্যাৱশ্যকীয় স্বাৰ্থ সুৰক্ষা প্ৰদানৰ বাবে যুদ্ধৰ আশ্ৰয় ল'বলগা হয়। ৰাষ্ট্ৰসমূহে সাধাৰণতে নিজৰ নিজৰ অত্যাৱশ্যকীয় স্বাৰ্থসমূহ পূ�ৰণৰ বাবে বৈদেশিক নীতি গ্ৰহণ কৰা দেখা যায়।

(খ) **ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনাৱশ্যকীয় আৰু বিভিন্ন উপাদান ঃ**

ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ অন্যান্য উপাদানসমূহ সাধাৰণতে পৰিস্থিতিসাপেক্ষে সৃষ্টি হয় বা অতিআৱশ্যকীয় উপাদানসমূহক সুৰক্ষা প্ৰদানৰ বাবে এনে উপাদানৰ প্ৰয়োজন হয়। এনে উপাদানসমূহ বিভিন্ন উৎসৰ দ্বাৰা সৃষ্টি হয়, যেনে— সিদ্ধান্ত গ্ৰহণ কৰোতাসকল, জনমত, দলীয় ৰাজনীতি, প্ৰভাৱ গোষ্ঠী আৰু ৰাজনৈতিক আৰু নৈতিক মূল্যবোধসমূহ।

৭.৩.৩ ৰাষ্ট্ৰীয় স্বাৰ্থৰ প্ৰকাৰ

(ক) **ৰাষ্ট্ৰীয় স্বাৰ্থৰ ছয় প্ৰকাৰৰ শ্ৰেণীবিভাগ ঃ** আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী থমাছ ডব্লিউ ৰবিনছনে ছয়বিধ ৰাষ্ট্ৰীয় স্বাৰ্থৰ নিৰ্ণয় কৰি উলিয়াইছে। সেয়া হ'ল—

১। **মুখ্য স্বাৰ্থ** (Primary interests) — সকলো ৰাষ্ট্ৰৰে এনেকুৱা কিছুমান স্বাৰ্থ থাকে, যিবিলাকৰ বিনে ৰাষ্ট্ৰ এখন বৰ্তি থাকিব নোৱাৰে। ইয়াকে মুখ্য স্বাৰ্থ বোলা হয়। সেয়া হ'ল ৰাষ্ট্ৰ এখনৰ প্ৰাকৃতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অস্তিত্বক আন এখন ৰাষ্ট্ৰৰ হস্তক্ষেপৰ পৰা মুক্ত ৰাখা। সেয়েহে সকলো ৰাষ্ট্ৰই নিজৰ পৰিসীমাক সুৰক্ষা প্ৰদান কৰে।

২। **গৌণ স্বাৰ্থ** (Secondary interests)— এনে স্বাৰ্থৰ প্ৰয়োজনীয়তা কম, কিন্তু এনে স্বাৰ্থইও ৰাষ্ট্ৰ এখনত বৰ্তি থকাত আৱশ্যকীয় ভূমিকা পালন কৰে। এনে গৌণ স্বাৰ্থ কিছুমান হ'ল বিদেশত নিজৰ নাগৰিকক সুৰক্ষা প্ৰদান আৰু ৰাষ্ট্ৰদূতসকল আৰু কূটনীতিবিদসকলৰ ৰক্ষণাবেক্ষণ।

৩। **স্থায়ী স্বাৰ্থ** (Permanent interests)— ৰাষ্ট্ৰসমূহৰ কিছুমান স্থায়ী স্বাৰ্থ থাকে। এইবিলাক পৰিৱৰ্তনশীল নহয়। এনে স্বাৰ্থৰ উদাহৰণ পোৱা যায় সমুদ্ৰত ব্ৰিটেইনৰ নৌ-পৰিবহণৰ স্বাধীনতা, যাতে তেওঁলোকে তেওঁলোকৰ উপনিৱেশসমূহৰ সুৰক্ষা আৰু ব্যৱসায়-বাণিজ্যৰ বিকাশ সাধন কৰিব পাৰে।

৪। **পৰিৱৰ্তনশীল স্বাৰ্থ** (Variable interests)— পৰিস্থিতিসাপেক্ষে ৰাষ্ট্ৰসমূহৰ কল্যাণৰ বাবে কিছুমান স্বাৰ্থ নিৰূপণ কৰা হয়। এই স্বাৰ্থসমূহে কেতিয়াবা মুখ্য আৰু স্থায়ী স্বাৰ্থতো প্ৰভাৱ পেলাব পাৰে। পৰিৱৰ্তনশীল স্বাৰ্থ প্ৰকৃততে ব্যক্তিত্ব, জনমত, প্ৰভাৱগোষ্ঠী, দলীয় ৰাজনীতি ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত।

৫। **সাধাৰণ স্বাৰ্থ** (General interests) — সাধাৰণ স্বাৰ্থসমূহে সাধাৰণতে ৰাষ্ট্ৰ এখনৰ বিভিন্ন দিশত থকা বহুতো স্বাৰ্থক সাঙুৰি লয়। যেনে— ৰাষ্ট্ৰ এখনৰ আৰ্থিক উন্নয়ন, ব্যৱসায়-বাণিজ্য, কূটনৈতিক সম্পৰ্ক ইত্যাদি। আন্তঃৰাষ্ট্ৰীয় শান্তি স্থাপনৰ বাবে সকলো ৰাষ্ট্ৰৰে কিছুমান উমৈহতীয়া স্বাৰ্থ গঢ়ি তোলা হয়। যেনে— সকলো ৰাষ্ট্ৰৰ কল্যাণৰ বাবে নিৰস্ত্ৰীকৰণ আৰু অস্ত্ৰ-শস্ত্ৰ নিয়ন্ত্ৰণৰ ওপৰত গুৰুত্ব দিয়া হয়।

৬। **বিশেষ স্বাৰ্থ** (Specific interests)— সময় আৰু পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি প্ৰত্যেক দেশে কিছুমান বিষয়ৰ ওপৰত গুৰুত্ব দিবলগা হয়। উদাহৰণস্বৰূপে তৃতীয় বিশ্বৰ ৰাষ্ট্ৰসমূহৰ অৰ্থনৈতিক অধিকাৰসমূহ ৰূপায়ণৰ বাবে নতুন আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক (NIEO) অৱস্থা সৃষ্টি কৰিবলগা হয়।

(খ) **আন্তঃৰাষ্ট্ৰীয় স্বাৰ্থ** (International Interests) ঃ ৰাষ্ট্ৰীয় স্বাৰ্থৰ ছটা প্ৰকাৰ উল্লেখ কৰাৰ উপৰিও ৰবিনছনে আন তিনিটা স্বাৰ্থৰ বিষয়েও উল্লেখ কৰি থৈ গৈছে। সেয়া হ'ল আন্তঃৰাষ্ট্ৰীয় স্বাৰ্থ । তাৰ ভিতৰত একেধৰণৰ স্বাৰ্থ, সৌজন্যমূলক স্বাৰ্থ, সংঘাতমূলক স্বাৰ্থ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ প্ৰথমভাগত যিবোৰ বিষয়ত কিছুমান দেশৰ একেধৰণৰ স্বাৰ্থ থাকে, তাক অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, কিছুমান বিষয়ত দেশসমূহে কোনো চুক্তিত উপনীত হ'বলৈ আগ্ৰহ প্ৰকাশ কৰে। তাকে সৌজন্যমূলক স্বাৰ্থ বোলে। এই দুই প্ৰকাৰৰ বাহিৰে আন আন স্বাৰ্থক সংঘাতজনক স্বাৰ্থ হিচাপে অভিহিত কৰা হয়। তথাপিও কোনো প্ৰকাৰৰ স্বাৰ্থকে সবাতোতকৈ ভাল বুলি গ্ৰহণ কৰা নহয়, কাৰণ কেতিয়াবা সৌজন্যমূলক স্বাৰ্থও একেধৰণৰ স্বাৰ্থত আৰু সংঘৰ্ষমূলক স্বাৰ্থ সৌজন্যমূলক স্বাৰ্থত পৰিবৰ্তন হ'ব পাৰে।

উপৰোক্ত আলোচনাৰ পৰা জানিব পৰা গ'ল যে ৰবিনছনে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত সকলো ৰাষ্ট্ৰৰে আচৰণ অধ্যয়ন কৰি ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰীয় স্বাৰ্থসমূহক কেইটামান শ্ৰেণীবিভাগত বিভক্ত কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰাষ্ট্রীয় স্বাৰ্থ অধ্যয়নত যোচেফ ফ্রেংকেলে আগবঢ়োৱা দুটা দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ২ ঃ পৰিচয় বা অস্তিত্ব ৰক্ষা কৰাটোৱে ৰাষ্ট্রীয় স্বাৰ্থৰ মূল উপাদান। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৩ ঃ থমাছ ডব্লিউ ৰবিনছনে আগবঢ়োৱা ৰাষ্ট্রীয় স্বাৰ্থৰ ছয়ধৰণৰ শ্রেণীবিভাগৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

৭.৪ ৰাষ্ট্রীয় স্বাৰ্থ ৰূপায়ণৰ বিভিন্ন কৌশলসমূহ

ৰাষ্ট্রীয় স্বাৰ্থ ৰক্ষা কৰাই হৈছে এখন ৰাষ্ট্রৰ আটাইতকৈ গুৰুত্বপূৰ্ণ লক্ষ্য বা উদ্দেশ্য। ৰাষ্ট্রসমূহে ৰাষ্ট্রীয় স্বাৰ্থ পূৰণৰ বাবে কেতবোৰ উপায় অৱলম্বন কৰা দেখা যায়। সেইবিলাক হ'ল—

- **কূটনীতি**— ৰাষ্ট্রীয় স্বাৰ্থ পূৰণৰ ই এক সাৰ্বজনীন উপায়। কূটনীতিৰ জৰিয়তে ৰাষ্ট্রসমূহে আন ৰাষ্ট্রৰ লগত সম্পৰ্ক স্থাপন কৰে। কূটনীতিয়ে বৈদেশিক নীতিসমূহ কাৰ্যকৰী কৰাত সহায় কৰে। কূটনীতিবিদসকলে সিদ্ধান্ত গ্রহণকাৰী আৰু আন ৰাষ্ট্রৰ কূটনীতিবিদসকলৰ মাজৰ সম্পৰ্ক স্থাপন কৰে আৰু এনেদৰে মধ্যস্থতাৰ জৰিয়তে ৰাষ্ট্রীয় স্বাৰ্থৰ লক্ষ্য পূৰণত সহায় কৰে। কূটনীতি হ'ল এনে এক প্রকাৰৰ কলা, যিটোৰ জৰিয়তে এখন দেশৰ ৰাষ্ট্রীয় স্বাৰ্থসমূহ বা লক্ষ্য বা উদ্দেশ্যসমূহ আন ৰাষ্ট্রৰ সন্মুখত এনেদৰে উপস্থাপন কৰা হয়, যাতে তেনে স্বাৰ্থসমূহ গ্রহণযোগ্য আৰু উচিত যেন লাগে। কূটনীতিবিদসকলে সংঘৰ্ষৰ পৰিৱৰ্তে মধ্যস্থতাৰ জৰিয়তে সমস্যা সমাধান কৰিব বিচাৰে। ইয়াৰ বাবে তেওঁলোকে পৰস্পৰে দিয়া-লোৱা, প্রৰোচনা, সম্পৰ্কৰ উন্নয়ন, কূটনীতি আদিৰ জৰিয়তে নিজৰ ৰাষ্ট্রীয় স্বাৰ্থ লক্ষ্য পূৰণ কৰিব বিচাৰে।
- **প্রচাৰকার্য**— ই আন এক আহিলা। প্রচাৰকার্য প্রৰোচনাৰ এক কলা হিচাপে ধৰি লোৱা হয়। এই কলাৰ জৰিয়তে নিজৰ উদ্দেশ্য আৰু লক্ষ্য যুক্তিসংগত বুলি আনটো পক্ষৰ সন্মতি লোৱা হয়। প্রচাৰকার্যৰ জৰিয়তে নিজৰ লক্ষ্যত উপনীত হ'বলৈ আনটো পক্ষৰ মনত একধৰণৰ মনোভাব গঢ়ি তোলা হয়। এইক্ষেত্রত এক বৈপ্লৱিক পৰিৱৰ্তন হৈছে প্রচাৰ মাধ্যমসমূহৰ উন্নয়নৰ দ্বাৰা। এনে উন্নত প্রচাৰ মাধ্যমৰ দ্বাৰা নিজৰ দেশৰ ৰাষ্ট্রীয় স্বাৰ্থৰ লক্ষ্যত উপনীত হোৱাত সহায় হৈছে।

- **আৰ্থিক সাহায্য—** উন্নত আৰু চহকী ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক সাহায্য আৰু ঋণ আদি প্ৰদান কৰি তেওঁলোকৰ স্বাৰ্থৰক্ষাৰ বাবে আন আন ৰাষ্ট্ৰৰ লগত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক স্থাপন কৰে। এই পন্থাৰ জৰিয়তে ধনী আৰু দুখীয়া ৰাষ্ট্ৰৰ মাজৰ ব্যৱধান দিনে দিনে বৃদ্ধি হৈ আহিবলৈ ধৰিছে, কাৰণ এই পন্থাটোৰ জৰিয়তে ধনী ৰাষ্ট্ৰসমূহে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ যথেষ্ট সুবিধা পায়। এনেধৰণৰ আৰ্থিক সাহায্যই দৰিদ্ৰ ৰাষ্ট্ৰসমূহক ধনী ৰাষ্ট্ৰসমূহৰ মুখাপেক্ষী কৰি তোলে। তেওঁলোকে প্ৰযুক্তিবিদ্যাৰ জ্ঞান, ঔদ্যোগিক সামগ্ৰী, বৈদেশিক সাহায্য, অস্ত্ৰ-শস্ত্ৰ আৰু কেঁচা সামগ্ৰীসমূহ বিক্ৰী কৰিবৰ বাবে চহকী ৰাষ্ট্ৰৰ ওচৰত হাত পাতিবলগা হয় আৰু এনেধৰণে আৰ্থিক সাহায্য প্ৰদানৰ জৰিয়তে ধনী ৰাষ্ট্ৰসমূহে নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ লক্ষ্যত উপনীত হ'ব বিচাৰে।
- **মৈত্ৰী চুক্তি বা সন্ধি—** দুই বা ততোধিক দেশে উমৈহতীয়া লক্ষ্য পূৰণৰ বাবে সন্ধি বা চুক্তি স্বাক্ষৰ কৰে। এই পদ্ধতিৰ জৰিয়তে ৰাষ্ট্ৰসমূহে একেধৰণৰ আৰু সৌজন্যমূলক স্বাৰ্থসমূহ পূৰণ কৰে। আকৌ কেতিয়াবা আন কোনো ৰাষ্ট্ৰৰ সংঘাতজনক স্বাৰ্থইও আন কিছুমান ৰাষ্ট্ৰক নিজৰ সুৰক্ষাৰ বাবে আৰু বিৰোধী পক্ষকো নিজৰ সুৰক্ষাৰ বাবে সন্ধি বা চুক্তি গঢ়ি তোলাত সহায় কৰে। সাধাৰণতে সন্ধি বা চুক্তিত মিলিত পক্ষসমূহে তেওঁলোকৰ উমৈহতীয়া স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে আইনগতভাৱে বাধ্য হয়। এনে চুক্তি আৰ্থিক আৰু সামগ্ৰিক প্ৰকৃতিৰ হ'ব পাৰে।

  শীতল যুদ্ধৰ সময়ত সামৰিক মিত্ৰপক্ষ হিচাপে নৰ্থ আটলাণ্টিক ট্ৰিটি অৰ্গেনাইজেচন (NATO), চাউথ ইষ্ট এছিয়া ট্ৰিটি অৰ্গেনাইজেচন (SEATO), চেণ্ট্ৰেল ট্ৰিটি অৰ্গেনাইজেচন (CENTO), অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ইউনাইটেড ষ্টেট ছিকিউৰিটি ট্ৰিটি (ANZUS) ইত্যাদি গঢ় লৈ উঠিছিল। আনহাতে সাম্যবাদী ছোভিয়েট ৰাছিয়াৰ সমৰ্থনত 'ৰাৰ্ছ পেক্ট' (Warsaw Pact) গঢ়ি উঠিছিল। ইউৰোপৰ অৰ্থনৈতিক পুনৰ উদ্ধাৰৰ বাবে দ্বিতীয় মহাযুদ্ধৰ পিচত ইউৰোপৰ সমূহীয়া বেপাৰ-বাণিজ্যৰ নামত কেতবোৰ অৰ্থনৈতিক সংগঠন গঢ় লৈ উঠিছিল।
- **শাস্তিমূলক ব্যৱস্থা—** আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত ক্ষমতাৰ ভূমিকা কোনেও নুই কৰিব নোৱাৰে। এনে পৰিস্থিতিত ৰাষ্ট্ৰীয় স্বাৰ্থৰ লক্ষ্যত উপনীত হ'বৰ বাবে শক্তিৰ ব্যৱহাৰক প্ৰায় সকলো ৰাষ্ট্ৰই স্বীকাৰ কৰে, আনকি আন্তঃৰাষ্ট্ৰীয় আইনেও ৰাষ্ট্ৰসমূহৰ লক্ষ্য পূৰণৰ বাবে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাটো বৈধ বুলি ঘোষণা কৰে। কিছুমান শাস্তিমূলক ব্যৱস্থাই ব্যৱসায়-বাণিজ্যত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। আন কেতবোৰ শাস্তিমূলক ব্যৱস্থা হ'ল— ৰাষ্ট্ৰৰ লগত সম্পৰ্ক ছেদ বা বিদাৰন, সংঘৰ্ষ আৰু প্ৰত্যাক্ৰমণ, শান্তিপূৰ্ণ প্ৰতিবন্ধকতা সৃষ্টি কৰা যেনে— খাদ্য-সামগ্ৰী, যুদ্ধৰ সামগ্ৰী আদিৰ যোগান বন্ধ আৰু প্ৰচাৰ মাধ্যমসমূহ বন্ধ কৰা ইত্যাদি। যুদ্ধ বা আক্ৰমণ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত অবৈধ বুলি ঘোষণা হোৱা সত্ত্বেও ৰাষ্ট্ৰসমূহে ইয়াৰ ব্যৱহাৰ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰসমূহে স্বীকাৰ কৰিছে যে বিবাদসমূহ নিষ্পত্তি কৰাৰ বাবে শান্তিপূৰ্ণ উপায়, যেনে মধ্যস্থতা আৰু কূটনীতি আদি হ'ল আদৰ্শ

পদ্ধতি, তথাপিও ৰাষ্ট্রসমূহে নিজৰ ৰাষ্ট্রীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে প্রয়োজন হ'লে শান্তিমূলক ব্যৱস্থাও ব্যৱহাৰ কৰা উচিত বুলি কয়। সামৰিক শক্তি বা ক্ষমতা এতিয়াও ৰাষ্ট্রসমূহৰ অপৰিহার্য অংশ আৰু ইয়াৰ জৰিয়তে ৰাষ্ট্রসমূহে নিজৰ লক্ষ্য বা উদ্দেশ্য পূৰণ কৰিব বিচাৰে।

জানি থোৱা ভাল



আন্তঃৰাষ্ট্রীয় শান্তি, প্রাচুর্যতা আৰু নিৰাপত্তা বৃদ্ধিৰ বাবে ৰাষ্ট্রসমূহে শান্তিমূলক ব্যৱস্থা প্রয়োগ কৰাৰ পৰা বিৰত থাকিব বিচাৰে। ৰাষ্ট্রসমূহে শান্তিপূর্ণ সহাৱস্থানেৰে বিবাদসমূহ নিষ্পত্তি কৰি নিজৰ স্বাৰ্থ ৰক্ষা কৰাৰ চেষ্টা কৰে। গোটেই বিশ্বৰ উন্নতি আৰু বিকাশৰ বাবে শান্তি আৰু নিৰাপত্তাৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাষ্ট্রসমূহে নিজৰ নিজৰ ৰাষ্ট্রীয় স্বাৰ্থকো তেনেধৰণৰ লক্ষ্যৰ লগত সাদৃশ্য ৰাখি ৰূপায়ণ কৰিব লাগে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪ ঃ ৰাষ্ট্রীয় স্বাৰ্থ ৰূপায়ণৰ যিকোনো দুটা পদ্ধতি উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ ৰাষ্ট্রীয় স্বাৰ্থ ৰূপায়ণৰ পদ্ধতি হিচাপে মৈত্রী চুক্তি আৰু সন্ধি সম্পর্কে লিখক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্রীয় স্বাৰ্থৰ এক সংক্ষিপ্ত বা এক নির্দিষ্ট সংজ্ঞা আগবঢ়োৱা অতিকৈ কঠিন। আমেৰিকাৰ ৰাজনীতিবিদ যোচেফ ফ্রেংকেলে ৰাষ্ট্রীয় স্বাৰ্থ অধ্যয়নৰ দৃষ্টিভংগীসমূহক ঘাইকৈ দুটা ভাগত ভাগ কৰিছে— বস্তুনিষ্ঠ দৃষ্টিভংগী আৰু ব্যক্তিনিষ্ঠ দৃষ্টিভংগী।

- বস্তুনিষ্ঠ দৃষ্টিভংগী অনুসৰি ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটো এক নিৰ্দিষ্ট দিশেৰে আলোচনা অথবা পৰীক্ষা কৰি চাব পাৰি। অন্যহাতে ব্যক্তিনিষ্ঠ দৃষ্টিভঙ্গীয়ে ৰাষ্ট্ৰীয় স্বাৰ্থৰ ধাৰণাটো সদায় পৰিৱৰ্তশীল ধাৰণা হিচাপে আলোচনা কৰে।
- ৰাষ্ট্ৰীয় স্বাৰ্থ নিৰূপণৰ উপাদানসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে— (ক) প্ৰয়োজনীয় আৰু অতি আৱশ্যকীয় উপাদান আৰু (খ) ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনাৱশ্যকীয় আৰু বিভিন্ন উপাদান।
- আমেৰিকাৰ ৰাজনীতি বিজ্ঞানী থমাছ ডব্লিউ ৰবিনছনে ৰাষ্ট্ৰসমূহে পূৰণ কৰিবলৈ যত্ন কৰা ছয় প্ৰকাৰৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথা উল্লেখ কৰিছে। সেইবোৰ হ'ল — মুখ্য স্বাৰ্থ, গৌণ স্বাৰ্থ, স্থায়ী স্বাৰ্থ, পৰিৱৰ্তনশীল স্বাৰ্থ, সাধাৰণ স্বাৰ্থ আৰু বিশেষ স্বাৰ্থ।
- ৰবিনছনে ছয় প্ৰকাৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ উপৰিও আন তিনিপ্ৰকাৰৰ স্বাৰ্থৰ বিষয়ে উল্লেখ কৰিছে। এই তিনিপ্ৰকাৰৰ স্বাৰ্থক তেওঁ আন্তঃৰাষ্ট্ৰীয় স্বাৰ্থ হিচাপে বৰ্ণনা কৰিছে। এই স্বাৰ্থবোৰ হ'ল — (ক) একেধৰণৰ স্বাৰ্থ, (খ) সৌজন্যমূলক স্বাৰ্থ, (গ) সংঘাতমূলক স্বাৰ্থ।
- ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ বাবে কিছুমান উপায় অৱলম্বন কৰে। এই উপায়মূহে কূটনীতি, প্ৰচাৰকাৰ্য, আৰ্থিক সাহায্য, মৈত্ৰী, চুক্তি আৰু শাস্তিমূলক ব্যৱস্থাক সামৰি লয়।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাল, ড° কৃপেশ চন্দ্ৰ ; নায়ক, অধ্যাপক প্ৰতুল চন্দ্ৰ আৰু পাটগিৰি, ড° ৰুবুল (২০১২)। *স্নাতক মহলাৰ আন্তৰ্জাতিক ৰাজনীতি*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

২) চক্ৰৱৰ্তী, দিলীপ কুমাৰ (২০০৫)। *আন্তৰ্জাতিক আইন আৰু কূটনীতি*। গুৱাহাটী ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash, & Arora, Prem. (2015). *Comparative Politics and International Relations.* New Delhi: Cosmos Bookhive (P) Ltd.

2) Ghai, K.K. (2005). *International Relations – Theory and Practice*.New Delhi :Kalyani Publishers.

3) Malhotra , Vinay Kumar. (2006). *International Relations*.New Delhi:Anmol Publications Pvt.Ltd.



৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) বস্তুনিষ্ঠ দৃষ্টিভংগী, (খ) ব্যক্তিনিষ্ঠ দৃষ্টিভংগী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুখ্য স্বাৰ্থ, গৌণ স্বাৰ্থ, স্থায়ী স্বাৰ্থ, পৰিৱৰ্তনশীল স্বাৰ্থ, সাধাৰণ স্বাৰ্থ আৰু বিশেষ স্বাৰ্থ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সন্ধি আৰু চুক্তি, (খ) শাস্তিমূলক ব্যৱস্থা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দুই বা ততোধিক দেশে উমৈহতীয়া লক্ষ্য পূৰণৰ বাবে সন্ধি বা চুক্তি স্বাক্ষৰ কৰে। এই পদ্ধতিৰ জৰিয়তে ৰাষ্ট্ৰসমূহে একেধৰণৰ আৰু সৌজন্যমূলক স্বাৰ্থসমূহ পূৰণ কৰে। আকৌ কেতিয়াবা আন কোনো ৰাষ্ট্ৰৰ সংঘাতজনক স্বাৰ্থইও আন কিছুমান ৰাষ্ট্ৰক নিজৰ সুৰক্ষাৰ বাবে আৰু বিৰোধী পক্ষকো নিজৰ সুৰক্ষাৰ বাবে সন্ধি বা চুক্তি গঢ়ি তোলাত সহায় কৰে। সাধাৰণতে সন্ধি বা চুক্তিত মিলিত পক্ষসমূহে তেওঁলোকৰ উমৈহতীয়া স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে আইনগতভাৱে বাধ্য হয়। এনে চুক্তি আৰ্থিক আৰু সামগ্ৰিক প্ৰকৃতিৰ হ'ব পাৰে। শীতল যুদ্ধৰ সময়ত সামৰিক মিত্ৰপক্ষ হিচাপে নৰ্থ আটলাণ্টিক ট্ৰিটি অৰ্গেনাইজেচন (NATO), চাউথ ইষ্ট এছিয়া ট্ৰিটি অৰ্গেনাইজেচন (SEATO), চেণ্ট্ৰেল ট্ৰিটি অৰ্গেনাইজেচন (CENTO), অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ইউনাইটেড ষ্টেট ছিকিউৰিটি ট্ৰিটি (ANZUS) ইত্যাদি গঢ় লৈ উঠিছিল। আনহাতে সাম্যবাদী ছোভিয়েট ৰাছিয়াৰ সমৰ্থনত 'ৱাৰ্ছ পেক্ট' (Warsaw Pact) গঢ়ি উঠিছিল। ইউৰোপৰ অৰ্থনৈতিক পুনৰ উদ্ধাৰৰ বাবে দ্বিতীয় মহাযুদ্ধৰ পিচত ইউৰোপৰ সমূহীয়া বেপাৰ-বাণিজ্যৰ নামত কেতবোৰ অৰ্থনৈতিক সংগঠন গঢ় লৈ উঠিছিল।



৭.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ৰাষ্ট্ৰীয় স্বাৰ্থৰ ছয়ধৰণৰ শ্ৰেণীবিভাজন কোনে আগবঢ়াইছিল ?

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় স্বাৰ্থ অধ্যয়নত যোচেফ ফ্ৰেংকেলে আগবঢ়োৱা দুটা দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ৰাষ্ট্ৰীয় স্বাৰ্থৰ অতি-আৱশ্যকীয় উপাদান আৰু অনাৱশ্যকীয় উপাদানসমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় স্বাৰ্থ ৰূপায়ণৰ পদ্ধতি হিচাপে কূটনীতি আৰু প্ৰচাৰকাৰ্য সম্পৰ্কে ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰীয় স্বাৰ্থৰ অৰ্থ ব্যাখ্যা কৰক। ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰীয় স্বাৰ্থ পূৰণৰ বিভিন্ন কৌশলসমূহ আলোচনা কৰক।

* * * * *